# গোট - 10 ঃ বঞ্চিত শিক্ষাৰ্থীসকলৰ বাবে শিকন প্ৰক্ৰিয়া সমূহৰ প্ৰাসংঙ্গীকৰণ

## সংগঠন ঃ

10.0 ঃ প্ৰস্তাৱনা

10.1 ঃ শিকন উদ্দেশ্যাৱলী

10.2 ঃ শিকনৰ সামাজিক - সাংস্কৃতিক প্ৰসঙ্গঁ।

  10.2.1 ঃ অৰ্থপূৰ্ণ শিকনৰ বাবে সামাজিক-সাংস্কৃতিক প্ৰসঙ্গ

  10.2.2 ঃ স্থানীয় জ্ঞান আৰু পাঠ্যপুথিৰ জ্ঞান

10.3 ঃ বঞ্চিত শিশুসকলৰ শিক্ষা

  10.3.1 ঃ ছোৱালীৰ শিক্ষা

  10.3.2 ঃ সংখ্যালঘু দলৰ শিশুসকলৰ শিক্ষা

  10.3.3 ঃ বিশেষ প্ৰয়োজনীয়তা যুক্ত শিশুৰ শিক্ষা (CWSN)

10.4 ঃ সামাজিক-সাংস্কৃতিক প্ৰসঙ্গত জনজাতীয় শিশুসকলৰ শিক্ষা

  10.4.1 ঃ সমস্যা সমূহ

  10.4.2 ঃ শিক্ষাদান সংক্ৰান্ত সমস্যাৰ সমাধানৰ বাবে কৌশল সমূহ

10.4.ঃ সামাজিক-সাংস্কৃতিক উপাদান সমূহৰ অনুধাৱন

10.4.4 ঃ বহুভাষিক শ্ৰেণীকক্ষৰ পৰিকল্পনা আৰু পৰিচালনা

10.5 ঃ সংক্ষেপে জানি থওঁ আহক

10.6 ঃ অগ্ৰগতিৰ মূল্যায়নৰ আৰ্হি/মডেল উত্তৰ

10.7 ঃ অনুমোদিত অধ্যয়ন আৰু প্ৰসঙ্গসূচী

10.8 ঃ একক অন্তৰ অনুশীলনী

## 10.0 ঃ প্ৰস্তাৱনা

এজন শিক্ষক হিচাবে আপুনি যিকোনো শ্ৰেণীত পাঠদান কৰোতে দেখিবলৈ পাব যে শ্ৰেণীৰ সকলো ছাত্ৰ শ্ৰেণীকক্ষৰ আন্তঃক্ৰিয়াৰ প্ৰতি সমানে মনোযোগী আৰু প্ৰতিক্ৰিয়াশীল নহয়। কিছুমান ছাত্ৰই শ্ৰেণীকক্ষৰ আন্তঃক্ৰিয়াত সক্ৰিয়তাৰে অংশগ্ৰহণ কৰে আৰু আন কিছুমানে লাজ কৰি শান্ত শিষ্ট ভাৱে বহি থাকে। বাৰে বাৰে জোৰ নকৰিলে এই শিক্ষাৰ্থীসকলে শ্ৰেনী কাৰ্যত অংশ গ্ৰহনো নকৰে আৰু প্ৰতিক্ৰিয়া প্ৰদানো কৰিব নিবিচাৰে। এইটো কিয় হয়?

টোকা

ছাত্রসকলৰ মাজত ব্যক্তি পাৰ্থক্য থাকে আৰু প্ৰত্যেক জন ছাত্ৰই ব্যক্তিত্ব আৰু স্বাভাৱিক প্ৰৱনতাৰ দিশৰ পৰা একক। সেইবাবেই তেওঁলোকৰ মনোযোগৰ পৰিসৰ, তেওঁলোকৰ শিকন শৈলী আৰু প্ৰতিক্ৰিয়াৰ প্ৰকৃতি ভিন ভিন। কিন্তু শ্ৰেণীৰ কোনবোৰ ছাত্ৰ শ্ৰেণীত নিৰৱে বহি থাকে আৰু শ্ৰেণী কাৰ্যত আংশ গ্ৰহন নকৰে? বৈষম্যৰ চিকাৰ হৈ বা অৱহেলিত হৈ তেওঁলোকে হীনমান্যতাত ভোগে নেকি?

বঞ্চিত ছাত্ৰ-ছাত্ৰী সকল দুই শ্ৰেণীৰ সামাজিকভাৱে বঞ্চিত শ্ৰেণীৰ আৰু বিশেষ চাহিকাযুক্ত শিশু। সাধাৰণতে অনুসূচিত জাতি, অনুসূচিত, জনজাতি আৰু সংখ্যালঘু সম্প্ৰদায়ৰ শিশু সকলক সামাজিক ভাৱে বঞ্চিত শিশু বুলি কোৱা হয়। আনহাতেদি যি সকল শিশু দৈহিক আৰু শিকন জনিত অসুবিধাত ভোগে তেওঁলোকক বিশেষ চাহিদাযুক্ত শিশু বুলি কোৱা হয় (CWSN)। এই দুই শ্ৰেণীৰ শিশুৰ বাহিৰেও সাধাৰণতে ছোৱালী বিলাকো সামাজিক বৈষম্য আৰু অৱহেলাৰ বলি হয়। এই শ্ৰেণী সমূহৰ অন্তৰ্ভূক্ত শিশুসকল বঞ্চিত শিশু ৰূপে চিহ্নিত আৰু সততে শিক্ষক আৰু সহপাঠি সকলৰ পৰা পাৰ্থক্যমূলক ব্যৱহাৰ লাভ কৰে।

এইটো লক্ষ্য কৰা যায় যে জনজাতীয় সম্প্ৰদায়ৰ পৰা অহা শিশুসকলে শ্ৰেণী পৰিবেশত সহজ অনুভৱ কৰিব নোৱাৰে। কাৰণ বিদ্যালয়ৰ পৰিবেশ শ্ৰেণীৰ পৰিবেশ তেওঁলোকে আৰু ডাঙৰ-দীঘল হোৱা সামাজিক-সাংস্কৃতিক পৰিবেশতকৈ সম্পূৰ্ণ পৃথক। গৃহ আৰু বিদ্যালয় পৰিবেশৰ এই অসামঞ্জস্যতাৰ ফলত এই শিশু সকল অনেক ক্ষেত্ৰত বঞ্চিত বা অসমতাৰ বলি হয়। এওঁলোকৰ মাজৰ যি সকলে এই অসমতা সমূহ অতিক্ৰম কৰিব নোৱাৰে তেওঁলোকে আধাতে বিদ্যালয় বাদ দিব লগা হয়।

এই গোটটোত আমি শিকনৰ সামাজিক সাংস্কৃতিক প্ৰাসংগিকতা আৰু শ্ৰেণীকক্ষৰ বঞ্চিত শিশুসকলক সহায় কৰাৰ ক্ষেত্ৰত জনজাতীয় শিশুসকলৰ ওপৰত দুটা কাৰণক বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। প্ৰথমতে, আমাৰ দেশৰ জনসংখ্যাৰ এক বুজন অংশ অনুসূচিত জনজাতিৰ লোক। এওঁলোকে অতি ভিতৰুৱা আৰু দুৰ্গম অঞ্চলত বসবাস কৰে। আৰু এওঁলোকৰ মাজত শিক্ষা সম্পৰ্কে সচেতনতাৰ অভাৱ দেখা যায়। দ্বিতীয়তে, এই শিশুসকলৰ সাংস্কৃতিক আৰু ভাষাগত পৰম্পৰা সমূহ সমাজৰ আন সামাজিক দল সমূহতকৈ যথেষ্ট পৃথক। গতিকে তেওঁলোকৰ সামাজিক সাংস্কৃতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ



টোকা

স্বকীয় শৈক্ষিক চাহিদাসমূহ উপযুক্তভাৱে বিচাৰ কৰি, তেওঁলোকৰ সমস্যা সমূহৰ সমাধানৰ ব্যৱস্থা কৰিব লাগে। এজন শিক্ষক হিচাবে আপুনি শ্ৰেণী কক্ষৰ এই শ্ৰেণী সমূহৰ অন্তৰ্ভূক্ত শিশুসমূহৰ সমস্যা সমূহৰ প্ৰতি সচেতন হোৱা উচিত আৰু লগতে এই সমস্যা সমূহৰ সমাধানৰ বাবে যত্ন কৰা উচিত। এই গোটটোত বিশেষ পদ্ধতি সহ এই সমস্যা সমূহৰ বিষয়ে আলোচনা কৰা হ'ব, যাতে শ্ৰেণীৰ অন্যান্য শিক্ষাৰ্থীসকলৰ দৰেই এওঁলোকেও শ্ৰেণীৰ কাৰ্য সম্পাদনত সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ সক্ষম হয়। এই এককটো সম্পূৰ্ণ কৰিবলৈ আপোনাক প্ৰায় 07 ঘন্টা অধ্যয়নৰ সময়ৰ প্ৰয়োজন হ'ব।

## 10.1 ঃ শিকন উদ্দেশ্যাৱলী

এই এককটো সম্পূৰ্ণ কৰাৰ অন্তত আপুনি

• শিকনৰ স্থানীয় ভাবে বিশেষীকৃত সামাজিক সাংস্কৃতিক প্ৰসংগ সমূহ চিনাক্ত কৰিবলৈ সক্ষম হ'ব।

• শ্ৰেণী পৰিবেশৰ বিভিন্ন শ্ৰেণীভুক্ত বঞ্চিত সকলক চিনাক্ত কৰিবলৈ আৰু এওঁলোকক পৰিচালিত কৰিবলৈ সক্ষম হ'ব।

• জনজাতিয় শিশুসকলৰ শৈক্ষিক সমস্যাসমূহ উল্লেখ কৰিবলৈ সক্ষম হ'ব।

• জনজাতিয় ছাত্ৰ-ছাত্ৰী সকলৰ সামাজিক, সাংস্কৃতিক ভাষিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিভিন্ন শিক্ষন কৌশল প্ৰয়োগ কৰিবলৈ সক্ষম হ'ব।

## 10.2 ঃ শিকনৰ সামাজিক সাংস্কৃতিক প্ৰসংগ ঃ

শিক্ষাৰ্থীকেন্দ্ৰিক শিক্ষাদানত শিশুসকলৰ অভিজ্ঞতা, মতামত আৰু শিকন-শিক্ষন প্ৰক্ৰিয়াত তেওঁলোকৰ সক্ৰিয় অংশ গ্ৰহণত গুৰুত্ব প্ৰদান কৰা হয়। সেইবাবে, তলৰ দিশ সমূহ সম্পৰ্কে আপুনি কি ভাৱে —

— আমি শ্ৰেণীকক্ষত শিশুক পূৰ্ব অভিজ্ঞতাবিহীন এক সত্তা হিচাবে বিবেচনা কৰা উচিত নে বিভিন্ন অভিজ্ঞতাযুক্ত আৰু পৰিয়ালৰ আৰু সম্প্ৰদায়ৰ সামাজিক-সংস্কৃতিক প্ৰভাৱত গঢ়লৈ উঠা এক মানৱ সত্তা হিচাবে বিবেচনা কৰা উচিত?

— শিশু শিক্ষাৰ্থী সকলৰ বাবে প্ৰাসংগিকতাক অৰ্থপূৰ্ণ হয় নে নহয় এই দিশটো বিচাৰ নকৰাকৈ শিশুসকলৰ বাবে বিষয়সূচীত বিষয়সমূহ অন্তৰ্ভূক্ত কৰা উচিত নে তেওঁলোকে বাস্তৱ জীৱনত সন্মুখীন হোৱা বিভিন্ন প্ৰতিবন্ধকতা, যেনে ঃ-

অৰ্থ-সামাজিক সমস্যা, সাংস্কৃতিক বাধা নিষেধ ইত্যাদিৰ পৰিপ্ৰেক্ষিতত

টোকা

ইতিমধ্যে লাভ কৰা অভিজ্ঞতা সমূহৰ সংগঠন আৰু পুনঃসংগঠনৰ যোগেদি নিজৰ শিকন কাৰ্যক গঢ় দিয়া কাৰ্যত সহায় কৰা উচিত?

এই প্ৰশ্ন কেইটাৰ উত্তৰেই এজন শিক্ষক হিচাবে শ্ৰেণীকক্ষৰ কাৰ্য সম্পাদনৰ ক্ষেত্ৰত আপুনি গ্ৰহণ কৰিবলগীয়া শিক্ষাদান কাৰ্য সমূহৰ প্ৰকৃতি নিৰ্ধাৰণ কৰিব।

আমি জানো যে, শিকন-সক্ৰিয় আৰু সামাজিক প্ৰকৃতিৰ। সেইবাবে শিকন স্থায়ীয় ভাবে প্ৰাসঙ্গিক আৰু শিক্ষাৰ্থীৰ অভিজ্ঞতা ভিত্তিতে হব লাগে। শিকন-শিক্ষন প্ৰক্ৰিয়া শিশুসকলৰ দৈহিক, সামাজিক আৰু সাংস্কৃতিক পচন্দ-অপচন্দ সমূহৰ প্ৰতি প্ৰতিক্ৰিয়াশীল হ'ব লাগে।

তলত উল্লেখ কৰা শ্ৰেণীকক্ষৰ পৰিস্থিতি দুটা বিচাৰ কৰি চাওঁক -

**পৰিস্থিতি ঃ১**

প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক ৰঘু মহন্তই চতুৰ্থ শ্ৰেণীত "খাদ্য" পাঠটো পঢ়াব লাগে। পাঠ্যপুথি আৰু অন্যান্য প্ৰাসঙ্গিক সামগ্ৰী বিচাৰ কৰি চাই তেওঁ সুন্দৰকৈ পাঠদানৰ বাবে প্ৰয়োজনীয় টোকা প্ৰস্তুত কৰি সম্পূৰ্ণ পূৰ্বপ্ৰস্ততিৰে তেওঁ শ্ৰেণীত প্ৰৱেশ কৰিছিল। তেওঁ নিজে বৰ ধীৰ-স্থিৰ আছিল আৰু কোনো ব্যতিব্যস্ত নোহোৱাকৈ তেওঁ পাঠদান আৰম্ভ কৰিছিল। তেওঁ জীৱিত প্ৰাণীৰ বাবে আহাৰৰ বা খাদ্যৰ প্ৰয়োজনীয়াৰ কথা কৈছিল আৰু বিভিন্ন প্ৰকাৰৰ খাদ্য বা আহাৰৰ অনেক উদাহাৰণো ডাঙি ধৰিছিল। বিভিন্ন প্ৰকাৰৰ TLM ব্যৱহাৰ কৰি তেওঁ বিভিন্ন খাদ্যসামগ্ৰী সমূহ কেনেদৰে সংগ্ৰহ কৰা হয়, সংৰক্ষন কৰা হয় আৰু ব্যৱহাৰ কৰা হয়, এই বিষয়ে বিশদ বিৱৰণ ডাঙি ধৰিছিল। ইয়াৰ মাজতে তেওঁ শ্ৰেণীত ছাত্ৰ-ছাত্ৰী সকলক দিয়া টোকাবোৰ পৰীক্ষা কৰি চাইছিল আৰু গৃহকাৰ্যও প্ৰদান কৰিছিল। শেষত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক কিছুমান প্ৰশ্ন সুধিছিল আৰু প্ৰতিক্ৰিয়া বা উত্তৰ প্ৰদান কৰিব খোজা কেইজন মানক হাত ডাঙিবলৈ কৈছিল সামগ্ৰিক ভাৱে শিক্ষকজনে যথেষ্ট পৰিমানে নিৰ্দেশনা, বিৱৰণী আৰু ব্যাখ্যাকৰণ ইত্যাদি ব্যৱস্থা প্ৰয়োগ কৰি শ্ৰেণীৰ শিক্ষাৰ্থীসকলক শ্ৰেণীকাৰ্যৰ লগত জড়িত কৰিছিল যদিও তেওঁৰ মনোযোগ কেইজনমান ছাত্ৰ ওপৰতহে কেন্দ্ৰভূত হৈছিল।

**পৰিস্থিতি ঃ ২**

অনিতা আমাৰ আন এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰীয়ে একেটা বিষয় 'আহাৰ' সেই একেটা শ্ৰেণীতে পঢ়াইছিল। তেওঁ শ্ৰেণীত প্ৰৱেশ কৰি সম্পূৰ্ণ


টোকা

অনানুষ্ঠানিকতাৰে ছাত্ৰ-ছাত্ৰী সকলৰ লগত কথা-বাৰ্তা আৰম্ভ কৰিছিল। তেওঁ ছাত্ৰ-ছাত্ৰী সকলক সুধিছিল "তোমালোকে আজি কেনে অনুভৱ কৰিছা?" "তোমালোকে দুপৰীয়াৰ আহাৰৰ বাবে কি আনিছা?" "তোমালোকৰ খোৱা বস্তুবোৰ তৈয়াৰ কৰিবলৈ কি কি সামগ্ৰী ব্যৱহাৰ কৰা হৈছে?" "এই খাদ্য সামগ্ৰীবোৰ ক'ৰ পৰা অনা হৈছিল?" "তোমালোকৰ বাবে দুপীয়াৰ আহাৰ কোনে প্ৰস্তুত কৰে?" ইত্যাদি -। ইয়াৰ পিছত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকে খোৱা আহাৰ সমূহৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ কৈছিল। ছাত্ৰ-ছাত্ৰী সকলে এজন এজনকৈ আহাৰৰ নামবোৰ কৈ গৈছিল আৰু শিক্ষয়িত্ৰী গৰাকীয়ে ইয়াৰ নামবোৰ ব্লেকবৰ্ডত লিখি গৈছিল। ইয়াৰ পিছত তেওঁ সুধিছিল "তোমালোকে কিয় আহাৰ খোৱা?" ছাত্ৰসকল কিছু সময় মনে মনে বহি আছিল আৰু পিছত উত্তৰ দিবলৈ আৰম্ভ কৰিছিল।" আমি জীয়াই থাকিবলৈ আহাৰ খাওঁ", "আমি আহাৰৰ পৰা শক্তি পাওঁ।".... ইত্যাদি ধৰণৰ অনেক উত্তৰ ছাত্ৰ-ছত্ৰী সকলৰ পৰা লাভ কৰা হৈছিল। এই ক্ষেত্ৰত শ্ৰীমতী অনিতাই ছাত্ৰ-ছাত্ৰীসকলক উত্তৰ প্ৰদান কৰি শ্ৰেণী কাৰ্যত অংশ গ্ৰহণৰ বাবে অনুপ্ৰাণিত আৰু উৎসাহিত কৰিছিল। ইয়াৰ পিছত তেওঁ বোৰ্ডত এটা প্ৰশ্ন লিখিছিল। "আমি আহাৰ গ্ৰহণ নকৰিলে আমাৰ কি হ'ব? প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে বহীত নিজৰ উত্তৰ লিখিছিল। এই সময়ছোৱাত শ্ৰীমতী অনিতাই শ্ৰেণীত ছাত্ৰ-ছাত্ৰী সকলৰ কাম পৰিদৰ্শন কৰি চাইছিল আৰু ভুল উত্তৰ প্ৰদান কৰাসকলক শুদ্ধ উত্তৰ প্ৰদানৰ বাবে সংকেত প্ৰদান কৰি প্ৰয়োজন অনুযায়ী উত্তৰসমূহ শুদ্ধ কৰি দিছিল। তেওঁ ছাত্ৰ-ছাত্ৰী সকলক, তেওঁলোকৰ উত্তৰ সমূহ কবলৈ লৈছিল আৰু ইয়াক বোৰ্ডত লিখিছিল।

**ওপৰৰ পৰিস্থিতি দুটা তুলনা কৰি আপুনি কোনটো পৰিস্থিতি উৎকৃষ্ট বুলি ভাবে? কিয়?**

প্ৰথম পৰিস্থিতিত শ্ৰীযুত মহন্তই পাঠদানৰ ক্ষেত্ৰত শিক্ষাৰ্থীৰ ব্যক্তিগত অভিজ্ঞতাৰ লগত বিভিন্ন ধাৰমা সমূহ সম্পাদিত নকৰাকৈ ধাৰণা সমূহ শিকৱোত মনোনিবেশ কৰিছিল। তেওঁ বিভিন্ন ধাৰণাসমূহৰ জ্ঞান শিক্ষাৰ্থী সকলৰ মনত নিক্ষেপ কৰিব বা জাপি দিব বিচাৰিছিল। তেওঁ শ্ৰেণীৰ কেইজনমান সক্ৰিয় ছাত্ৰ-ছাত্ৰীৰ ওপৰতহে মনোনিবেশ কৰিছিল আৰু শ্ৰেণীৰ ছাত্ৰ নিক্ৰিয় ছাত্ৰসকলৰ প্ৰতি সম্পূৰ্ণ উদাসীন আছিল। ই আছিল এক শিক্ষক কেন্দ্ৰিক শিক্ষাদান ব্যৱস্থা। আনহাতেদি দ্বিতীয় পৰিস্থিতিত শ্ৰীমতী অনিতাই ধাৰাবাহিক ভাবে ছাত্ৰ-ছাত্ৰী সকলৰ ব্যক্তিগত

টোকা

অভিজ্ঞতাক গুৰুত্ব প্ৰদান কৰি শিকণ কাৰ্যত ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰি শিক্ষাৰ্থীৰ শিকন কৰ্মত সহায়তা কৰিবলৈ যত্ন কৰিছিল। তেওঁ শিক্ষৰ্থী সকলক সোধা প্ৰশ্ন সমূহৰ পৰা এইটো কথা প্ৰমাণিত হৈছে যে, তেওঁ ছাত্ৰ-ছাত্ৰী সকলৰ স্থানীয় পৰিস্থিতি সম্পৰ্কে সচেতন আছিল আৰু তেওলোকৰ ওপৰত কোনো জ্ঞান জাপি দিব বিচৰা নাছিল।

যেতিয়া শিকন শিক্ষাৰ্থীৰ নিজস্ব অভিজ্ঞতা আৰু আনুষাংগিক পৰিস্থিতিৰ লগত সম্পৰ্কযুক্ত হয়, যেতিয়া ই শিক্ষাৰ্থীৰ নিজস্ব চিন্তাৰ ফলশ্ৰুতি হয়, যেতিয়া ই আত্ম-নিৰ্দেশনামূলক হয়, যেতিয়া শিক্ষাৰ্থীসকলে নিজৰ শিখন অভিজ্ঞতা প্ৰয়োগ কৰে, তেতিয়া শিকন শিক্ষাৰ্থীৰ বাবে অৰ্থপূৰ্ণ হৈ উঠে।

## 10.2.1 ঃ অৰ্থপূৰ্ণ শিকনৰ সামাজিক-সাংস্কৃতিক প্ৰাসংগিকতা ঃ

NCF (2005) ৰ মতে—

“শিশুৰ শিকন কাৰ্য সংঘটিত হোৱা আৰু অৰ্জিত জ্ঞানৰ তাৎপৰ্য উপলব্ধি কৰাৰ প্ৰাথমিক পটভূমি হৈছে শিশুৰ নিজস্ব সম্প্ৰদায় আৰু স্থানীয় পৰিবেশ। পৰিবেশৰ লগত আন্তঃক্ৰিয়াৰ যোগেদি শিশুৱে জ্ঞানৰ সংগঠন কৰে আৰু ইয়াৰ অৰ্থ লাভ কৰে।”

তলত উল্লেখ কৰা বিশেষ অপৰিহাৰ্য কাৰক দুটাৰ পৰিপ্ৰেক্ষিতত আমি শিশুৱে জন্মগ্ৰহণ কৰা আৰু ডাঙৰ দীঘল হোৱা পৰিবাৰিক, স্থানীয় আৰু সামাজিক অৱস্থা সমূহৰ বিভিন্ন দিশ সমূহক আওঁকান কৰিব নোৱাৰো।

(1) স্থানীয় পৰিবেশে শিশুক অজস্ৰ অভিজ্ঞতা আয়ত্ব কৰণৰ এক অনুকূল অৱস্থাৰ সুযোগ প্ৰদান কৰে। আৰু


(2) শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন প্ৰতিবন্ধকতা সমূহ পৰিয়াল আৰু সম্প্ৰদায়ৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক নীতি-নিয়ম আৰু বিশ্বাস আদিৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হয়।

## সহায়কাৰী চৰ্ত্তসমূহ ঃ

শিশুসকলে তেওঁলোকৰ সামাজিক সাংস্কৃতিক পৰিবেশৰ লগত আন্তঃক্ৰিয়াৰ যোগেদি অনেক ভিন্নমূখী অভিজ্ঞতা আহৰণ কৰে। তেওঁলোকে তেওঁলোকৰ চাৰিওফালৰ গছ-গছনি, তেওঁলোকে দেখা জীৱ-জন্তু, চৰাই-চিৰিকটি, তেওঁলোকে খেল-ধুলা কৰা সমনীয়া, একেলগে বাস কৰা পৰিয়ালৰ সদস্য সকল ইত্যাদি

সকলোৰে পৰাই অনেক কথা শিকে। অৰ্থাৎ বিদ্যালয়ত প্ৰৱেশ কৰোতে এওঁলোকৰ মনটো এখন উকা ফলিৰ দৰে হৈ নাথাকে। তেওঁলোকৰ নিজস্ব অভিজ্ঞতা সমূহৰ ওপৰত ভিত্তি কৰি  আৰু তেওঁলোকে ইতিপূৰ্বে লাভ কৰা অভিজ্ঞতাৰ লগত পাঠ্যপুথিৰ জ্ঞান সংযোজিত কৰি শিক্ষাৰ্থী সকলৰ শিকনৰ উৎকৰ্ষসাধন কৰিব পাৰি।

অৰ্থপূৰ্ণ শিকন কি দৰে সংঘটিত হয় তাক বিচাৰ কৰি চাও আহক। তলৰ চিত্ৰটো চাওক আৰু চিন্তা কৰক -




যেতিয়া এটি শিশুৱে আহাৰৰ বিষয়ে শিকে, তেতিয়া তেওঁ ‘আহাৰ’ ৰ ধাৰনাটো তেওঁ তেওঁৰ সদায় খোৱা বিভিন্ন প্ৰকাৰৰ আহাৰৰ লগত আৰু বিভিন্ন আহাৰ প্ৰস্তুতকৰণ প্ৰক্ৰিয়াৰ লগত সম্পৰ্কিত কৰে। ইয়াৰ লগতে তেওঁ কৃষি, স্বাস্থ্য, ৰোগ ইত্যাদিৰ লগতো ইয়াক সংযোজিত কৰে। এই ক্ষেত্ৰত মস্তিস্কত এই সকলো অভিজ্ঞতা একেলগে সংৰক্ষিত হয়। যেতিয়া এটা ধাৰণা স্মৰণ কৰা হয়, তেতিয়া তেওঁৰ অভিজ্ঞতাসমূহৰ লগত জড়িত অন্যান্য ধাৰণাসমূহ সমান্তৰালভাবে স্মৰণ কৰা হয়। আন কথাত ক’বলৈ গ’লে ‘আহাৰ’ৰ ধাৰণাটো স্মৰণ কৰাৰ লগে লগেই ইয়াৰ লগত জড়িত অন্যান্য ধাৰণাসমূহ সক্ৰিয়হৈ উঠে। এই ক্ষেত্ৰত শিকন অধিক অৰ্থপূৰ্ণ হৈ উঠে, কাৰণ শিশুৱে তেওঁৰ তাৎক্ষনিক পৰিবেশৰ লগত ক্ৰিয়া প্ৰতিক্ৰিয়াৰ যোগেদি লাভ কৰা অভিজ্ঞতাসমূহ ব্যৱহাৰৰ সুযোগ লাভ কৰে। গতিকে এই দিশৰ পৰা স্থানীয় পৰিবেশ শিকনৰ ক্ষেত্ৰত এক সহায়কাৰী পটভূমি প্ৰদান কৰে।

## বাধা প্ৰদানকাৰী চৰ্ত্ত/অৱস্থা ঃ

কোনো এটা সম্প্ৰদায়ৰ মাজত বিদ্যমান হৈ থকা সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অনেক ব্যৱস্থায়ো শিশুসকলৰ শিক্ষাৰ ক্ষেত্ৰত অনেক অন্তৰায়ৰ

টোকা

সৃষ্টি কৰে। এনেকুৱা কিছুমান সংৰক্ষণশীল সম্প্ৰদায় আছে যিবোৰে নেকি ছোৱালীৰ শিকাৰ ক্ষেত্ৰত চৰম ৰক্ষনশীল মনোভাৱ পোষন কৰে। অত্যাধিক দৰিদ্ৰতাৰ কবলত পৰা অনেক পৰিয়ালত শিশুসকলক বিদ্যালয়লৈ পঠিওৱাৰ পৰিবৰ্তে জীৱিকা অৰ্জনৰ বাবে নিয়োজিত কৰা হয়। সেইদৰেই কিছুমান সম্প্ৰদায়ৰ ক্ষেত্ৰত সামাজিক আৰু ধৰ্মীয় বাধা নিষেধৰ বাবে ছোৱালীক লৰাৰ লগত একেলগে সহ-শিকাৰ অনুমতি দিয়া নহয়। আজিও জাতি-ভেদ প্ৰথা কঠোৰ ভাৱে প্ৰচলিত। কিছুমান সমাজত তথাকথিত উচ্চ সম্প্ৰদায়ৰ পৰিয়াল সমূহে তেওঁলোকৰ শিশুসকলক আজিও আমাৰ দেশৰ অনেক ঠাইত অস্পৃশ্য বুলি বিবেচিত। দলিত পৰিয়ালৰ লৰা-ছোৱালীৰ লগত একেলগে পঢ়াত আৰু কথা বাৰ্তা পাতা পচন্দ নকৰে। অতি দৰিদ্ৰতা আৰু ভাষাগত যোগাযোগৰ ক্ষেত্ৰত থকা অসুবিধাৰ বাবে অতি চহকী আৰু ভিন্ন মূখী ঐতিহ্যৰ অধিকাৰী হোৱা স্বত্বেও জনজাতিয় শিশুসকলক হীন হিচাপে গণ্য কৰা হয়। এই দৰেই দেখা যায় শিশুসকলৰ বিভিন্ন প্ৰতিবন্ধকতা সমূহৰ তালিকা খন অন্তহীন।

সেয়ে হ'লেও শিশুৰ সামাজিক-সাংস্কৃতিক পটভূমিৰ প্ৰতি লক্ষ্য ৰাখি শিশুৰ অৰ্থপূৰ্ণ শিকনৰ সহায় কৰিবৰ বাবে তলৰ পৰামৰ্শ সমূহ আগবঢ়োৱা হ'ল —

- **শিশুৰ জ্ঞানক শিকনৰ ভিত্তি হিচাবে ব্যৱহাৰ কৰা ঃ-**

ধৰা হ'ল আপুনি 'পানীৰ উৎস' সম্পৰ্কে পাঠদান কৰিব লাগে। পাঠ্যপুথিত আছে নাদ, নলী নাদ, নদী ইত্যাদি হৈছে পানীৰ বিভিন্ন উৎস। কিন্তু শিক্ষাৰ্থী সকলে তেওঁলোকৰ পৰিবেশত পানীৰ এই উৎস কেতিয়াও দেখা নাই। তেওঁলোকে এই স্থানত পুখুৰী, নিজৰা, বিল ইত্যাদিহে দেখিছে। সেইবাবে শিক্ষকে এই পৰিচিত উৎসবোৰৰ ভিত্তিতহে পাঠ আৰম্ভ কৰিব লাগে।

- **শ্ৰেণী পৰিবেশক প্ৰাসঙ্গিক কৰা ঃ** আমি যেতিয়া শ্ৰেণীকক্ষত থাকো আৰু কোনো বিষয়ৰ পাঠদান কৰে এতিয়া আপুনি এটা কথা মনত ৰাখিব যে আপুনি স্থানীয় পৰিবেশৰ উদাহৰণ, স্থানীয় গল্প, স্থানীয় ভাবে গ্ৰহণ কৰা TLM ব্যৱহাৰ কৰা উচিত। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰী সম্পৰ্কে তথ্য সংগ্ৰহ কৰি যথাসম্ভৱ তেওঁলোকৰ লগত তেওঁলোকৰ স্থানীয় ভাষাত কথা-বাৰ্তা পাতিবলৈ যত্ন কৰিব। আপুনি এইটো কৰিব পাৰিলে শ্ৰেণীকাৰ্যসমূহ ছাত্ৰ-ছাত্ৰীৰ বাবে অৰ্থপূৰ্ণ হ'ব।


- **স্থানীয় সামগ্ৰী ব্যৱহাৰ কৰা ঃ** স্বাভাৱিকতে আপুনি শ্ৰেণীকক্ষত কোনো এটা বিষয়ৰ পাঠদান কৰোতে পাঠ্যপুথিত থকা ছবি বোৰেই ব্যৱহাৰ কৰে। দৰাচলতে



এই ছবি সমূহ উদাহৰণ হিচাবেহে পাঠ্যপুথিত ব্যৱহাৰ কৰা হয়। গতিকে শিক্ষাৰ্থীক শিখন কাৰ্য সহায় কৰিবলৈ যাওঁতে স্থানীয় ভাৱেসংগ্ৰহ কৰা আৰু প্ৰস্তুত কৰা সামগ্ৰী ব্যৱহাৰ কৰিবলৈ যত্ন কৰিব। আপুনি যদি ভূগোলৰ গছ-গছনিৰ বিষয়ে পাঠদান কৰিছে, আপুনি স্থানীয় গছ-গছনিৰ নাম ব্যৱহাৰ কৰি স্থানীয় পৰিচিত পৰিৱেশৰ পাঠ আৰম্ভ কৰিব।

- **শিক্ষাৰ্থীৰ সক্ৰিয় আংশ গ্ৰহণ নিশ্চিত কৰা ঃ** শিক্ষন শিকন প্ৰক্ৰিয়াত শিক্ষাৰ্থী সকলক জড়িত কৰিব পাৰিলে তেওঁলোক শ্ৰেণীত সক্ৰিয় হৈ উঠে। গতিকে তেওঁলোকক প্ৰশ্ন সুধিবৰ বাবে, যুক্তি প্ৰদৰ্শন কৰিবৰ বাবে, মত বিনিময়ৰ বাবে, নিজৰ পৰা উদাহৰণ দিবৰ বাবে ব্যাখ্যা আৰু বৰ্ণনা দিবৰ বাবে আৰু শিকনৰ সময়ত TLM সমূহ ব্যৱহাৰ কৰাৰো সুবিধা প্ৰদান কৰিব লাগে। সেয়েহে এজন সহায়কাৰী হিচাবে দীঘল বক্ততা ব্যাখ্যা আৰু বিৱৰণ দিয়াৰ পৰিবৰ্তে আপুনি শ্ৰেণীকাৰ্যত শিক্ষাৰ্থী সকলৰ সক্ৰিয় গ্ৰহণৰ সুবিধাৰ সৃষ্টি কৰিব লাগে।
- **পাঠ্যপুথিৰ বৰ্হিভূত উদাহৰণ উল্লেখ কৰা ঃ** ধৰিলোৱা হ'ল আপুনি দ্বিতীয় শ্ৰেণীত 'যোগ অংক' শিকাব লাগে। আপুনি পাঠ্যপুথি দিয়া উদাহৰণ সমূহ চাই ইয়াৰ ব্যৱহাৰৰ অৰ্থ বুজাবলৈ যত্ন কৰক। শিকন কাৰ্যত সহায় কৰোতে এই উদাহৰণ সমূহ উল্লেখ নকৰিব। দৈনন্দিন জীৱনত শিক্ষাৰ্থী সকলে বিভিন্ন বস্তু কেনেদৰে যোগ কৰে তাৰ উদাহৰণ দিয়ক আৰু শিকনৰ ধাৰণাৰ লগত ইয়াক সম্পৰ্কিত কৰক। এই ব্যৱস্থাৰ যোগেদি আপুনি পাঠ্যপুথি বৰ্হিভূত ভাবে শিক্ষাৰ্থীৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতা সমূহ ব্যৱহাৰ কৰিব পাৰিব।
- **শিক্ষাৰ্থীক প্ৰশ্ন কৰিবলৈ আৰু যুক্তি প্ৰদান কৰিবলৈ উৎসাহ প্ৰদান ঃ** শিক্ষাৰ্থীসকলক প্ৰশ্ন সুধিবলৈ সুযোগ দিয়াৰ অৰ্থ হ'ল শিক্ষাৰ্থী সকলক সক্ৰিয় কৰণ। যদি তেওঁলোকে প্ৰশ্ন সুধিব লগা হয় তেন্তে শিকিব লগা বিষয়টো সম্পৰ্কে তেওঁলোকে চিন্তা কৰিব আৰু যুক্তিৰে বিচাৰ কৰিব। তেওঁলোকে বিষয়টো যুক্তি প্ৰদান কৰোতে তেওঁলোকে কোৱা কথাবোৰ বিচাৰ কৰাৰ সুযোগ লাভ কৰে। আপোনাৰ শ্ৰেণীকক্ষত ই সম্ভৱ হৈ উঠিলে আপুনি সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব যে আপোনাৰ শিক্ষাৰ্থী সকলে বিষয়বস্তু অৰ্থপূৰ্ণভাবে বুজি পাইছে।
- শিকনক 'শিকন ফলশ্ৰুতি' - ৰ পৰিবৰ্তে 'শিকন প্ৰক্ৰিয়া' হিচাবে গুৰুত্ব প্ৰদান ঃ

শিকন কাৰ্যত সহায় কৰোতে শিক্ষাৰ্থীয়ে 'কি শিকিছে?' এই দিশত গুৰুত্ব দিয়াৰ পৰিবৰ্তে 'কেনেদৰে শিকিছে?' এই দিশটোৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান



টোকা

কৰিব লাগে। এই জগতত কোনো জ্ঞানেই চৰম ৰূপত শুদ্ধ বা অশুদ্ধ নহয়। গতিকে শিক্ষাৰ্থীসকলক কোনো উত্তৰ নিৰ্ধাৰিত ভাবে কৈ দিব নালাগে।

আনুষ্ঠানিক বা অনানুষ্ঠানিক যিকোনো ভাবেই শিক্ষাৰ্থীৰ অভিজ্ঞতাক শিকন কাৰ্যত ব্যৱহাৰ কৰিলে শিকন শিক্ষাৰ্থীৰ বাবে অধিক অৰ্থপূৰ্ণ হৈ উঠে। শিক্ষাৰ্থী সকলক বিভিন্ন ধাৰণা শিকাবলৈ যাওঁতে ইয়াক তেওঁলোকৰ স্থানীয় দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ লগত সংযুক্ত কৰিব নোৱাৰিলে তেওঁলোকে আহৰণ কৰা জ্ঞান কিছুমান তথ্যৰ নামন্তৰ হৈ উঠিব। আমি জানো যে অপ্ৰাসংগিক পাঠ্যপুথি ভিত্তিক জ্ঞান মূল্যহীন। গতিকে পাঠ্যক্ৰমত সন্নিবিষ্ট কৰা বিভিন্ন ধৰাণা সমূহ শিক্ষাৰ্থীৰ বাবে অধিক স্পষ্ট কৰি তুলিবৰ বাবে শিক্ষন-শিকন প্ৰক্ৰিয়াত নিজৰ অভিজ্ঞতা সমূহ প্ৰয়োগ কৰাৰ সুযোগ প্ৰদান কৰি শিক্ষাৰ্থীসকলক সক্ৰিয় কৰি তুলিব লাগে।

---

**মূল্যাংয়ন 1: অৰ্থপূৰ্ণ শিকনৰ মূখ্য বৈশিষ্ট্য সমূহ কি কি ?**

---

### 10.2.2 ঃ স্থানীয় জ্ঞান আৰু পাঠ্যপুথি ভিত্তিক জ্ঞান ঃ

কোনো পাঠ্যপুথিত সন্নিবিষ্ট কৰা বিভিন্ন ধাৰণা সম্পৰ্কীয় জ্ঞান, তথ্য আৰু উদাহৰণ সমূহক পাঠ্যপুথি ভিত্তিক জ্ঞান বুলি কোৱা হয়। কিন্তু শিশুৰ শিকনৰ প্ৰাথমিক পটভূমি হৈছে নিজৰ সমাজ আৰু স্থানীয় পৰিবেশ। পৰিবেশৰ লগত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ যোগেদি শিশুৱে সংগঠিত কৰা অৰ্থপূৰ্ণ জ্ঞানে ভৱিষ্যতৰ শিকনৰ ভিত্তি প্ৰস্তুত কৰে। ইয়াক আমি শিক্ষন-শিকন প্ৰক্ৰিয়াৰ স্থানীয় জ্ঞান বুলি কওঁ। এখন ৰাজ্যৰ বাবে যেতিয়া এখন পাঠ্যপুথি প্ৰস্তুত কৰা হয় তেতিয়া ইয়াত প্ৰত্যেক ঠাই আৰু সম্প্ৰদায়ভিত্তিক স্থানীয় জ্ঞান ইয়াত সন্নিবিষ্ট কৰাটো যথেষ্ট অসুবিধা জনক। সেইদৰেই আমাৰ ভিন্নমূখী সামাজিক-সাংস্কৃতিক জীৱনক বিচাৰ কৰাটোও সম্ভৱ নহয়। কিন্তু শিশু সকলে নিজৰ সামাজিক সাংস্কৃতিক পৰিবেশৰ লগত সামঞ্জস্যপূৰ্ণ উদাহৰণ বিচাৰে। এই ক্ষেত্ৰত এজন শিককে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। গতিকে এজন শিক্ষকে পাঠ্যপুথিৰ জ্ঞান কিদৰে প্ৰাসংগিক কৰিব পাৰে সেই বিষয়ে বিচাৰ কৰি চাওঁ আহক।

- **পাঠ্যপুথিৰ বিশদ অধ্যয়ন ঃ**

বহুত সময়ত শিক্ষকে শ্ৰেণীকক্ষত প্ৰৱেশ কৰি পোনে পোনে পাঠদান আৰম্ভ



কৰে। তেওঁলোকে অতি কম ক্ষেত্ৰহে আগতীয়াকৈ পাঠ্যপুথিখন অধ্যয়ন কৰি চায়। ইয়াৰ ফলত তেওঁলোকে পাঠ্যপুথি ভিত্তিক জ্ঞানক শিশুসকলৰ শিকনৰ প্ৰসঙ্গত তাৎপৰ্য বিচাৰ কৰাত অসুবিধাৰ সন্মুখীন হয়। পাঠ্যপুথিৰ জ্ঞান শিক্ষাৰ্থীৰ বাবে প্ৰাসংগিক কৰি তুলিবৰ বাবে শিক্ষকে পাঠ্যপুথিখন বাৰে বাৰে পঢ়ি কোন বিলাক ক্ষেত্ৰত স্থানীয় উদাহৰণ দিব পৰা যায় তাক চিনাক্ত কৰিব লাগে।

- **পাঠ্যপুথিৰ পৰা শিকন নিৰ্দেশক সূচক বিচাৰি উলিওৱা ঃ** পাঠ্যপুথিৰ পৰা শিকন নিৰ্দেশক সূচক সমূহ বাচি উলিয়াব পাৰিলে শিশুসকলৰ বাবে বিভিন্ন কাৰ্যাৱলী সমূহৰ অৰ্থপূৰ্ণ পৰিকল্পনা কৰিবলৈ শিক্ষক সকল সক্ষম হ'ব। পাঠ্যপুথিত ব্যৱহাৰ কৰা কাৰ্যাৱলী সমূহে কেৱল উদাহৰণ হিচাবে ক্ৰিয়া কৰে আৰু শিক্ষকক শিকন সূচক/নিৰ্দেশক বিচাৰি উলিওৱাত সহায়হে কৰে। পাঠ্যপুথিত সন্নিবিষ্ট কৰা কাৰ্যাৱলী সমূহৰ উদ্দেশ্য সমূহ অনুধাৱন কৰিব পাৰিলেই শিক্ষকে শিকন নিৰ্দেশক সমূহৰ উমান পাব। উদাহৰণ স্বৰূপে, পঞ্চম শ্ৰেণীৰ ইংৰাজীৰ পাঠ্যপুথিত কিছুমান প্ৰত্যক্ষ আৰু অপ্ৰত্যক্ষ ৰূপত বাক্য দিয়া আছে। ইয়াৰ উদ্দেশ্য হৈছে শিশুক কথোপ কথনত, সহায় কৰা। এইক্ষেত্ৰত শিক্ষকে শিক্ষাৰ্থী সকলৰ মাজত কথোপকথনৰ ব্যৱস্থা কৰি এই শিকন সূচক/নিৰ্দেশক চৰিতাৰ্থ কৰিব পাৰে। শিকন সূচক/নিৰ্দেশক হৈছে কোনো এটা ধাৰণা আয়ত্বকৰণৰ পিছত শিক্ষাৰ্থীয়ে লাভ কৰা যোগ্যতা।
- **শিকনৰ বিভিন্ন মূল বিষয়ৰ ক্ষেত্ৰত শিক্ষাৰ্থীৰ জ্ঞান সংগ্ৰহ কৰণ ঃ** শিকনৰ নিৰ্দেশক সমূহ বিচাৰি উলিওৱাৰ পিছত ইয়াৰ লগত খাপ কোৱা স্থানীয় জ্ঞান সমূহ সংগ্ৰহ কৰিব লাগে। তেওঁ এই জ্ঞান সমূহ ছাত্ৰ, অন্যান্য শিক্ষক, সমাজৰ লোক ইত্যাদিৰ পৰা সংগ্ৰহ কৰিব পাৰিব।

## শিক্ষাৰ্থীৰ জ্ঞান অভিজ্ঞতাসমূহ পাঠ্যপুথিৰ লগত সংস্পৰ্কিত কৰিব লাগে ঃ

শিক্ষকে কোনো এটা ধাৰণাৰ সম্পৰ্কে সম্পৰ্কে ছাত্ৰ-ছাত্ৰী সকলৰ অভিজ্ঞতাৰ সম্পৰ্কে জনাৰ পিছত এই অভিজ্ঞতা সমূহৰ লগত পাঠ্যপুথিৰ জ্ঞানৰ সম্পৰ্ক স্থাপন কৰিব লাগে। এই ক্ষেত্ৰত শিক্ষকে প্ৰতিটো শিকন নিৰ্দেশকৰ পৰিপেক্ষিতত শিক্ষাৰ্থীসকলৰ অভিজ্ঞতাৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰিব লাগে। উদাহৰণ স্বৰূপে, খাদ্য প্ৰস্তুত কৰণৰ ধাৰণা গ্ৰাম্য আৰু জনজাতীয় আঞ্চলত পৃথক পৃথক হ'ব।

টোকা

- **প্ৰয়োজনবোধে শিক্ষকৰ নিজস্ব (বিকল্প পাঠ) পাঠ প্ৰস্তুত কৰণ ঃ**

অনেক সময়ত নিৰ্ধাৰিত পাঠ শিক্ষাৰ্থীৰ বাবে উপযুক্ত নহব পাৰে। সেইবাবে ইয়াক অৰ্থপূৰ্ণ কৰি তুলিবৰ বাবে শিক্ষকে শিক্ষাৰ্থীৰ সামাজিক সাংস্কৃতিক পটভূমিৰ লগত সামঞ্জস্য ৰাখি বিকল্প পাঠ প্ৰস্তুত কৰি ল'ব লাগে। উদাহৰণ স্বৰূপে "পথ দুৰ্ঘটনা" এটা নগৰীয়া সমস্যা। গতিকে গ্ৰাম্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক এই "পথ দুৰ্ঘটনা'ৰ বিষয়ে ৰচনা লিখিবলৈ দিয়াটো প্ৰাসংগিক নহয়।

শিক্ষাৰ্থীয়ে স্থানীয় উৎসৰ পৰা আহৰণ কৰা অভিজ্ঞতা সমূহক উপেক্ষা কৰি কেৱল পাঠ্যপুথিৰ ওপৰত নিৰ্ভৰ কৰিলে আপুনি শিক্ষক হিচাবে দুটা ভুল কৰিব। প্ৰথমতে, আপুনি যান্ত্ৰিক মুখুস্থকৰণক উৎসাহিত কৰিব। কাৰণ পাঠ্যপুথিৰ অধিকাংশ অভিজ্ঞতাই শিক্ষাৰ্থীৰ জীৱনৰ ক্ষেত্ৰত অপ্ৰাসাংগিক বিধৰ। গতিকে তেওঁলোকে ইয়াৰ তাৎপৰ্য উপলব্ধি কৰিব নোৱাৰে। দ্বিতীয়তে আপুনি শিক্ষাৰ্থী সকলক দুটা দিশৰ পাৰ্থক্যৰ ভিত্তিত শ্ৰেণীবদ্ধ কৰিব। প্ৰথমবিধ প্ৰখৰ মুখস্থ বিদ্যাযুক্ত আৰু দ্বিতীয়বিধ স্থানীয় অভিজ্ঞতাৰ ভিত্তিত অন্তঃকৰণৰে বুজি নিখুটভাবে বিষয়বস্তু আয়ত্ব কৰা। সাধাৰণতে, ইয়াৰ প্ৰথম বিধক ভাল শিক্ষাৰ্থী ৰূপে স্বীকৃতি দিয়া হয় আৰু দ্বিতীয় প্ৰকাৰক শ্ৰেণীত পিছপৰা শিক্ষাৰ্থী হিচাবে চিহ্নিত কৰা হয়। এনেদৰেই অনেক ক্ষেত্ৰত শ্ৰেণীৰ বঞ্চিত কৰণৰ পৰিবেশৰ পৰিপেক্ষিতত বঞ্চিত শিক্ষাৰ্থীৰ সৃষ্টি হয়।

## 10.3 ঃ বঞ্চিত শিশুসকলৰ শিক্ষা ঃ

আমি ইতিপূৰ্বে উল্লেখ কৰিছো যে ছোৱালী, সংখ্যালঘু সম্প্ৰদায়ৰ শিশুসকল, অনুসূচিত জাতিৰ জনজাতিৰ শিশুসকল আৰু বিশেষ চাহিদাযুক্ত শিশুসকল (CWSN) বঞ্চিত শিশুৰ শ্ৰেণীভূক্ত শিশু। আমি এতিয়া এই শিশুসকলৰ বিষয়ে আলোচনা কৰো আহক।

## 10.3.1 ঃ ছোৱালীৰ শিক্ষা ঃ

আমি সকলোৱেই সমাজত ছোৱালীৰ প্ৰতি থকা সাধাৰণ অৱহেলা আৰু বিশেষভাৱে ছোৱালীৰ শিক্ষাৰ প্ৰতি থকা নেতিবাচক মনোভাৱৰ বিষয়ে অৱগত। পৰিয়াল আৰু সমাজ আনকি বিদ্যালয়তো ছোৱালীৰ শিক্ষাৰ দিশটো গুৰুত্ব সহকাৰে লোৱা নহয়। পৰিয়ালৰ অৰ্থনৈতিক অৱস্থা নিৰ্বিশেষে এই লিংগভিত্তি

শ্ৰেণীমূলক অৱহেলা দেশৰ যিকোনো আংশতে দেখা পায়। দেশৰ শিশু জনসংখ্যাৰ প্ৰায় আধা আৰু ভৱিষৎ সম্ভাব্য মাতৃসকলৰ মৌলিক আৰু জীৱনৰ ভেটি সংস্থাপনমূলক শিক্ষাৰ ক্ষেত্ৰত এক নৈমিত্ৰিক ব্যৱস্থাহে গ্ৰহণ কৰা হয়।

**ছোৱালী শিক্ষা কিয় গুৰুত্বপূৰ্ণ ঃ**

"By educating a boy, an individual is educated. But when a girl in educated a generation is educated." অৰ্থাৎ এই প্ৰবাদৰ অৰ্থ হৈছে 'এটি লৰাক শিক্ষা প্ৰদান কৰি এজন ব্যক্তিক শিক্ষিত কৰিব পাৰি, কিন্তু এজনী ছোৱালীক শিক্ষা প্ৰদান কৰি এটা প্ৰজন্মক শিক্ষিত কৰিব পৰা যায়। এই প্ৰবাদে ছোৱালীৰ শিক্ষাৰ গুৰুত্ব প্ৰকাশ কৰে। ছোৱালীৰ শিক্ষাৰ দ্বাৰা শিশু জনসংখ্যাৰ আধা অংশক শিক্ষা প্ৰদান কৰাৰ লগতে ইয়াৰ লগত আন কিছুমান লাভালাভো জড়িত হৈ আছে। যেনে -

- মহিলা সবলীকৰণ ঃ বৰ্ত্তমান সময়ত সমগ্ৰ বিশ্বতেই মানৱ প্ৰচেষ্টাৰ বিভিন্ন ক্ষেত্ৰত মহিলা সকলে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। উপযুক্ত শিক্ষাৰ সুযোগ লাভ কৰাৰ ফলত মহিলা সকলে বিভিন্ন ক্ষেত্ৰত পুৰুষৰ সমানে আৰু কোনো কোনো ক্ষেত্ৰত পৰুষতকৈয়ো অধিক পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। মহিলা সকলৰ এই সবলীকৰণৰ লক্ষ্য বাস্তৱবিত কৰাৰ ক্ষেত্ৰত ছোৱালীৰ লিখা বিশেষভাৱে ছোৱালীৰ প্ৰাৰম্ভিক পৰ্যায়ত শিক্ষাই মূল চাবি কাঠি বা ভিত্তি হিচাবে কাম কৰে।
- শিক্ষা আৰু কৰ্মক্ষেত্ৰৰ ফলপ্ৰসূতা/নৈপূণ্যঃ এইটো দেখিবলৈ পোৱা যায় যে মহিলাৰ শিক্ষাই মহিলাৰ কৰ্ম সময়ৰ বৃদ্ধিক প্ৰভাৱিত কৰে। কিন্তু পৰুষৰ ক্ষেত্ৰত এই প্ৰভাৱ সীমিত। এই অৱস্থা বিদ্যালয়তো পৰিলক্ষিত হয়। যি ক্ষেত্ৰত ছোৱালী সকলে অধ্যয়নত গড় হিচাপত অধিক সময় ব্যয় কৰিব বিচাৰে। সাধাৰণভাৱে কিছু উৎসাহ প্ৰদান কৰিলে এওঁলোকে ল'ৰাতকৈ অধিক উৎকৃষ্টতা দেখুৱাব পাৰে।
- লিংগ বৈষম্য দুৰীকৰণ ঃ ছোৱালীৰ শিক্ষাই তেওঁলোকৰ সবলীকৰণত সহায় কৰে আৰু তেওঁলোকৰ প্ৰতি কৰা অবিচাৰপূৰ্ণ আচৰণ হ্ৰাস কৰে। ইয়াৰ বিপৰীতে শিক্ষাৰ অভাৱ হ'লে পৰিয়াল আৰু কৰ্মক্ষেত্ৰত তেওঁলোকক এক নিম্ম স্থান ৰখা হয়।
- পৰিয়ালৰ স্বাস্থ্য আৰু শিক্ষা ঃ এগৰাকী শিক্ষিত মাতৃয়ে পৰিয়ালৰ সদস্য

টোকা

সকলৰ স্বাস্থ্যৰ লগতে পৰিয়ালত শিশুসকলৰ শিক্ষাৰ ক্ষেত্ৰটো যত্ন গ্ৰহণ কৰে। আনকি প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা ছোৱালী সকলেও পৰিচন্ন গৃহ পৰিবেশ আৰু পৰিয়ালৰ সদস্য সকলৰ সু-স্বাস্থ্য সম্পৰ্কীয় অভ্যাস গঠনৰ ক্ষেত্ৰত এক পৰিবৰ্তন সাধন কৰিব পাৰে।

- শিশুৰ পৰিচৰ্যাৰ উন্নতকৰণ ঃ এজনী ছোৱালী শিক্ষিত হ'লে তেওঁ ভৱিষ্যতে একৰাকী ভাল মাতৃয়েই নহয়, তেওঁ পৰিয়ালৰ শিশুসকলৰ উপযুক্ত যত্ন ল'বলৈয়ো বা পৰিচৰ্যা কৰিবলৈ সক্ষম হ'ব।
- গৰ্ভধাৰণৰ হাৰ আৰু অৰ্থনৈতিক বিকাশ ঃ গৱেষণাৰ দ্বাৰা এইটো প্ৰমাণিত হৈছে যে গৰ্ভধাৰণৰ হাৰ ছোৱালীৰ শিক্ষা স্তৰৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্কিত। ইয়াৰ অৰ্থ হৈছে ছোৱালীৰ শিক্ষাৰ হাৰ উচ্চ হ'লে শিশুৰ জন্মৰ হাৰ হ্ৰাস হয়। দেশৰ জন্মহাৰ কম হলে স্বাভাৱিকভাৱেই অৰ্থনৈতিক উন্নয়নৰ হাৰ বৃদ্ধি হয়। আনহাতেদি, ল'ৰাৰ শিক্ষাৰ হাৰৰ জন্ম বা গৰ্ভধাৰণৰ হাৰৰ লগত কোনো প্ৰত্যক্ষ সম্পৰ্ক থকা দেখা নাযায়।
- বিদ্যালয়ত ছোৱালীৰ শিক্ষাৰ সমস্যা ঃ

ছোৱালী শিশু শিক্ষাৰ ক্ষেত্ৰত পৰিয়ালত সৃষ্টি হোৱা উদাসীনতা বিদ্যালয় আৰু শ্ৰেণী কক্ষতো বিভিন্ন ৰূপত ধাৰাবহিকভাৱে চলি থাকে।

- শিক্ষাত প্ৰৱেশ আৰু নামভৰ্ত্তি ঃ আমাৰ দেশত ভিতৰুৱা গাওঁ আৰু পাহাৰীয়া দুৰ্গম অঞ্চলৰ অনেক শিশুৱে বাসস্থানৰ ওচৰত বিদ্যালয়ৰ সুবিধা লাভ কৰিব পৰা নাই। এনে অঞ্চলসমূহত বাস কৰা পৰিয়াল সমূহে বহু দুৰত্বৰ বাবে বা ভৌগলিকভাৱে সুবিধাজনক নোহোৱা বাবে (পাহাৰীয়া পথ, পানী, হাবি জংঘল, ইত্যাদি) বা বিদ্যালয়লৈ যোৱা পথত অসামাজিক উপাদানৰ স্থিতি ইত্যাদিৰ বাবে ছোৱালী শিশুক বিদ্যালয়লৈ পঠাব নিবিচাৰে। "শিক্ষাৰ অধিকাৰ আইন 2009" অনুসৰি প্ৰতি কিলোমিটাৰৰ অন্তৰে অন্তৰে বিদ্যালয় স্থাপন কৰিলে এই অসুবিধা বহুখিনি দুৰ হ'ব পাৰে। কিন্তু সিচৰিত হৈ থকা জনসংখ্যা আৰু কম জনসংখ্যাযুক্ত জনজাতি প্ৰধান পাহাৰীয়া অঞ্চলত আজিও শিক্ষাৰ প্ৰৱেশ জনিত সমস্যা সমস্যা হৈয়ে আছে। এই সমস্যা সমাধানৰ বাবে আবাসিক বিদ্যালয়ৰ পৰামৰ্শ আগবঢ়োৱা হৈছে।

ভাৰতবৰ্ষত যোৱাটো দশকৰ পৰা প্ৰায় সকলো ৰাজ্যতে সৰ্বশিক্ষা আঁচনিৰ সৰ্বাত্মক ৰূপায়নৰ ফলত প্ৰাথমিক বিদ্যালয়ত ছোৱালীৰ নামভৰ্তি হাৰ লক্ষনীয় ভাবে বৃদ্ধি পাবলৈ দৰিছে। কিন্তু সকলো ৰাজ্যতে ছোৱালীৰ এই নামভৰ্তিৰ হাৰ



লৰাতকৈ পিছ পৰা। ইয়াৰ অনেক কাৰণ আছে, যেনে ঃ ছোৱালীক ঘৰুৱা কামত আৰু ঘৰৰ সৰু ভাই-ভনীক চোৱা-চিতা কৰা কামত ব্যৱহাৰ কৰা, ছোৱালী শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সচেতনতাৰ অভাৱ ইত্যাদি। এই সকলোৰে মুলতে আছে ছোৱালীৰ শিক্ষাৰ প্ৰতি থকা সাধাৰণ উদাসীনতা।

- অসন্তোষ জনক বিদ্যালয় পৰিবেশ ঃ বিদ্যালয় সমূহৰ আন্তঃগাঠনিৰ অপৰ্যাপ্ত যেনে ঃ পৰ্যাপ্ত শ্ৰেণী কোঠাৰ অভাৱ, সৰু আৰু উপযুক্ত পোহৰৰ ব্যৱস্থা নথকা শ্ৰেণী কোঠা, শ্ৰেণীত ছাত্ৰৰ অত্যাধিক বোজা বেয়া প্ৰসাৰগাৰ আৰু খোৱা পানীৰ অভাৱৰ ফলত ল'ৰা আৰু ছোৱালী উভয় প্ৰকাৰৰ শিক্ষাৰ্থীয়েই অনেক অসুবিধাজনক পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয়। কিন্তু পৃথক প্ৰসাৰগাৰ আৰু খোৱাপানীৰ অভাৱে ছোৱালী শিক্ষাৰ্থীসকলৰ বাবে বিশেষ অসুবিধাৰ সৃষ্টি কৰে। এই কথা দেখিবলৈ পোৱা গৈছে যে এই সুবিধাসমূহ নথকা বিদ্যালয় সমূহত ছাত্ৰীৰ বিদ্যালয়ত পৰিত্যাগৰ হাৰ নিম্ন।

সাধাৰণতে ছোৱালী সমূহে পুৰুষ শিক্ষকতকৈ মহিলা শিক্ষকৰ লগত মুক্ত মনেৰে মিলা মিছা বা যোগাযোগ স্থাপন কৰিব পাৰে। বিদ্যালয়ত মহিলা শিক্ষকৰ সংখ্যা কম হোৱাৰ বাবে ছোৱালী বিদ্যাৰ্থী সকলে বিদ্যালয়ত শিক্ষকৰ লগত মুক্ত ভাৱে যোগাযোগ বা মিলা মিছা কৰাত অসুবিধা ভোগ কৰে। ফলত বিদ্যালয়ত শিক্ষকক সুধি তেওঁলোকৰ অসুবিধা সমূহ দুৰ কৰাৰ ক্ষেত্ৰত শংকাবোধ কৰে।

- বিভেদমূলক ব্যৱস্থা সমূহ ঃ আমি বিদ্যালয় আৰু শ্ৰেণীকক্ষত ছাত্ৰ সকলৰ প্ৰতি কেনে ব্যৱহাৰ কৰো চিন্তা কৰি চাওঁ আহকচোন। নিশ্চয় তলত উল্লেখ কৰা ধৰণৰেই হ'ব —

— জ্ঞাত বা অজ্ঞাতভাৱে আমি বিদ্যালয় আৰু শ্ৰেণীকক্ষত ছোৱালীৰ শিক্ষা আৰু তেওঁলোকে সন্মূখীন হোৱা সমস্যাসমূহৰ প্ৰতি কম মনোযোগ প্ৰদান কৰোঁ। শ্ৰেণীত ছোৱালীবিলাক লৰাৰ পৰা পৃথকে বহে। দলীয় কাম-কাজতো ছোৱালী বিলাকে পৃথক দলত কাম কৰে; ল'ৰাতকৈ ছোৱালী বিলাকক শ্ৰেণীকাৰ্যৰ ক্ষেত্ৰত কম দায়িত্ব অৰ্পন কৰা হয়, শ্ৰেণীৰ আন্তঃক্ৰিয়াৰ সময়ত ল'ৰাতকৈ ছোৱালীক কম প্ৰশ্ন সোধা হয়।

—বিদ্যালয়ৰ সাধাৰণ ব্যৱস্থা অনুযায়ী আমি লিংগ পাৰ্থক্যৰ ভিত্তিত বিদ্যালয়ত ল'ৰা আৰু ছোৱালীসমূহক ভূমিকা পালন কৰিবলৈ দিওঁ। উদাহৰণ স্বৰূপে ল'ৰাক ফুটবল, ক্ৰিকেট ইত্যাদি খেলিবলৈ দিয়া হয়, কিন্তু ছোৱালীক লুদু, জপিওঁৱা ইত্যাদি খেলিবলৈ দিয়া হয়। ছোৱালীবোৰক দৈহিকভাৱে কম

টোকা

অসুবিধাজনক আৰু আভ্যন্তৰীন কামকাজ আৰু খেলাধুলা যেনেঃ শ্ৰেণীকক্ষৰ মজিয়া চাফা কৰা, শ্ৰেণীকোঠা সজোৱা, ঊল গোঠা চিলাই কৰা, পুতলা বনোৱা ইত্যাদি। আনহাতেদি ল'ৰাবোৰক দৈহিকভাৱে কঠিন কাম আৰু বাহিৰৰ কাম যেনেঃ গধুৰ বস্তু কঢ়িওৱা, বাগিছাত কাম কৰা ইত্যাদিল কৰিবলৈ দিয়া হয়।

— যি ক্ষেত্ৰত আমি ল'ৰাক ডাঙৰকৈ কথা বাৰ্তা কৈ বা চিঞৰৰ বাখৰ কৰাত বাধা নিদিও, সেই ক্ষেত্ৰত ছোৱালীয়ে ডাঙৰকৈ চিঞৰ-বাখৰ কৰাটো পচন্দ নকৰো। বিভিন্ন ক্ষেত্ৰত একে কামৰ বাবে ল'ৰা এজনক প্ৰশংসা কৰো, কিন্তু ছোৱালী এজনীক প্ৰশংসা কৰিবলৈ নিবিচাৰো।

## পাঠ্যপুথিসমূহত বিভেদমূলক ব্যৱস্থা সমূহ ঃ

পাঠ্যপুথি সমূহত ব্যৱহাৰ কৰা ভাষা, ছবি আৰু উদাহৰণ সমূহেও অনেক ক্ষেত্ৰত সমাজত মহিলাৰ নিম্ন পৰ্যায়ৰ স্থানক প্ৰতিফলিত কৰে। ইয়াৰ ফলত বিদ্যালয় শিক্ষাৰ আৰম্ভনিৰ পৰাই ছোৱালীসকলৰ ক্ষেত্ৰত এক হীনমান্যতাৰ ভাবৰ সৃষ্টি হয়। তলত আমি পাঠ্যপুথিৰ এই পাৰ্থক্য সূচক দিশৰ কেইটামান নমুনাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি চাওঁ আহক -

- পাঠ্যপপুথি সমূহত আপুনি দেখিবলৈ পাব যে মহিলা/ছোৱালীৰ সমস্যা সমূহ, বা সাধাৰণ বা বৃত্তিমূলক ক্ষেত্ৰত মহিলাৰ উল্লেখনীয় সাফল্য সমূহৰ ওপৰত কম গুৰুত্ব প্ৰদান কৰা হয়।

- পৰিবেশ অধ্যয়নৰ পাঠ্যপুথিত 'পৰিয়াল' বিষয়টোৰ ক্ষেত্ৰত পিতৃ আৰু মাতৃৰ দুটা বিপৰীত ভূমিকা উপস্থাপন কৰা হয়। পিতৃক পৰিয়ালৰ উপাৰ্যনকাৰী ব্যক্তি আৰু মাতৃক পৰিয়ালৰ পৰিচৰ্যাকাৰী ৰূপত উপস্থাপন কৰা হয়।

- একেটা বিষয়তেই দেউতাকক বাতৰি কাগজ এখন লৈ আৰামত থকাৰ আৰু মাকক ৰান্ধনি ঘৰত ৰন্ধা-বঢ়াত ব্যস্ত থকাৰ চিত্ৰ দেখুওঁৱা হয়।

- পঞ্চম শ্ৰেণীৰ গণিতৰ 'কাম আৰু সময়' বিষয়ৰ ক্ষেত্ৰত আমি এনেধৰণৰ বাক্য ব্যৱহাৰ কৰো "দুগৰাকী মহিলাই একে যিটো কাম এদিনত কৰিব পাৰে সেই কামটো এজন পুৰুষ মানুহে এদিনত কৰিব"। "এজন পুৰুষে এদিনত উপাৰ্জন কৰে 100.00 টকা আৰু সেইকামটো কৰি এগৰাকী মহিলাই উপাৰ্জন কৰে 60.00 টকা। এইদৰে মহিলাৰ স্থিতিক অৱমূল্যায়ন কৰা এই ধৰণৰ অনেক ব্যাংকাংশ

গণিতৰ পাঠ্যপুথিৰ অনেক গণিতৰ সমস্যাত ব্যৱহাৰ কৰা হয়। যদিও এই ব্যাকাংশ সমূহ প্ৰত্যক্ষভাবে কোনো গাণিতিক ধাৰণাৰ লগত জড়িত নহয় অথবা কোনো বিশেষ উদ্দেশ্যৰে ইয়াক ব্যৱহাৰ কৰা নহয়, সেয়ে হ'লেও এই বাক্যাংশ সমূহে আমাৰ লিংগ বৈষম্য মূলক দৃষ্টিভঙ্গী প্ৰতিফলিত কৰে আৰু অসাৱধানতা মূলক ভাবেই এই দৃষ্টিভঙ্গী উঠি অহা চামলৈ সঞ্চালিত হয়।

ভাষা আৰু সামাজিক বিজ্ঞানৰ ক্ষেত্ৰতো আমি এই ধৰণৰ অনেক লিংগ পাৰ্থক্য মূলক বিষয়বস্তু পাঠত সন্নিবিষ্ট হোৱা দেখিবলৈ পাওঁ। পাঠ্যপুথিত মহিলাৰ ভমিকাক বিৰূপভাৱে উপস্থাপন কৰা দিশসমূহ চিনাক্ত কৰি ইয়াক দুৰ কৰিবৰ বাবে বৰ্ত্তমান অনেক সংশোধনীমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শিকন কৰ্মসম্পাদন সম্পৰ্কে পুৰণি ধাৰণ ঃ ছোৱালীৰ শিকন পাৰদৰ্শিতা সম্পৰ্কে অনেক সাধাৰণ বিশ্বাস আছে। এই বিশ্বাসসমূহৰ কিছুমান বিশ্বাস হৈছে -

যিকোনো কাৰ্যত আৰু শ্ৰেণীৰ স্তৰত ল'ৰাতকৈ ছোৱালীৰ পাৰদৰ্শিতা নিম্নমান যুক্ত।

- বিভিন্ন বয়স আৰু শ্ৰেণীৰ স্তৰত গণিত বিষয়ত ল'ৰাতকৈ ছোৱালীৰ পাৰদৰ্শিতা নিম্ন।


- ছোৱালীয়ে ভাষা, সাহিত্য আৰু কবিতাত ল'ৰাতকৈ ভাল ফলাফল দেখুৱায়।

- ভাষিক দ্ৰুততা আৰু কলাত্মক সৌন্দৰ্য্যবোধক সংবেদনশীলতাৰ ক্ষেত্ৰত ছোৱালীবোৰ আগবঢ়া। আনহাতে গাণিতিক যুক্তি আৰু দৈহিক সঞ্চালনমূলক ক্ষমতাৰ ক্ষেত্ৰত ল'ৰাবোৰ অধিক আগবঢ়া।

### কাৰ্যাৱলী ঃ 1

পাঠ্যপুথিৰ অৰ্ন্তভূক্ত বিষয়বস্তু আৰু শ্ৰেণীত শিক্ষকে কাৰ্য সম্পাদনৰ ক্ষেত্ৰত তুমি পৰ্যবেক্ষন কৰা লিংগ বৈষম্যৰ বিভিন্ন দিশসমূহৰ বিষয়ে লিখা।

আমি যদি এই ধাৰণা সমূহৰ পৰিপ্ৰেক্ষিতত শ্ৰেণীত পাঠদান কৰো তেতিয়া হ'লে আমি শ্ৰেণীকক্ষ আৰু বিদ্যালয়ৰ কাৰ্যাৱলীত নিশ্চিতভাৱে ছোৱালীৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰা হ'ব। এই দিশসমূহৰ ওপৰত সমগ্ৰ বিশ্বত কৰা বিভিন্ন গৱেষণায়ো এই ধাৰণা সমূহৰ সত্যতা প্ৰামণিত কৰা নাই। আনহাতেদি এইটো পৰিলক্ষিত হৈছে যে যিসকল ছোৱালীয়ে নিয়মীয়াভাৱে শ্ৰেণীত উপস্থিত থাকে (95% অধিক উপস্থিতি) তেওঁলোকে সকলো বিষয়তে ল'ৰাতকৈ অধিক ভাল



টোকা

ফল দেখুৱাবলৈ সক্ষম হয়। বৰ্ত্তমান সময়ত সকলো সাধাৰণ পৰীক্ষাতেই ছোৱালীয়ে উচ্চ স্থান সমূহ লাভ কৰা দেখিবলৈ পোৱা যায়।

আপোনাৰ বিদ্যালয়ত ছোৱালীৰ শিক্ষাৰ উন্নতি কৰিবৰ বাবে কি কৰিব পাৰে? এই ক্ষেত্ৰত আপোনাৰ দুই ধৰণৰ কৰ্ত্তব্য আছে - প্ৰথমতে, বিদ্যালয়ত নামভৰ্তি কৰিবলগীয়া ছোৱালীসমূহক (6ৰ পৰা 14 বছৰ বয়সৰ) বিদ্যালয়ত নামভৰ্তিৰ ব্যৱস্থা কৰা আৰু প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত বিদ্যালয়ত নিয়মীয়া উপস্থিতি নিশ্চিত কৰা।

দ্বিতীয়তে, বিদ্যালয়ত আৰু শ্ৰেণীকক্ষত ছোৱালীৰ শিক্ষাৰ মানদণ্ড উন্নতী কৰাৰ ব্যৱস্থা কৰা। এইক্ষেত্ৰত ছোৱালী সমূহৰ আত্মমৰ্যদাবোধ, আত্মবিশ্বাস আৰু আত্ম নিৰ্ভৰশীলতা বৃদ্ধি কৰা, সামাজিক লিংগ ভিত্তিক আৰোপিত ভূমিকা আৰু সামাজিক কুসংস্কাৰ যুক্ত বাধানিষেধ সমূহ দুৰ কৰা, পাঠ্যপুথি বা অন্যান্য শিকন সামগ্ৰীৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা পক্ষপাত মূলক লিংগ ভিত্তিক বিভেদসমূহ দূৰ কৰা, শ্ৰেণীকক্ষৰ আন্তঃক্ৰিয়াক আৰু কাৰ্যাৱলী সমূহক লিংগভিত্তিক পক্ষপাতযুক্ত প্ৰভাৱৰ পৰা মুক্ত কৰা।

এই ক্ষেত্ৰত আপোনাৰ বিদ্যালয়ত আপুনি বিভিন্ন প্ৰকাৰৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। ওপৰত উল্লেখ কৰা উদ্দেশ্যসমূহ চৰিতাৰ্থ কৰিবৰ বাবে তলত কেইটামান পৰামৰ্শ আগবঢ়োৱা হ'ল —

- সামাজিক সজাগতাৰ সৃষ্টি ঃ বিদ্যালয়ত ছোৱালীৰ নামভৰ্ত্তি, নিয়মীয়া উপস্থিতি আৰু শৈক্ষিক পাৰদৰ্শিতাৰ মান উন্নয়নৰ বাবে অভিভাৱক, বিশেষভাৱে মাতৃ সকলৰ লগত সঘন সম্পৰ্ক স্থাপন কৰিব লাগে। নিজৰ নিজৰ বিদ্যালয় সমূহত ছোৱালী শিক্ষাৰ সম্পৰ্কত ইতিবাচক দৃষ্টিভঙ্গী গঠনৰ ক্ষেত্ৰত এক সামাজিক সচেতনতাৰ সৃষ্টিৰ বাবে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য সকল, মাতৃ সন্মিলন, আত্ম-সহায়ক গোট আৰু অন্যান্য সিদ্ধান্ত গ্ৰহণকাৰী ব্যক্তিসকলৰ মাজত সংবেদনশীলতাৰ সৃষ্টি কৰিব লাগে। এই ক্ষেত্ৰত প্ৰথমে শিক্ষকেই আগভাগ ল'ব লাগে।

- ছোৱালীৰ বাবে সুকীয়া প্ৰস্ৰাৱগাৰ ব্যৱস্থা ঃ সৰ্বশিক্ষা অভিযান (SSA) ৰ বাবে আবন্টিত ধনৰ দ্বাৰা বিদ্যালয়ত ছোৱালীৰ বাবে সুকীয়া প্ৰসাৱগাৰ নিৰ্মাণ কৰিব লাগে। ছোৱালীসমূহে যাতে ইয়াৰ স্বাস্থ্যসন্মত ব্যৱহাৰ কৰে তাৰ প্ৰতি আপুনি লক্ষ্য ৰাখিব লাগিব। এই ব্যৱস্থাই বিদ্যালয়ত কেৱল ছোৱালীৰ উপস্থিতিয়েই নিশ্চিত

নকৰে, ইয়াৰ দ্বাৰা ছোৱালী সকলৰ মাজত গঠন হোৱা স্বাস্থ্য সম্পৰ্কিত অভ্যাস পাৰিবাৰিক ক্ষেত্ৰলৈয়ো সঞ্চালিত হ'ব।



উপযুক্ত উদ্দীপনা প্ৰদান ঃ সৰ্বশিক্ষা আঁচনিৰ বাবে নিৰ্ধাৰিত ধনৰ পৰা বিদ্যালয়ৰ অধ্যয়নৰত ছোৱালীসমূহক বিনামূলীয়া ইউনিৰ্ফম, পাঠ্যপুথি, লিখা-পঢ়াৰ যাৱতীয় সামগ্ৰী ইত্যাদি যোগান ধৰিব লাগে। এইবোৰ যাতে ছাত্ৰীসকলে উপযুক্ত সময়ত পায়, তাৰ প্ৰতি আপুনি লক্ষ্য ৰাখিব লাগে।

সকলো কামতে ছোৱালীসমূহৰ জড়িত কৰা ঃ বিদ্যালয়ত পৰিচালিত সকলো কাৰ্যাৱলীতে ছোৱালী সমূহক জড়িত কৰাৰ ব্যৱস্থা কৰিব লাগে। ছোৱালীৰ আৰু ল'ৰাৰ বাবে নিৰ্ধাৰিত কাম সমূহ পৃথক পৃথক হ'ব নালাগে ।

- দলীয় কামৰ ব্যৱস্থা ঃ বিদ্যালয়ত ছোৱালীসকলে দলীয়বাৱে সমনীয়া সকলৰ পৰা যাতে শিকিব পাৰে তাৰ বাবে তেওঁলোকক মুক্তভাবে মিলা-মিছাৰ সুবিধা প্ৰদান কৰিব লাগে। এই মুক্ত আৰু উদ্দেশ্যপূৰ্ণ দলীয় সম্পৰ্কই শ্ৰেণীকক্ষত লিংগ পাৰ্থক্য হ্ৰাস কৰে।

পক্ষপাতীত্বহীন শ্ৰেণীকক্ষৰ আন্তঃক্ৰিয়া ঃ শ্ৰেণীকক্ষৰ আন্তঃক্ৰিয়াৰ সময়ত প্ৰশ্নসমূহ সোধাৰ সময়ত ল'ৰা আৰু ছোৱালী উভয়ৰ প্ৰতি সমানে মনোযোগ প্ৰদান কৰিব লাগে। এইক্ষেত্ৰত কোনো পাৰ্থক্য সূচক মন্তব্য কৰিব নালাগে।

পক্ষপাতহীন পৰিমাপ ঃ ছোৱালী সমূহৰ শৈক্ষিক উন্নয়ন পৰিমাপ কৰিবলৈ যাওঁতে কোনো প্ৰকাৰৰ পক্ষপাত বা বৈষম্যক প্ৰশয় দিব নালাগে। গঠনমূলক পৰিমাপৰ অংশ হিচাবে সমনীয়াৰ দ্বাৰা পৰিমাপৰ ব্যৱস্থা প্ৰয়োগ কৰি ল'ৰা আৰু ছোৱালী সকলো শিশুকে নিজৰ আৰু আনৰ শৈক্ষিক পাৰদৰ্শিতাৰ পৰিমাপৰ সুযোগ প্ৰদান কৰি নিজৰ পাৰদৰ্শিতাৰ উন্নত কৰিবৰ বাবে অভিৰোচিত কৰিব লাগে।

**মূল্যায়ন 2** ঃ আপোনাৰ এলেকাৰ ছোৱালী শিক্ষাৰ দুটা বাধা উল্লেখ কৰক। এই বাধা দুৰ কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াওক।

সৰ্বশিক্ষা অভিযানত ছোৱালীৰ শিক্ষা (SSA) ঃ সৰ্বশিক্ষা অভিযানত ছোৱালীৰ শিক্ষা এক উল্লেখনীয় দিশ। ইয়াত এই কথা স্বীকাৰ কৰি লোৱা হৈছিল যে প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰণৰ প্ৰচেষ্টাৰ এক মূলবিষয় হৈছে ছোৱালীৰ শিক্ষাৰ বিস্তাৰ। সৰ্বশিক্ষা অভিযানৰ লিংগ সমতাৰ মূলভিত্তি হৈছে জাতীয় শিক্ষা নীতি (1986/92) আৰু কৰ্ম আঁচনি (POA), য'ত লিংগ বিষয়ক আৰু ছোৱালী শিক্ষাবিষয় সমস্যাৰ ওপৰত বিশেষভাৱে দৃষ্টি প্ৰদান কৰা হৈছিল। অতি গুৰুত্বপূৰ্ণ কথা যে ইয়াত স্ত্ৰী

টোকা

আৰু ছোৱালীৰ শিক্ষা তেওঁলোকৰ সবলীকৰণৰ দিশটোৰ লগত সম্পৰ্কিত কৰা হৈছিল। জাতীয় শিক্ষানীতিত কোৱা হৈছিল যে মহিলা সকলৰ আত্মবিশ্বাস বৃদ্ধি, সমাজত মহিলাৰ স্থান উন্নতকৰণ আৰু লিংগ অসমতাৰ প্ৰত্যাহ্বান সমূহৰ সন্মুখীন হবৰ বাবে শিক্ষাক এক পৰিবৰ্তনকাৰী শক্তি হিচাবে গণ্য কৰা উচিত।

সৰ্বশিক্ষা অভিযানত ল'ৰা-ছোৱালী নিৰ্বিশেষে 6 ৰ পৰা 14 বছৰৰ অন্তৰ্ভূক্ত আৰু প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। এই ক্ষেত্ৰত ইয়াত নামভৰ্তিকৰণ, বিদ্যালয়ত সংৰক্ষণ আৰু পাৰদৰ্শিতা প্ৰদৰ্শনত দেখা পোৱা লিংগ ভিত্তিক পাৰ্থক্য সমূহ দুৰ কৰাৰ ওপৰতো গুৰুত্ব দিয়া হৈছিল। এই ক্ষেত্ৰত বিভিন্ন বাৰস্থা বা কৌশল গ্ৰহণৰ পোষকতা কৰা হৈছিল, যেনে - সামাজিক সচেতনতাৰ সৃষ্টি, বিদ্যালয়ৰ কাম-কাজত মাতৃ সকলৰ সহযোগিতা বৃদ্ধি কৰা, বিদ্যালয়ৰ ইউনিফৰ্ম, পাঠ্যপুথি, লিখা-পঢ়াৰ বিভিন্ন সা-সামগ্ৰী ইত্যাদিৰ বিনামূলীয়া সা-সুবিধা প্ৰদান কৰা আৰু নিৰ্ধাৰিত অঞ্চল বিশেষত আবাসিক বিদ্যালয়ৰ ব্যৱস্থা কৰা। ছোৱালী সকলক বাৰে শিক্ষাৰ সুযোগ বৃদ্ধিৰ ক্ষেত্ৰত সৰ্বাশিক্ষা অভিযানত গ্ৰহণ কৰা কিছুমান বিশেষ আঁচনি তলত উল্লেখ কৰা হ'ল।

## SSA ৰ অধীনত ছোৱালীৰ বাবে বিশেষ আঁচনি ঃ

(a) প্ৰাথমিক পৰ্যায়ত ছোৱালী জাতীয় শিক্ষা আঁচনি (NPEGEL)

NPEGEL এক পৃথক লিংগৰ ভিত্তিত নিৰ্ধাৰিত সৰ্বশিক্ষা আঁচনিৰ অন্তৰ্ভূক্ত আঁচনি। এই আঁচনি মূলতঃ 'শিক্ষাৰ সুযোগ' সুবিধাৰ পৰা বঞ্চিত ছোৱালী সকলৰ বাবে। সৰ্বশিক্ষাৰ অভিযানৰ মূল আঁচনিৰ সংযোজিত হিচাবে ছোৱালীৰ শিক্ষাৰ উন্নতকৰণত অতিৰিক্ত ভাৱে সহায় কৰিবৰ বাবে এই আঁচনি গ্ৰহণ কৰা হৈছিল।

(a) NPEGEL - ৰ ৰূপায়ন কৰা হৈছে -

- যি বিলাক শিক্ষা ব্লকত গ্ৰাম্য মহিলাৰ সাক্ষৰতাৰ হাৰ ৰাষ্ট্ৰীয় গড় সাক্ষৰতাতকৈ কম আৰু সাক্ষৰতাৰ ক্ষেত্ৰত লিংগ পাৰ্থক্যৰ হাৰ ইয়াৰ ৰাষ্ট্ৰীয় হাৰতকৈ বেছি।
- যিবিলাক জিলাৰ ব্লক সমূহ EBB এ সামৰি লোৱা নাই অথচ মুঠ জনসংখ্যাৰ অতি কমেও 5% অনুসূচিত জাতি/জনজাতিৰ লোক আৰু য'ত অনুসূচিত জাতি/জনজাতিৰ লোক সকলৰ মহিলাৰ শিক্ষাৰ হাৰ ১০ শতাংশৰ তলত।
- নিৰ্বাচিত নগৰীয়া বস্তি অঞ্চল -

NPEGEL ৰ লক্ষ্য হৈছে নিৰ্ধাৰিত এলেকাৰ সকলো ছোৱালীৰ নামভৰ্তি কৰা, বিদ্যালয় এৰি যোৱা ছাত্ৰীৰ হাৰ হ্ৰাস কৰা, ছাত্ৰীসকলক জীৱন শৈলী প্ৰদান

কৰা, ছোৱালীৰ নামভৰ্ত্তিৰ বাবে আৰু শ্ৰেণীত সংৰক্ষণ অৰ্থাৎ বিদ্যালয়ৰ পৰিত্যাগ নকৰিবৰ বাবে উপযুক্ত সামাজিক সচেতনাতৰ সৃষ্টি কৰা।

(b) কস্তুৰক গান্ধী বালিকা বিদ্যালয় (KGBV) ঃ KGBV এ উচ্চ প্ৰাথমিক স্তৰত মুলতঃ অনুসূচীত জাতি, অনুসূচীত জনজাতি, পিছপৰা শ্ৰেণী আৰু সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰীসকলক আৱাসিক বিদ্যালয়ৰ সুযোগ প্ৰদান কৰা।

এই KGBV সমূহ স্থাপন কৰা হৈছিল -

- শৈক্ষিকভাবে পিছপৰা ব্লকসমূহত, য'ত গ্ৰাম্য মহিলাৰ সাক্ষৰতাৰ হাৰ 30% ৰ কম।

- ৰাষ্ট্ৰীয় মহিলা সাক্ষৰতাৰ হাৰত কৈ কম সাক্ষৰতা থকা নগৰীয়া অঞ্চল।

- সংখ্যালঘু প্ৰধান অঞ্চল।

কোনো আঁচনিৰ অধীনত যিবোৰ শৈক্ষিক ভাৱে পিছপৰা ব্লকত উচ্চ প্ৰাথমিক পৰ্যায়ৰ বাবে ইতিপূৰ্বে কোনো আৱাসিক বিদ্যালয় স্থাপন কৰা নাই সেই অঞ্চল সমূহত KGBV স্থাপন কৰা।

KGBV আঁচনিৰ উদ্দেশ্য হৈছে সমাজৰ বিশেষ ভাৱে বঞ্চিত সম্প্ৰদায়ৰ অন্তৰ্ভূক্ত চোৱালী সমূহৰ সৰ্বাংগীন বিকাশত সহায় কৰা। ইয়াত পাঠ্যক্ৰমত বৃত্তিমূলক উপাদানৰ সন্নিবিষ্ট কৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। এই বিদ্যালয়ৰ শিক্ষাৰ্থী সকলৰ সকলো খৰচৰ দায়িত্ব SSA ৰ অন্তৰ্ভূক্ত। এই আঁচনিৰ উপযুক্ত ৰূপায়ণৰ বাব বিভিন্ন অভিকৰণ আৰু চৰকাৰী বিভাগ সমূহৰ একত্ৰিত প্ৰচেষ্টাত গুৰুত্ব দিয়া হয়।

---

**কাৰ্যাৱলী ঃ 2**

আপোনাৰ জিলাৰ NPEGEL আঁচনিৰ উদ্দেশ্যৰ পৰিপেক্ষিতত ইয়াৰ অগ্ৰগতি সম্পৰ্কে এক প্ৰতিবেদন প্ৰস্তুত কৰা।

---

### 10.3.2 ঃ সংখ্যালঘু দলৰ শিশুসকলৰ শিক্ষা ঃ

বিদ্যালয়ৰ অনেক ছাত্ৰ-ছাত্ৰী সংখ্যালঘু সম্প্ৰদায়ৰ এই সংখ্যালঘূ সম্প্ৰদায় সমূহক বহলভাৱে মূলতঃ তিনিটা শ্ৰেণীত ভাগ কৰিব পৰা যায়।

1)। ভাষিক সংখ্যালঘূ

2) ধৰ্মীয় সংখ্যালঘূ আৰু

টোকা

3) জাতি / গোষ্ঠি ভিত্তিক সংখ্যালঘূ।

- নীলাঞ্জনাই তামিল নাডুৰ মাদুৰাইত এখন প্ৰাথমিক বিদ্যীলয় পঢ়ে। তেওঁৰ মাতৃভাষা বঙালী যদিও বিদ্যালয়ত তেওঁ তামিল মাধ্যমত শিক্ষা গ্ৰহণ কৰিব লাগে। তেওঁ মাদুৰাইৰ এটা বঙালী ভাষী সাম্প্ৰদায়ৰ অন্তৰ্ভূক্ত। সেই অঞ্চলত এই সম্প্ৰদায় হৈছে এটা ভাষিক সংখ্যালঘু সম্প্ৰদায়।
- চলমান হৈছে পুৰীৰ এখন বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ। তেওঁ পুৰীৰ ধৰ্মীয় সংখ্যালঘূ মুছলিম সম্প্ৰদায়ৰ, কাৰণ পুৰীৰ জনসংখ্যাৰ অধিকাংশ হৈছে হিন্দু সম্প্ৰদায়ৰ।
- উৰিষ্যাৰ চাওঁতাল জনজাতিৰ চৰেনে বাৰিপাৰা চহৰৰ এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়ত পঢ়ে। চৰেন উৰিষ্যাৰ স্থানীয় বাসিন্দা হ'লেও তেওঁ নিৰ্ধাৰিত সামাজিক সাংস্কৃতিক পৰিচয় যুক্ত অন্যান্য জনজাতি সম্প্ৰদায়ৰ দৰেই এটা জাতি/জনগোষ্ঠিগত সংখ্যালঘূ সম্প্ৰদায়ৰ অন্তৰ্ভূক্ত।

এই তিনিজন ছাত্ৰই তেওঁলোকৰ বিদ্যালয়ৰ শ্ৰেণীকক্ষত কেনে ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব পাৰে?

- ঘৰুৱা আৰু বিদ্যালয়ৰ ভাষাৰ ক্ষেত্ৰত পাৰ্থক্য থকা বাবে নীলাঞ্জলাই শ্ৰেণীকক্ষৰ আৰু পাঠ্যপুথিৰ ভাষা বুজাত অসুবিধা হয়। মাতৃভাষা নোহোৱা বাবে তামিল ভাষাত নিজৰ অনুভূতি প্ৰকাশতো তেওঁ অসুবিধা পায়। অকল শ্ৰেণীকক্ষ বা বিদ্যালয়তেই নহয়, স্থানীয় এলেকাৰ সকলো ক্ষেত্ৰতেই স্থানীয় ভাষাৰ যোগেদি যোগাযোগ স্থাপন কৰাত তাই অসুবিধা অনুভৱ কৰে। গতিকে তাই স্থানীয় এলেকাত নিজক অৱহেলিত বুলি আৰু শ্ৰেণীকক্ষত বৈষম্যৰ চিকাৰ হোৱা বুলি অনুভৱ কৰে।

- চলমানৰ যোগাযোগৰ ভাষাৰ ক্ষেত্ৰত কোনো সমস্যা নাই। মুছলিম সম্প্ৰদায়ত অথবা ঘৰত কথা-বাৰ্তাৰ ক্ষেত্ৰত উৰ্দূ ব্যৱহাৰ কৰা হ'লেও পুৰীৰ অধিকাংশ লোকৰ স্থানীয় ভাষা উৰিয়াত তেওঁ সুন্দৰভাৱে কথা-বাৰ্তা কৰিব পাৰে। তেওঁ দ্বিভাষিক। কিন্তু তেওঁৰ সমস্যা হৈছে ধৰ্মীয় আচাৰ ব্যৱহাৰ আৰু ধৰ্মীয় পৰিচয়ৰ ক্ষেত্ৰত। বিভিন্ন উৎসৱ, অনুষ্ঠান আৰু সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলী সমূহত অংশ গ্ৰহণৰ সময়ত তেওঁ শ্ৰেণীৰ অন্যান্য সহপাঠিৰ পৰা নিজকে ভিন্ন বুলি ভাৱে আৰু তেওঁৰ প্ৰতি বৈষম্যপূৰ্ণ আচৰণ অনুভৱ কৰে। এই বৈষম্যৰ অনুভৱ তেওঁৰ দৈনন্দিন জীৱনৰ বিভিন্ন পৰিস্থিতিৰ লগতে শ্ৰেণীকক্ষৰ আন্তঃক্ৰিয়াকো প্ৰভাৱিত কৰে।

- জনজাতিয় সম্প্ৰদায়ৰ এটা শিশু হিচাবে চৰেণৰ নিৰ্ধাৰিত গোষ্ঠিগত পৰিচয়

আছে, যি তেওঁক শ্ৰেণীৰ অন্যান্য ছাত্ৰ-ছাত্ৰী সকলৰ পৰা পৃথক হিচাপে চিহ্নিত কৰে। এই জনজাতিয় শিশুসকলৰ বিশেষ সমস্যাসমূহ এই এককৰ পছিৰ ভাগত আলোচনা কৰা হ'ব।

এই সংখ্যালঘূ সম্প্ৰদায় সমূহৰ শিক্ষা কিয় ইমান গুৰুত্বপূৰ্ণ? ইয়াৰ কাৰণ সমূহ হৈছে -

- সুযোগ সুবিধাৰ সমতা ঃ আমাৰ সংবিধানত মৌলিক অধিকাৰ হিচাবে প্ৰদত্ত (তলৰ বাকচত চাওঁক) আৰু শিক্ষাৰ অধিকাৰ আইন 2009-3 বিশেষ গুৰুত্ব লাভ কৰা ব্যৱস্থা হিচাপে প্ৰতিজন শিশুৰেই শিক্ষাৰ ক্ষেত্ৰত বিশেষভাবে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত সমান সা-সুবিধা লাভ কৰা উচিত। এই সমান-সুযোগ সুবিধাই বিদ্যালয়ত প্ৰৱেশৰ সুযোগৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। প্ৰত্যেকজন শিশুৰেই তেওঁলোকৰ জাতি, গোষ্ঠি, ধৰ্ম অথবা আন অক্ষমতাজনিত কাৰকৰ পৰিপ্ৰেক্ষিতত কোনো বৈষম্য সন্মূখীন নোহোৱাকৈ বিদ্যালয়ত প্ৰৱেশৰ সমান সুযোগ লাভ কৰা উচিত, অন্যথা এই শিশুসকলক তেওঁলোকৰ শিক্ষাৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰা হয়।
- বৈষম্যহীন ব্যৱহাৰ ঃ কিছুমান বিশেষ এলেকাৰ বাহিৰে বিদ্যালয় বা শ্ৰেণীকক্ষত এই সংখ্যালঘূ সম্প্ৰদায়ৰ শিশুৰ সংখ্যা স্বাভাৱিকত অতি কম থাকে। তেওঁলোকৰ ভাষা, ধৰ্ম আৰু শাৰীৰিক অক্ষমতা ইত্যাদিৰ দ্বাৰা চিহ্নিত হোৱাৰ ফলত শিক্ষক আৰু তেওঁলোকৰ সমনীয়া সকলে তেওঁলোকৰ প্ৰতি বৈষম্যমূলক আচৰণ প্ৰদৰ্শন কৰে ফলত এই শিশুসকলে নিজকে আনৰ পৰা ভিন্ন বা পৃথক বুলি ভাবিবলৈ ধৰে। এই বৈষম্য মূলক ব্যৱস্থাসমূহ তেওঁলোকৰ প্ৰতি কৰা বিভিন্ন ব্যৱহাৰৰ অন্তৰ্ভূক্ত, যেনে ঃ পৃথকভাৱে বহিবলৈ দিয়া, কিছুমান বিশেষ কাৰ্যাৱলীত অংশ গ্ৰহণৰ পৰা বঞ্চিত কৰা, নীচাত্মক মন্তব্য দিয়া, ঘৰুৱা ভাষা ব্যৱহাৰত বাধা আৰোপ কৰা ইত্যাদি। গতিকে বিদ্যালয় বা শ্ৰেণীকক্ষৰ কাৰ্যৱলীৰ ক্ষেত্ৰত এই শিশুসকলৰ প্ৰতি যাতে এই ধৰণৰ বৈষম্যমূলক ব্যৱহাৰৰ নহয় ইয়াক নিশ্চিত কৰাটো প্ৰতিজন শিক্ষকৰেই অন্যতম দায়িত্ব।
- সমন্বিত সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন ঃ ভাৰত বৰ্ষৰ সাংস্কৃতি ভিন্নমূখী পাৰস্পৰিক আদান প্ৰদান আৰু সন্মানবোধৰ ওপৰত প্ৰতিষ্ঠিত। গতিকে বিদ্যালয়ত অতি সৰুকালতেই শিশুসকলক আনৰ সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হবলৈ আৰু আনৰ দৃষ্টিভংগীৰ প্ৰতি সহনশীল হবলৈ প্ৰশিক্ষন প্ৰদান কৰিব লাগে।
- সামাজিক ব্যৱস্থাত অনৈক্য ঃ অনৈক্য আমাৰ দেশৰ প্ৰতি সমাজৰেই অন্যতম

টোকা

বৈশিষ্ট্য। আনকি বিদ্যালয়ৰ নিকটবৰ্ত্তী অঞ্চলসমূহৰ বিভিন্ন সম্প্ৰদায়ৰ বাসিন্দা সকলৰ মাজতো আয়, বৃত্তি, ৰীতি-নীতি ইত্যাদিৰ ক্ষেত্ৰত দৰ্শনীয় পাৰ্থক্য দেখা যায়। এই ভিন্ন সম্প্ৰদায়ৰ পৰা অহা শিশুসকলে শ্ৰেণীকক্ষত বিভিন্ন কাম-কাজত সমানে অংশগ্ৰহন কৰোতে আৰু আদান প্ৰদান কৰোতে এই অনৈক্য সমূহ প্ৰতিফলিত হয়। শ্ৰেণীত আৰু বিদ্যালয় পৰিচালিত বিভিন্ন কাৰ্যাৱলী সমূহত প্ৰতিটো সম্প্ৰদায়ৰ বিভিন্ন বৈশিষ্ট্য সমূহ সন্নিবিষ্ট কৰি শিশুসকলৰ মনত কম বয়সতেই এই পাৰ্থক্যসূচক উপাদান প্ৰতি ইতিবাচক দৃষ্টিভঙ্গী গঢ়ি তুলিব লাগে।

অন্তৰ্ভূক্তি যুক্ত শিকন পৰিবেশ ঃ শিক্ষক হিচাবে আপুনি সকলো ক্ষেত্ৰতে সমতা প্ৰদানৰ প্ৰতি লক্ষ্য ৰাখি এক অন্তৰ্ভূক্তি যুক্ত শিকন পৰিবেশ সৃষ্টিত গুৰুত্ব প্ৰদান কৰিব লাগে। এই ক্ষেত্ৰত সাংবিধানিক ব্যৱস্থা সমূহৰ প্ৰতি মনকৰিবলগীয়া সংখ্যালঘু সম্প্ৰদায় সমূহৰ অধিকাৰ সুনিশ্চিত কৰণৰ বাবে সাংবিধানিক ব্যৱস্থা সমূহ কি কি?

- মৌলিক অধিকাৰৰ লগত জড়িত 15 আৰু 16 নম্বৰ অনুচ্ছেদত কোৱা হৈছে যে ধৰ্ম, জাতি, গোষ্ঠী, লিংগ জন্মৰ স্থানৰ বা ইয়াৰ যিকোনো দিশৰ ভিত্তিত কোনো বৈষম্য থাকিব নোৱাৰিব আৰু সকলো নাগৰিকৰে নিয়োগৰ ক্ষেত্ৰত সমান সুযোগ নিশ্চিত কৰিব লাগিব।

- 29 আৰু, 30 নম্বৰ অনুচ্ছেদত সংখ্যালঘু সকলৰ ভাষা, সংস্কৃতি, শিক্ষানুষ্ঠান স্থাপন আৰু প্ৰশাসনৰ ক্ষেত্ৰত অধিকাৰ সুৰক্ষাকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে।

- 350 (ক) নম্বৰ অনুচ্ছেদত প্ৰাথমিক স্তৰত মাতৃভাষাৰ মাধ্যমত শিক্ষাগ্ৰহণৰ সুবিধা প্ৰদান কৰাত গুৰুত্ব দিয়া হৈছে।

এতিয়া সংখ্যালঘু সকলৰ শিক্ষাৰ ক্ষেত্ৰত লবলগীয়া ব্যৱস্থা সমূহৰ বিষয়ে আলোচনা কৰো আহক -

ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ শিশুৰ শিক্ষা ঃ

ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ শিশুসকলৰ শিক্ষাৰ ক্ষেত্ৰত সহায় কৰিবৰ বাবে গ্ৰহণ কৰিব লগীয়া কেইটামান ব্যৱস্থা হৈছে —

- ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ শিশুৰ বাবে বিদ্যালয় স্থাপনঃ বিশেষভাৱে ভাষিক সংখ্যালঘূ প্ৰধান অঞ্চল সমবহত এই সম্প্ৰদায়ৰ ল'ৰা-ছোৱালী সমূহৰ বাবে বিশেষ বিদ্যালয়ৰ ব্যৱস্থা কৰিব লাগে আৰু প্ৰয়োজন সাপেক্ষে আবাসিক



বিদ্যালয়ৰ ব্যৱস্থা কৰিব লাগে।

- পাঠ্যপুথি আৰু পঠন সামগ্ৰীৰ ব্যৱস্থাকৰণ ঃ ভাষিক সংখ্যালঘু সম্প্ৰদায় শিশুসকলৰ বাবে বিশেষ প্ৰয়োজনীয় বিষয় হৈছে পাঠ্যপুথি আৰু অন্যান্য পঠন সামগ্ৰীৰ ব্যৱস্থা কৰণ। বিভিন্ন সমস্যাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ মূল ভাষাৰ বাহিৰৰ এই ভাষা সমূহত সময়মতে পাঠ্যপুথি সমূহ প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হয়।

এই ক্ষেত্ৰত আন এটা সমস্যা হৈছে কিছুমান বিদ্যালয়ত বিভিন্ন বিষয়ৰ পাঠ্যপুথি সমূহ শিশুসকলৰ ঘৰুৱা ভাষাত উপলব্ধ নহয়। ইয়াৰ অৰ্থ হৈছে এই ক্ষেত্ৰত এটা শিশুৱে গণিত, সমাজবিজ্ঞান আৰু বিজ্ঞান ইত্যাদি বিষয় সমূহ ৰাজ্যৰ মূল ভাষাত ৰচনা কৰা পাঠ্যপুথিৰ দ্বাৰা অধ্যয়ন কৰিব লগা হয়। গতিকে এই বিশেষ ভাষাসমূহত যিবিলাক ৰাজ্যত পাঠ্যপুথি উপলব্ধ হয় সেই ৰাজ্য সমূহৰ পৰা পাঠ্যপুথি সংগ্ৰহ কৰি এই সমস্যাৰ সমাধান কৰিব পৰা যায়।

- ভাষা শিক্ষক নিযুক্তি ঃ বিদ্যালয়ত শিশুসকলৰ ঘৰুৱা ভাষাত যোগাযোগ স্থাপন কৰিব পৰা শিক্ষকৰ উপস্থিতিয়ে শিশুসকলৰ মাজত উদ্ভৱ হোৱা ভিন্ন ভাব প্ৰকাশজনিত সমস্যা যথেষ্ট পৰিমাণে দুৰ কৰিব পৰা যায়। এই ক্ষেত্ৰত এক ইতিবাচক ব্যৱস্থা হিচাবে সংখ্যালঘু সকলৰ ভাষাত বিশেষ বুৎপত্তি থকা শিক্ষক নিয়োগ কৰি এই শিশুসকলৰ শিকণত বিশেষভাৱে সহায় কৰিবলৈ যত্নপৰ হ'ব লাগে।

বহুভাষিক কাৰ্যাৱলীত অংশগ্ৰহণ ঃ বিভিন্ন সময়ত বিদ্যালয়ত শিশুসকলক বিভিন্ন ভাষাত বিভিন্ন কাৰ্যাৱলী সংগঠিত কৰিবলৈ উৎসাহিত কৰিব লাগে। উদাহৰণ স্বৰূপে, বিভিন্ন গুৰুত্বপূৰ্ণ অনুষ্ঠান যেনে ঃ স্বাধীনতা দিৱস, গণতন্ত্ৰদিৱস, ৰাষ্ট্ৰীয় সংহতি দিৱস ইত্যাদিত বিভিন্ন ভাষাত দেশপ্ৰেমমূলক সংগীত পৰিবেশন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সকলো শিশুকে বিভিন্ন ভাষাত নাটক কৰিবলৈ, গান গাবলৈ, বিভিন্ন সাথৰ ক'বলৈ উৎসাহ প্ৰদান কৰিব লাগে। এনেদৰে বিদ্যালয়ত বিভিন্ন বহুভাষিক কাৰ্যাৱলীত সকলো শিশুৱে অংশ গ্ৰহণৰ সুযোগ লাভ কৰিলে শিশুসকলৰ মাজত বন্ধুত্বসুলভ মনোভাৱ জাগ্ৰত হ'ব আৰু ভাষিক সংখ্যালঘু সম্প্ৰদাৰ শিশুসকলৰ মনৰ পৰা নিজকে ভিন্ন বুলি ভবা মনোভাৱ দুৰ হ'ব।

ভাষিক সংখ্যালঘুৰ ভাষাত মূল্যায়ন ঃ শ্ৰেণীকক্ষৰ আন্তঃক্ৰিয়াৰ সময়ত শিক্ষকে প্ৰশ্ন কৰোতে ভাষিক সংখ্যালঘু আৰু সংখ্যাগুৰু উভয়ৰ ভাষা ব্যৱহাৰ কৰিব লাগে। আনুষ্ঠানিক পৰিমাপৰৰ ক্ষেত্ৰতো ভাষিক সংখ্যালঘূৰ ভাষাসমূহ

টোকা

ব্যৱহাৰ কৰিব লাগে যাতে এই ভাষিক সম্প্ৰদায়ৰ অন্তৰ্ভূক্ত শিশুসকলে ভাষাৰ পৰিপ্ৰেক্ষিতত কোনো অসুবিধা ভোগ নকৰে।

ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ শিশুৰ শিক্ষা ঃ আমাৰ দেশত সকলো ধৰ্মীয় সংস্কাৰকেই সন্মান জনোৱা হয় আৰু আমাৰ সংবিধানে সকলো ব্যক্তিকে বাধাহীন ভাবে নিজৰ ধৰ্ম অনুসৰণ কৰা স্বাধীনতা প্ৰদান কৰিছে (অনুচ্ছেদ 29)। সেয়ে হ'লেও বিভিন্ন কাৰকৰ পৰিপ্ৰেক্ষিতত যেনে ঃ অন্ধবিশ্বাস, সম্প্ৰদায়িকতা অত্যাধিক দৰিদ্ৰতা, ইত্যাদিৰ ফলত সংখ্যালঘু সম্প্ৰদায়ৰ শিশুসকল শিক্ষাৰ ক্ষেত্ৰত পিছপৰা হিচাবে আজিও সূচিত হৈ আহিছে। সেইবাবেই বিদ্যালয়ত এই শিশুসকলৰ শৈক্ষিক মান উন্নত কৰিবৰ বাবে বিশেষ মনোযোগ প্ৰদানৰ প্ৰয়োজন। এই ক্ষেত্ৰত ৰাজ্য, বিদ্যালয় আৰু শিক্ষক সকলে তলত উল্লেখ কৰা ব্যৱস্তা সমূহ গ্ৰহণ কৰাৰ প্ৰয়োজন।

- প্ৰৱেশৰ সুযোগ প্ৰদান কৰা ঃ সাংবিধান অনুযায়ী (অনুচ্ছেদ 29/2) ৰাজ্যচৰকাৰৰ দ্বাৰা পৰিচালিত আৰু ৰাজ্যচৰকাৰৰ বিত্তীয় অনুদান লাভ কৰা কোনো শিক্ষানুষ্ঠানে কোনো ব্যক্তিক ধৰ্ম, জাতি, গোষ্ঠি, ভাষা বা ইয়াৰ যিকোনো এটাৰ ভিত্তি নামভৰ্ত্তিৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। শিক্ষাৰ অধিকাৰ আইনতো এই কথা উল্লেখ কৰা হৈছে।
- ধৰ্মীয় শিক্ষা অনুষ্ঠান সমূহৰ আধুনিকীকৰণ ঃ বিভিন্ন ধৰ্মৰ শিশুসকলক ধৰ্মীয় শিক্ষা দিবৰ বাবে প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠান সমূহত নিৰ্ধাৰিত ধৰ্মৰ লগত জড়িত পাঠ্যপুথি অধ্যয়ন আৰু ইয়াৰ বিষয়ে শিক্ষা প্ৰদান কৰা হয়। কিন্তু বিজ্ঞান আৰু প্ৰযুক্তিগত উন্নয়নৰ প্ৰভাৱৰ পৰা আতৰত থকা বাবে এই শিক্ষানুষ্ঠান সমূহত শিক্ষাগ্ৰহণ কৰা শিশুসকল অধিক ৰক্ষণশীল হয় আৰু জীৱন সম্পৰ্কে এক সামগ্ৰিক দৃষ্টিভংগী গঢ়ি তুলিবলৈ ব্যৰ্থ হয়। ইয়াৰ উপৰিও উচ্চ শিক্ষাগ্ৰহণৰ বাবে আৰু বহলভিত্তিক কোনো বৃত্তিনিৰ্বাচনৰ বাবে অনেক অভিজ্ঞতাৰ পৰাও তেওঁলোক বঞ্চিত হয়। গতিকে এই কথা সকলোৱে উপলদ্ধি কৰিছে যে এই শিক্ষানুষ্ঠান সমূহত অধ্যয়ন কৰা শিশুসকলক ধৰ্মীয় শিক্ষাৰ উপৰিও আন শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদানৰ বাবে আধুনিকীকৰণৰ প্ৰয়োজন।
- বিদ্যালয়ৰ কাৰ্যাৱলী সমূহৰ সমন্বয়ন ঃ সাধাৰণ বিদ্যালয় ব্যৱস্থাতেই বিভিন্ন সংখ্যালঘু সম্প্ৰদায়ৰ সংস্কৃতিসমূহ বিদ্যালয়ত পৰিচালিত বিভিন্ন কাৰ্যাৱলী সমূহৰ লগত সমন্বিত কৰি এই শিশুসকলক বিদ্যালয়ৰ মূলসুতিলৈ আনিব পৰা যায়। এই ক্ষেত্ৰত লব লগা বিভিন্ন ব্যৱস্থাসমূহ হৈছে -



- ধৰ্মীয় আচাৰআচৰণৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন ঃ এতিয়া আমাৰ প্ৰায়বিলাক বিদ্যালয়তে, বিভিন্ন ধৰ্মৰ লগত জড়িত বিভিন্ন গুৰুত্বপূৰ্ণ অনুষ্ঠান সমূহ অনুষ্ঠিত বা বিশেষ দিন সমূহ উদযাপন কৰাৰ ব্যৱস্থা পৰিহাৰ কৰা হৈছে। ইয়াৰ বিকল্প হিচাবে বিভিন্ন ধৰ্মৰ বিশেষ দিন সমূহৰ তাৎপৰ্য আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰিব লাগে আৰু সেই বিশেষ দিন সমূহ উদ্‌যাপন কৰিব লাগে যি সমূহে শিক্ষাৰ্থীৰ মনত নিজৰ ধৰ্মৰ বাহিৰেও আনৰ ধৰ্মৰ প্ৰতি শ্ৰদ্ধাৰ ভাব জাগ্ৰত কৰে।
- বিদ্যালয়ৰ কাম কাজত সমানে অংশগ্ৰহণৰ নিশ্চিয়তকৰণ ঃ ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ শিশু সকলৰ মনত সাধাৰণতে গঢ় লৈ উঠা পৃথক মনোভাৱ দুৰ কৰিবৰ বাবে বিদ্যালয়ৰ সকলো কাৰ্যাৱলীত এওঁলোকক সমানে অংশ গ্ৰহণৰ সুযোগ প্ৰদান কৰিব লাগে।
- পিছপৰা শিক্ষাৰ্থীসকলক বিশেষ শিক্ষা (কোচিং) প্ৰদানৰ ব্যৱস্থা ঃ যিহেতু এই শিশুসকলৰ অধিকাংশ দৰিদ্ৰ পৰিয়ালৰ, গতিকে এই সংখ্যালঘু সম্প্ৰদায়ৰ শিশুসকলৰ বাবে বিশেষ শিক্ষাৰ (কোছিং)ৰ ব্যৱস্থা কৰিব লাগে।

  - শ্ৰেণীকাৰ্যত সহায় কৰা ঃ এই শিশুসকলৰ মনত সৃষ্টি হোৱা বৈষম্যসূচক মনোভাৱ সৃষ্টিৰ উৎসসমূহ দুৰ কৰি এই সিশুসকলক শ্ৰেণীকাৰ্য সম্পাদনৰ সময়ত সহায় কৰিব লাগে আৰু এই ক্ষেত্ৰত তলত উল্লেখ ব্যৱস্থাসমূহৰ প্ৰতি দৃষ্টি ৰাখিব লাগে।
- দলীয় কাৰ্যত অংশ গ্ৰহণ নিশ্চিতকৰণ ঃ শ্ৰেণীত দলীয় কাৰ্যাৱলীত অংশগ্ৰহণ সুযোগ প্ৰদানে শিক্ষাৰ্থী সকলক সমনীয়াৰ লগত আন্তঃক্ৰিয়াৰ সম্ভৱনা বৃদ্ধি কৰে আৰু দলীয় সংহতি শক্তিশালী কৰি শিক্ষাৰ্থীসকলৰ মাজৰ বৈষম্য হ্ৰাস কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।
- শ্ৰেণীকক্ষত ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ শিশুসকলৰ মনত নেতিবাচক মনোভাৱৰ সৃষ্টি কৰিব পৰা ছবি, মডেল, পাঠ্যপুথিৰ বা আন বিষয়সমূহৰ প্ৰদৰ্শন বা ব্যৱহাৰ বৰ্জন কৰিব লাগে। অসংগতিৰ সৃষ্টি কৰিব পৰা যিকোনো বিষয় শ্ৰেণীকাৰ্য সম্পাদনত সন্নিবিষ্ট কৰিব নালাগে।
- ভাষাগত সমস্যাৰ সমাধান ঃ সাধাৰণতে মুছলিম পৰিয়ালৰ পৰা অহা শিশুসকলে উৰ্দুক মাতৃভাষা হিচাবে ব্যৱহাৰ কৰে। এই ক্ষেত্ৰত বিদ্যালয়ত এজন উৰ্দূ জনা শিক্ষক থাকিলে এই শিশুসকল যথেষ্ট উপকৃত হ'ব। বিদ্যালয় উৰ্দু

টোকা

জনা শিক্ষক নাথাকিলে কোনো শিক্ষকক সাধাৰণ ভাৱে কথা-বাৰ্তা কব পৰাকৈ উৰ্দু ভাষাৰ সাধাৰণ প্ৰশিক্ষণ প্ৰদান কৰি এই শিশুসকলৰ মনত আত্মবিশ্বাস গঢ়ি তুলিব পৰা যায়। এই শিশুসকলক সহপাঠ্যক্ৰমিক কাৰ্যাৱলী হিচাপে উৰ্দু ভাষাত গান গোৱা আৰু ভাষণ প্ৰদান কৰা ইত্যাদিৰ ব্যৱস্থা কৰিব পৰা যায়।

- শিক্ষক, প্ৰধান শিক্ষক আৰু শিক্ষা প্ৰশাসক সমূহক দিকদৰ্শন ঃ ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ শিশুসকলক শিকনত সহায় কৰিবৰ বাবে আৰু তেওঁলোকক বৈষম্যমূলক আচৰণৰ পৰা সুৰক্ষা প্ৰদানৰ বাবে বিদ্যালয়ৰ শিক্ষক, প্ৰধান সিক্ষক আৰু প্ৰশাসক সকলক হ্ৰস্বকালীন পৰিশীলন বা দিকদৰ্শন কৰ্মসূচীৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন।

এজন শিক্ষক হিচাবে আপুনি সংখ্যালঘু সম্প্ৰদানৰ শিশুসকলৰ শিক্ষাৰ ক্ষেত্ৰত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিব পাৰে। আপুনি এই সম্প্ৰদায়ৰ ব্যক্তি নহলে এই শিশুসকলৰ অসুবিধা সমূহ বুজি পোৱাত আৰু তেওঁলোকক অভিৰোচিত কৰাত অসুবিধা ভোগ কৰিব পাৰে। আপুনি যদি তেওঁলোকৰ ভাষা, সাংস্কৃতি আৰু ধৰ্মীয় পটভূমিৰ লগত পৰিচিত হয় তেতিয়া হ'লে আপুনি এই শিশুসকলৰ লগত সফলভাৱে যোগাযোগ স্থাপন কৰিব পাৰিব আৰু তেওঁলোকৰ প্ৰয়োজন অনুযায়ী পাঠ্যক্ৰম আৰু পাঠদান কাৰ্য নিৰ্ধাৰণ কৰিব লাগে।

**মূল্যায়ন 3** ঃ শ্ৰেণীকক্ষত সংখ্যালঘূ সম্প্ৰদায়ৰ শিশুসকলৰ মনৰ পৰা নিজকে পৃথক বুলি ভবা মনোভাৱ কি পদ্ধতি দুৰ কৰিব পৰা যায়?

## 10.3.3 ঃ বিশেষ প্ৰয়োজনীয়তা যুক্ত শিশুৰ শিক্ষা (CWSN) ঃ

প্ৰাথমিক স্তৰত শিক্ষাত সমতাৰ সমস্যাৰ লগত জড়িত এক গুৰুত্বপূৰ্ণ দিশ হৈছে বিশেষ চাহিদাযুক্ত শিশু সকল। আপুনি আপোনাৰ শ্ৰেণীকক্ষত সামান্য সঞ্চালনমূল অক্ষমতা জড়িত, দৃষ্টি সম্পৰ্কীয় প্ৰতিযোগিতা, শ্ৰৱণ সম্পৰ্কীয় প্ৰতিযোগিতা, নিম্ন মানদণ্ডযুক্ত বৌদ্ধিক ক্ষমতা আৰু সমাযোজনমূলক আচৰণজনিত সমস্যাযুক্ত কিছুসংখ্যাক সিশু পাব পাৰে।

শিক্ষক হিচাবে আপুনি শ্ৰেণীৰ অন্যান্য শিশুসকলৰ লগতে এই শিশুসকলৰ শিকনৰ আৰু পাৰদৰ্শিতাৰ উন্নতকৰণকৰণত সহায় কৰিবৰ বাবে এওঁলোকক উপযুক্তভাৱে পৰিচালিত কৰিব লাগিব। তলৰ তালিকা নং 1 ত বিভিন্ন শ্ৰেণীযুক্ত এই শিশুসকল আৰু তেওঁলোকৰ বিশেষ বৈশিষ্ট সমূহ উল্লেখ কৰা হ'ল —

| বিশেষ চাহিদাযুক্ত শিশুৰ শ্ৰেণীসমূহ | চিনাক্তকৰণৰ বৈশিষ্টসমূহ |
|---|---|
| সঞ্চালনমূলক প্ৰতিবন্ধকতা | শৰীৰৰ বিভিন্ন অংগ প্ৰতংগ যেনেঃ হাত, ভৰি, ডিঙি, ককাল আৰু আঙুলি ইত্যাদিৰ দৰ্শনীয় অংগ বিসংঙ্গতি। এওঁলোকে বহা, চলাফুৰা কৰা, বস্তু ভঙা আৰু ইফালে সিফালে নিয়াত অসুবিধা পায়। |
| দৃষ্টি সম্পৰ্কীয় প্ৰতিবন্ধকতা | চকুৰ দৰ্শনীয় অংগ বিসংগতি। চকু মোহাৰি থকা সঘনে চকু ৰঙা পৰা, চাওতে এটা চকু ঢকা আৰু মুৰটো আগলৈ বেকা কৰা ইত্যাদি। কিতাপকে আদি কৰি বিভিন্ন বস্তু চকুৰ ওচৰলৈ নিয়া। ব্লেকবোৰ্ডৰ পৰা টোকা লিখোতে আন ছাত্ৰৰ সহায় লোৱা। সঘনে চকু টিপিয়াই থকা, চকুৰ পানী ওলোৱা, চকু জপালেই মুৰ বিষোৱা, মানুহ বা বস্তুত খুন্দা মৰা ইত্যাদি। |
| শ্ৰৱণ আৰু কথন সম্পৰ্কীয় প্ৰতিবন্ধকতা | কাণৰ দৰ্শনীয় অংগ বিসংগতি। কাণৰ পৰা সঘনে পানী ওলোৱা, কাণৰ সঘনে বিষ হোৱা, সঘনে কান খুচৰি থকা, ভালকৈ শুনিবৰ বাবে এফালে মুৰ বেকা কৰা, শিক্ষকে দিয়া নিৰ্দেশনা বা প্ৰশ্ন পুনঃ পুনঃ কৰলৈ শিক্ষকক অনুৰোধ কৰা, শ্ৰুতলিপিৰ টোকা গ্ৰহণৰ সময়ত বহুত ভুল কৰা, শিক্ষকে কোৱা কথা সমূহ শুনোতে শিক্ষকৰ মুখলৈ সাৱধানে চাই থকা, কথাকোৱাৰ ক্ষেত্ৰত অসুবিধা। |
| শিকন অক্ষমতা | শৈক্ষিক পাৰদৰ্শিতাৰ ক্ষেত্ৰত অনগ্ৰৰতা প্ৰদৰ্শন, সোনকালেই শিকা কথা পাহৰি যোৱা, অমনোযোগী আৰু বিক্ষিপ্ত মনোযোগ, শিক্ষাগ্ৰহণৰ সময়ত মূৰ্ত্ত বস্তুৰ ওপৰত অধিক নিৰ্ভৰশীলতা, নিজৰ সম্পৰ্কে নীচাত্মিকা ভাৱ, আত্ম বিশ্বাসৰ অভাৱ, পুনৰাবৃত্তি আৰু অনুশীলনৰ অধিক প্ৰয়োজনীয়তা কোনো কাৰ্য কৰিবলৈ ক'লে ইয়াক বুজিবলৈ অসুবিধা উপলব্ধি কৰা, বিভিন্ন আচৰণৰ ক্ষেত্ৰত জড়তা বা মন্থৰতা প্ৰদৰ্শন, কোনো কাম কৰিবলৈ অসুবিধাবোধ কৰা, বিমূৰ্ত্ত বস্তু বুজাত অসুবিধা, মূৰ্ত্ত উদাহৰণ বস্তুৰ ওপৰত অধিক নিৰ্ভৰ শীলতা। |

টোকা

## কাৰ্যাৱলী ঃ 3

CWSN শিশুসকলৰ চিনাক্তকৰণৰ বৈশিষ্ট্য সমূহ বিচাৰ কৰি এই শিশউসকলৰ শিকন আৰু পাৰদৰ্শিতাৰ উন্নতকৰণৰ বাবে লব লগা ব্যৱস্থাসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

CWSN শিশুসকল পৰিচালিত কৰাৰ ক্ষেত্ৰত প্ৰথম পৰ্যায়ত প্ৰতিবন্ধকতাৰ মাত্ৰাসহ এই শিশুসকলক উপযুক্তভাৱে চিনাক্ত কৰিব লাগে। এই ক্ষেত্ৰত শিক্ষকে চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰি, অভীক্ষাৰ দ্বাৰা অথবা আচৰণ জনিত বৈশিষ্ট্যসমূহ পৰ্যবেক্ষন কৰি এই শিশুসকলৰ সমস্যাসমূহৰ সন্ধান লাভ কৰিব পাৰে। এই শিশুসকল চিনাক্তকৰণৰ পিছত তেওঁলোকৰ প্ৰতিবন্ধকতা দূৰ কৰিবৰ বাবে উপযুক্ত ব্যক্তি বা সংস্থাৰ ওচৰলৈ পঠিয়াব লাগে। উদাহৰণ স্বৰূপে, শ্ৰৱণ সমস্যা জনিত শিশুক কাণৰ উপযুক্ত চিকিৎসাৰ প্ৰয়োজন আৰু সহায়কাৰী ব্যৱস্থা (শ্ৰৱণ সহায়ক আহিলা)ৰ প্ৰয়োজন দৃষ্টিশক্তিৰ সমস্যাযুক্ত শিশুক চচ্‌মা বা বিবৰ্ধক আইনৰ প্ৰয়োজন। সঞ্চালন মূলক প্ৰতিবন্ধকতা জড়িত শিশুক চলা-ফুৰাৰ বাবে পেই বা হুইল চেয়াৰ, লিখিবৰ বাবে হাতৰ ব্যৱহাৰৰ বাবে বিভিন্ন উপযুক্ত সঁজুলি ইত্যাদিৰ ব্যৱস্থা কৰিব লাগে।

অন্যান্য শিশুসকলৰ দৰেই এই শিশুসকলৰ বাবে পাঠ্যক্ৰম উপলব্ধ কৰি তুলিবৰ বাবে প্ৰতিকাৰ আৰু সংশোধনী মূলক ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত পাঠ্যক্ৰমৰ কিছু সালসলনি কৰি অভিযোজিত কৰি শিশুৰ বিশেষ প্ৰয়োজন ভিত্তিক কৰি তুলিব লাগে।

এই শিশু সকলৰ শিকনত সহায় কৰিবৰ বাবে বিদ্যালয় আৰু শ্ৰেণীকক্ষত লব লগা ব্যৱস্থাসমূহ তলত উল্লেখ কৰা হ'ল -

সঞ্চালনমূলক প্ৰতিবন্ধকতা যুক্ত শিশু ঃ এই শিশুসকলৰ আন শিশুসকলৰ দৰেই শিকন ক্ষমতা থাকে। কিন্তু তেওঁলোকৰ কিছুমান শিকন কাৰ্যৰ ক্ষেত্ৰত অসুবিধা থকা দেখা যায়। এই শিশুসকলে সমনীয়াৰ দ্বাৰা প্ৰত্যাক্ষিত হোৱা বাবে বা সমনীয়া সকলে ইতিকিং কৰা বাবে সমাযোজন জনিত সমস্যাৰ সন্মুখীন হ'ব লগা হয়। এজন শিক্ষক হিচাবে আপুনি এওঁলোকৰ পিতৃ-মাতৃৰ সহযোগত অংগ সমূহৰ সঞ্চালনৰ উপযুক্ত আহিলা যোগানৰ ব্যৱস্থা কৰিব পাৰে।

এই সেৱা সমূহ জিলা পুনঃ সংস্থাপন কেন্দ্ৰবোৰত উপলব্ধ। কোনো কোনো ক্ষেত্ৰত এইবোৰ চিকিৎসালয় আৰু প্ৰাথমিক চিকিৎসালয় সমূহতো পোৱা যায়।

আপুনি শিক্ষক হিচাবে শ্ৰেণীকক্ষত এই শিশুসকলৰ ক্ষেত্ৰত তলত উল্লেখ কৰা দিশ সমূহৰ প্ৰতি লক্ষ্য ৰাখিব লাগে—

- এই শিশুসকলক শ্ৰেণীত নামভৰ্ত্তিৰ পিছত আপুনি এইটো নিশ্চিত কৰিব লাগিব যে শ্ৰেণীকক্ষৰ কোনোৱে যাতে এই শিশুসকলৰ বিশেষ অক্ষমতাৰ পৰিপ্ৰেক্ষিত কোনো কটু উক্তি নকৰে।
- শ্ৰেণীত আন সমনীয়া সকলৰ দৰেই এই শিশু সকলে সকলো শিকন কাৰ্যত সমানে অংশ গ্ৰহণৰ সুযোগ লাভ কৰিব পাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। প্ৰতিবন্ধকতা মাত্ৰা অনুযায়ী এই শিশুসকলে যাতে বিভিন্ন খোলা-ধূলা, শাৰীৰিক কাৰ্যাৱলী আৰু আমোদ প্ৰমোদমূলক কাৰ্যাৱলীসমূহত অংশ গ্ৰহণৰ উপযুক্ত সুযোগ লাভ কৰিব পাৰে তাক নিশ্চিত কৰিব লাগে।
- এই শিশুসকলৰ বিশেষ প্ৰতিবন্ধকতাৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰেণীত কহাৰ ক্ষেত্ৰত শিক্ষকে উপযুক্ত ব্যৱস্থা কৰিব লাগে। শ্ৰেণীকক্ষ সজোৱাৰ ক্ষেত্ৰত এই শিশুসকলৰ সুবিধাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিব লাগে।
- এই শিশুসকলৰ পাৰদৰ্শিতাৰ পৰিমাপৰ ক্ষেত্ৰত, বিশেষভাৱে নম্বৰ আৰু গ্ৰেড প্ৰদানৰ সময়ত তেওঁলোকৰ প্ৰতিবন্ধকতাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিব লাগে। উদাহৰণ স্বৰূপে, তেওঁলোকৰ যদি লিখাৰ ক্ষেত্ৰত অসুবিধা থাকে তেন্তে তেওঁলোকক অধিক সময় প্ৰদান কৰিব লাগে আৰু প্ৰয়োজন সাপেক্ষে মৌখিক পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগে। বিশেষ পৰিস্থিতিত তেওঁলোকৰ মৌখিক উত্তৰ ৰেকৰ্ড কৰাৰ ব্যৱস্থা কৰিব পৰা যায়।

  দৃষ্টি সম্পৰ্কীয় প্ৰতিবন্ধকতা ঃ এই শিশুসকল সহজেই চিনাক্ত কৰিব পৰা যায় এই শিশুসকলে আংশিকভাবেহে দেখা পায়। ইয়াৰে কিছু সংখ্যকৰ দৃষ্টি সম্পৰ্কীয় সমস্যা চচ্‌মাৰ দ্বাৰা ঠিক কৰিব পৰা যায়। কিছুমানে কেৱল ডাঙৰ আখৰহে পঢ়িব পাৰে আৰু আন কিছুমানে বিবৰ্ধক আইনাৰ সাহাৰ্যতহে পঢ়িব পাৰে। কিছুমান শিশুৰ আকৌ দৃষ্টিৰ ক্ষেত্ৰ অধিক সীমাবদ্ধ হয়। এই শিশুসকল চিনাক্ত কৰণ কৰি চিকিৎসকৰ ওচৰলৈ পৰীক্ষাৰ বাবে পঠাব লাগে আৰু পিতৃ-মাতৃক এই বিষয়ে অৱগত কৰিব লাগে। ইয়াৰ লগতে তেওঁলোকৰ শিক্ষাৰ ক্ষেত্ৰত তলত উল্লেখ কৰা ব্যৱস্থা সমূহ গ্ৰহণ কৰিব লাগে।
- আপুনি এই শিশুসকলক শ্ৰেণীত প্ৰথম শাৰীত বহুৱাব লাগে যাতে, তেওঁলোকে বোৰ্ডত লিখা বিষয়সমূহ কোনো অসুবিধা নোহোৱাকৈ লিখিব পাৰে।

টোকা

- আপুনি লিখা আখৰবোৰ ডাঙৰ ডাঙৰ হ'ব লাগে আৰু আপুনি লিখোতে লিখা কথাবোৰ মুখেৰে ডাঙৰকৈ কৈ যাব লাগে।
- এই শিশুসকলৰ ওপৰত পঠনৰ বোজা কমাবৰ বাবে তেওঁলোকক শ্ৰেণীত বিষয়বস্তু ভালদৰে শুনি বুজাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব লাগে। তেওঁলোকক ৰেডিঅ'ত প্ৰচাৰিত শিক্ষা বিষয়াক বিষয়সমূহৰ সময়সূচী বিষয়ে জনাব লাগে আৰু এইবোৰ শুনিবলৈ উৎসাহিত কৰিব লাগে। উপলব্ধতা বা সুবিধা অনুযায়ী শ্ৰব্য কেচেট ব্যৱহাৰ কৰিব পৰা যায়।
- এই শিশুসকলক বিশেষ ভাবে শাৰীৰিক শিক্ষাত অংশ গ্ৰহণৰ সুযোগ প্ৰদান কৰিব লাগে। আংশিক দৃষ্টিযুক্ত সিশুসকলৰ বাবে কিতাপৰ ষ্টেণ্ডৰ ব্যৱহাৰ কৰিব পৰা যায়।

শ্ৰৱণ আৰু বাক প্ৰতিবন্ধকতাযুক্ত শিশুসকলৰ শিক্ষা ঃ কিছুমান শিশুৰ শ্ৰৱণ সম্পৰ্কীয় আৰু কিছুমানৰ বাক বা কথনৰ ক্ষেত্ৰত অসুবিধা থকা দেখা যায়। সাধাৰণতে শ্ৰৱণ সম্পৰ্কীয় অসুবিধাযুক্ত শিশুসকলে বাক বা কথন সমস্যাতো ভোগে। সেইবাবে এই শিশুসকলক চিনাক্ত কৰি এওঁলোকৰ বিশেষ শৈক্ষিক চাহিদা সমূহ বুজাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত।

- শ্ৰৱণ সম্পৰ্কীয় সমস্যাযুক্ত শিশুসকলক শ্ৰেণীত প্ৰথম শাৰীত বহুৱাব লাগে, যাতে আপুনি কোৱা কথাবোৰ এওঁলোকে সহজে শুনিব পাৰে।

- আপুনি কথা কওঁতে উপযুক্ত স্বৰত ক'ব লাগে। অস্ফুট আৰু অতি খৰকৈ কথা কব নালাগে।

  - পাঠ্যপুথি পঢ়োতে বা কোনো মডেল প্ৰদৰ্শন কৰোতে আপোনাৰ ওঠৰ সঞ্চালন যাতে এই শিশুসকলে দেখিবলৈ পাই তাক আপুনি নিশ্চিত কৰিব লাগে। কাৰণ এই ওঠৰ সঞ্চালনৰ প্ৰত্যক্ষ কৰণে তেওঁলোকৰ শুনা কাৰ্যত পৰিপুৰক হিচাবে ক্ৰিয়া কৰে।
- সেইবাবেই বোৰ্ডত লিখাৰ সময়ত মুখেৰে কোৱা কথাবোৰ বোৰ্ডৰ ফালে মুখ কৰি কব নালাগে। এই একেকাৰণতে কথা কোৱাৰ সময়ত আপুনি ইফালে-সিফালে যোৱাটো বৰ্জন কৰিব লাগে।
- সমনীয়া সকলক এই শিশুসকলৰ লগত আন্তঃক্ৰিয়া কৰাত আৰু এজনে আন জনক শুনাত সহায় কৰাত উৎসাহ যোগাব লাগে।
- শিক্ষাদান কাৰ্যত সহায় কৰিব বাবে ব্যক্তিগতভাৱে বা দলীয় ভাৱে কিছুমান

অতিৰিক্ত দৃশ্য সামগ্ৰী ব্যৱহাৰ কৰিব লাগে।

- যদি বাক বা কথন জনিত সমস্যাৰ ক্ষেত্ৰত কোনো বাক ব্যৱস্থাৰ পথত জড়িত আংগিক বিসংগতি জড়িত হৈ থাকে, তেন্তে চিকিৎসকলৰ দ্বাৰা পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগে। শ্ৰৱণজনিত সমস্যাৰ বাবে উদ্ভৱ হোৱা কথন সমস্যাৰ নিৰাময়ৰ বাবে কাক অনুশীলন দ্বাৰা বাক প্ৰশিক্ষনৰ ব্যৱস্থা কৰিব লাগে।

**শিকন অক্ষমতা যুক্ত শিশুৰ শিক্ষা ঃ**

বিশেষ শিকন অক্ষমতা যুক্ত এই শিশুসকলক চিনাক্ত কৰিবৰ বাবে বিশেষ প্ৰশিক্ষনৰ প্ৰয়োজন হয় আৰ এওঁলোকৰ অক্ষমতাৰ প্ৰকাৰ আৰু মাত্ৰা অনুযায়ী উপযুক্ত শৈক্ষিক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সেয়ে হ'লেও এই শিশুসকলক সহায় কৰিবৰ বাবে তলত উল্লেখ কৰা সাধাৰণ আৰু ব্যৱহাৰিক ব্যৱস্থা সমূহ গ্ৰহণ কৰিব পৰা যায়।

- এই শিশুসকল আপুনি অধিক মূৰ্ত্ত অভিজ্ঞতা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে— এই অভিজ্ঞতা সমূহ বা বিশেষভাৱে নিৰ্মিত মানদণ্ডযুক্ত সামগ্ৰী উপলব্ধ হ'লে ইয়াক ব্যৱহাৰ কৰি প্ৰদান কৰিব পৰা যায়। অন্যথা স্থানীয় পৰিবেশৰ পৰা প্ৰত্যক্ষ অভিজ্ঞতা আহৰণৰ বাবে ক্ষেত্ৰভিত্তিক ভ্ৰমণৰ ব্যৱস্থা কৰিব পৰা যায়।
- এই শিশুসকলক অন্যান্য সাধাৰণ শিশুৰ তুলনাত অধিক পুনৰাবৃত্তিৰ আৰু অনুশীলনৰ প্ৰয়োজন হয়।
- শিকন কাৰ্যসমূহ সৰু সৰু পৰ্যায়ৰ মাধ্যমেৰে প্ৰদান কৰিব লাগে আৰু শিকন কাৰ্যৰ গুৰুত্বপূৰ্ণ দিশ সমূহৰ প্ৰতি তেওঁলোকৰ মনোযোগ আকৰ্যনৰ ব্যৱস্থা কৰিব লাগে, কাৰণ সাধাৰণতে এই শিশুসকলৰ মনোযোগৰ পৰিসৰ তুলনামূলক ভাৱে কম হয়।
- এই শিশুসকলক শিকন কাৰ্যত নিয়োজিত হৈ থকাৰ সময়ত তেওঁলোকক কৃতকাৰ্যতাৰ অভিজ্ঞতাৰ আশ্বাস প্ৰদানৰ বাবে কিছুমান সহজ প্ৰশ্ন সুধিব লাগে।
- এই শিশুসকলৰ শিক্ষাৰ ক্ষেত্ৰত মৌখিক বা বস্তুগত ৰূপত শক্তিদায়ক উদ্দীপনা সৃষ্টিৰ বাবে দ্বাৰা তৎকালীন পুৰস্কাৰ প্ৰদান কৰাটো এক লক্ষনীয় দিশ।

টোকা

- এই শিশুসকলক সামাজিক পৰিবেশত যোগাযোগ স্থাপনৰ কৌশলৰ ক্ষেত্ৰত প্ৰশিক্ষনৰ ব্যৱস্থা কৰিব লাগে।

  - সহজ আৰু মনোগ্ৰাহী শিকন অভিজ্ঞতাৰ ভিত্তিত এই শিশুসকলক পাঠ্যক্ৰমৰ বিষয়বস্তু প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

- সৰ্বশিক্ষা অভিযান (SSA) আৰু শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন (RCFCE) ৰ প্ৰৰিপ্ৰেক্ষিতত অন্তৰ্ভূক্তি শিক্ষা ঃ

সৰ্বশিক্ষা অভিযানৰ এক গুৰুত্বপূৰ্ণ দিশ হৈছে অন্তৰ্ভূক্ত শিক্ষাৰ যোগেদি সকলো বিশেষ চাহিদাযুক্ত শিশুকেই সাধাৰণ বিদ্যালয় শিক্ষাগ্ৰহণৰ সুযোগ প্ৰদান কৰা। সৰ্বশিক্ষা অভিযানে সকলো বিশেষ চাহিদাযুক্ত শিশুকে তেওঁলোকৰ বিশেষ চাহিদাৰ প্ৰকৃতি, শ্ৰেণী আৰু প্ৰতিবন্ধকতাৰ মাত্ৰা নিৰ্বিশেষে গুণগত অন্তৰ্ভূক্তি শিক্ষাৰ সুবিধা প্ৰদান কৰি স্বাভাৱিক শিশুসকলৰ লগত সাধাৰণ বিদ্যালয়ত শিক্ষা গ্ৰহণৰ সুযোগ নিশ্চিত কৰিছে। ইয়াত এই বিশেষ চাহিদামুক্ত শিশুসকলৰ শিক্ষাৰ বাবে সাহাৰ্য কৰিবৰ বাবে বহল পৰিসৰৰ বিভিন্ন ব্যৱস্থা আৰু বিকল্প কৌশলৰ ব্যৱস্থা কৰা হৈছে। ইয়াত বিদ্যালয় শিক্ষাৰ বাবে প্ৰস্তুত কৰণৰল বাবে বিশেষ প্ৰশিক্ষন প্ৰদান, বিশেষ বিদ্যালয়ৰ যোগেদি শিক্ষা, ঘৰুৱা বিদ্যালয় আৰু সমাজ ভিত্তিক পুনঃসংস্থাপনৰ ব্যৱস্থা (CBR) ইত্যাদি অন্তৰ্ভূক্ত কৰা হৈছে। ইয়াৰ মূল উদ্দেশ্য হৈছে এই CWSN সকলক চুবুৰীয়া বিদ্যালয়ত অন্তৰ্ভূক্ত কৰি মূল সুতিলৈ অনা।

**মূল্যায়ন 4 ঃ** বিশেষ চাহিদাযুক্ত শিশুসকলৰ বাবে অন্তৰ্ভূক্তি শিক্ষা প্ৰদানৰ সম্পৰ্কত দুটা কাৰণ দৰ্শোৱা।

**মূল্যায়ন 5 ঃ** আংশিক ভাৱে দৰ্শন আৰু শ্ৰৱণ প্ৰতিবন্ধকতাযুক্ত শিশুক শ্ৰেণী শিক্ষাত সহায় কৰিবৰ বাবে গ্ৰহণ কৰিব লগীয়া দুটা ব্যৱস্থা উল্লেখ কৰা।

সামাজিক-সাংস্কৃতিক পটভূমিৰ পৰিপ্ৰেক্ষিতত জন-জাতিয় সম্প্ৰদায়ৰ **শিশুসকলৰ শিক্ষা ঃ**

বঞ্চিত শিক্ষাৰ্থী সকলৰ ভিতৰত অনুসূচীত জন-জাতিয় সম্প্ৰদায়ৰ শিশুসকলে তেওঁলোকৰ সামাজিক, গোষ্ঠিগত, অৰ্থনৈতিক আৰু সাংস্কৃতিক পাৰ্থক্যৰ বাবে অনেক অসুবিধাৰ সন্মুখীন হয়। এই অংশত এই শিশু সকলৰ শিক্ষাৰ ক্ষেত্ৰত জড়িত বিভিন্ন সমস্যা সমূহৰ বিষয়ে আলোচনা কৰা হ'ল।

### 10.4.1 ঃ সমস্যাসমূহ ঃ

স্বাধীনতা লাভৰ সময়ৰ পৰাই জন-জাতিয় লোক সকলৰ সাৰ্বিক বিকাশ সাধন কৰি মূল সুতিলৈ আনিবৰ বাবে বিভিন্ন প্ৰচেষ্টা হাতত লোৱা হৈছে। কিন্তু আজিওঁ জনজাতিয় লোক সকলৰ সমস্যা সমূহ সমস্যা হৈয়ে আছে।এইখিনিতে আমি জনজাতিয় শিশুসকলৰ শিক্ষাৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা বিশেষ সমস্যা সমূহ বিচাৰ কৰি চাওঁ আহক।

- <u>নিম্ন সাক্ষৰতাৰ হাৰ ঃ</u> ভাৰতৰ ২০০১ ৰ লোকপিয় অনুযায়ী জনজাতিয় লোকসকলৰ সাক্ষৰতাৰ হাৰ নিম্ন আৰু এই ক্ষেত্ৰত জনাজাতীয় ছোৱালী সকলৰ অৱস্থা অধিক পুতৌজনক।
- নিম্ন হাৰৰ নামভৰ্ত্তি কৰণ আৰু উচ্চ হাৰৰ বিদ্যালয় বৰ্জন ঃ অন্যান্য সম্প্ৰদায়ৰ তুলনাত বিদ্যালয়ত জনজাতিয় শিশুসকলৰ নামভৰ্তিৰ হাৰ নিম্ন। আনহাতেদি আধাতকৈয়ো অধিক জনজাতিয় শিশুৱে বিদ্যালয়ত নামভৰ্তি কৰাৰ পিছত প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰাকৈয়ে বিদ্যালয় বৰ্জন কৰি তেওঁলোকৰ শিক্ষা সমাপ্ত কৰে।
- বোধগম্যতাৰ মাত্ৰাৰ নিম্নমানঃ সাধাৰণতে বিদ্যালয়ত ব্যৱহৃত ভাষা জনজাতিয় শিশু সকলৰ ঘৰত ব্যৱহাৰ কৰা ভাষাতকৈ সম্পূৰ্ণ পৃথক হোৱা বাবে এই শিশুসকল শ্ৰেণীকক্ষৰ কাৰ্য সম্পাদনত আৰু পাঠ্যপুথিত ব্যৱহৃত ভাষা বুজিবলৈ টান পায়। ইয়াৰ ফলত তেওঁলোকে কোনো কথা শুনি আৰু পঢ়ি বুজিপোৱাৰ ক্ষেত্ৰত নিম্ন পৰ্যায়ৰ ফল প্ৰদৰ্শন কৰে এওঁলোকৰ আনৰ লগত যোগাযোগ স্থাপনৰ ক্ষমতাও সন্তোষ জনক নহয়।
- শৈক্ষিক পাৰদৰ্শিতাৰ নিম্ন মানঃ জনজাতিয় শিশুসকলৰ ক্ষেত্ৰত চলোৱা প্ৰায়বিলাক জৰীপতেই এইটো কথা প্ৰতিফলিত হৈছে যে জনজাতিয় শিশুসকলৰ, বিশেষভাৱে ছোৱালী সকলৰ শৈক্ষিক পাৰদৰ্শিতাৰ হাৰৰ মাত্ৰা নিম্ন পৰ্যায়ৰ। জনজাতীয় শিশুসকলে বিভিন্ন বিষয়ভিত্তিক ক্ষেত্ৰতেই কম নম্বৰ নাপায়, তেওঁলোকে বিভিন্ন জীৱনশৈলী সমূহৰ আয়ত্বকৰণৰ ক্ষেত্ৰতো অকৃতকাৰ্য হয়।
- অকৃতকাৰ্যতাৰ অভিজ্ঞতা আৰু নিম্ন আত্মমৰ্যদা বোধ ঃ বিদ্যালয়ত বাৰে বাৰে অকৃতকাৰ্য হোৱা ফলত এই শিশুসকলৰ আত্ম বিশ্বাস আৰু আত্মমৰ্যদাবোধ হ্ৰাস পাবলৈ ধৰে।

টোকা

- ছোৱালীক অধিক বঞ্চিতকৰণ ঃ জনজাতিয় ছোৱালী সকল অধিক বঞ্চিত হয়। তেওঁলোকে বিভিন্ন ঘৰুৱা কামৰ লগতে ঘৰত তেওঁলোকৰ সৰু ভাই-ভনী সকলৰ যত্ন লব লগা হয়।

**কাৰ্যাৱলী ঃ 4**

আপোনাৰ ৰাজ্যৰ জনজাতিয় শিশুসকলৰ নিম্ন সাক্ষৰতা হাৰ, উচ্চ হাৰৰ অপচয় আৰু নিম্ন আত্ম মৰ্যদাবোধৰ সাম্ভাব্য কাৰণ সমূহৰ এখন তালিকা প্ৰস্তুত কৰক।

শিক্ষাৰ ক্ষেত্ৰত জনজাতিয় শিশুসকলৰ নিম্ন মানদণ্ডৰ বিভিন্ন কাৰণ সমূহৰ ভিতৰত কেইটামান মুখ্য কাৰণ হৈছে—

- পৰিয়ালৰ সচেতনতা আৰু সাহাৰ্যৰ অভাৱ ঃ জনজাতিয় শিশুসকলৰ অধিকাংশ শিশুৱেই প্ৰথম প্ৰজন্মৰ শিকাৰু হিচাবে বিদ্যালয়ত নামভৰ্ত্তি কৰে। ইয়াৰ অৰ্থ হৈছে পৰিয়ালত এই শিশুসকলতকৈ ডাঙৰ কোনো ব্যক্তি বিদ্যালয়লৈ যোৱা নাই। ইয়াৰ ফলত তেওঁলোক অশিক্ষিত। এওঁলোকে দুৰৱৰ্তী আৰু বিচ্ছিন্ন অঞ্চলত বাস কৰে। গতিকে এওঁলোক বিদ্যালয় শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে মুঠেই সচেতন নহয় আৰু বিদ্যালয়ৰ কাৰ্যৰ ক্ষেত্ৰত শিশু সকলক কোনো সহায় কৰিব নোৱাৰে। অধিকাংশ ক্ষেত্ৰত শিশুৰ শিক্ষাৰ বিষয়ত এওঁলোক আগ্ৰহহীন হোৱা দেখা যায়। আনহাতেদি যিসকলে আজিকালি শিক্ষাৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰে তেওঁলোকে নিজৰ শিশুক শিক্ষাৰ ক্ষেত্ৰত উপযুক্ত সাহাৰ্য্য প্ৰদান অথবা নিৰ্দেশনা প্ৰদানত অসমৰ্থ।
- পৰিয়ালৰ অত্যাধিক দৰিদ্ৰতা ঃ জনজাতিয় শিশু সকল বিদ্যালয়ত অনিয়মিত উপস্থিতিৰ আন এটা প্ৰধান কাৰণ হ'ল পৰিয়ালৰ অত্যাধিক দৰিদ্ৰতা। পৰিয়ালৰ বাবে সাধাৰণতে উপাৰ্জন মূলক কামত জড়িত হব লগা হোৱা বাবে এই শিশু সকলে বিনামূলীয়া পাঠ্যপুথি বিদ্যালয়ৰ ইউনিফৰ্ম, লিখা পঢ়াৰ সামগ্ৰী, নিৰ্ধাৰিত অঞ্চলত হোষ্টেলৰ সুবিধা আৰু বৃত্তি ইত্যাদি লাভ কৰা স্বত্তেও নিয়মীয়াকৈ বিদ্যালয়লৈ আহিব নোৱাৰে। আগতে উল্লেখ কৰা হৈছে যে ছোৱালীসকলে এই ক্ষেত্ৰত নিজৰ ভাই-ভনীৰ যত্ন লোৱা আৰু ঘৰুৱা কামত নিয়োজিত হব লগা হয়।
- বিদ্যালয়ৰ সুবিধাৰ অপৰ্যাপ্ততা ঃ সাধাৰণতে জনজাতিয় অঞ্চল সমূহ পাতল জনবসতিপূৰ্ণ, বিক্ষিপ্ত আৰু ভৌগলিক দিশৰ পৰা সংকটপূৰ্ণ। এই ক্ষেত্ৰত

প্ৰকৃতিক বাধা-বিঘিনী অতিক্ৰম কৰি চৰকাৰী চতৰ্ত অনুযায়ী বাসস্থান এক কিলোমিটাৰ দুৰত্বত স্থাপন কৰা নিকটবৰ্ত্তী বিদ্যালয়লৈ শিশু সকল অহা যোৱা কৰাটো অতি অসুবিধা জনক। বিক্ষিপ্ত জনসংখ্যাযুক্ত অঞ্চল সমূহত ৪ টা বা ৬ টা শিশুৰ বাবে একোখন বিদ্যালয় স্থাপন কৰাটোও যুক্তিকৰ আৰু সম্ভৱপৰ হ'ব নোৱাৰে।

- অপৰ্যাপ্ত আৰু অনিয়মীয়া শিক্ষক ঃ যাতায়তৰ অসুবিধা, প্ৰাকৃতিক বাধা আৰু থকা-মেলাৰ নুন্যতম সা-সুবিধাৰ অভাৱৰ পৰিপ্ৰেক্ষিতত এই অঞ্চল সমূহত বাহিৰৰ পৰা যোৱা কোনো শিক্ষকৰ বাবে নিয়মীয়াকৈ বিদ্যালয়ত উপস্থিত থকাটো অসুবিধাজনক হৈ উঠে। অতি সংকটপূৰ্ণ, বিচ্ছিন্ন জনজাতিয় অঞ্চল সমূহত কাম কৰা শিক্ষক সকলে শিক্ষকতাৰ প্ৰতি উপযুক্ত প্ৰেৰণা লাভ কৰিব নোৱাৰে আৰু স্বাভাৱিকভাৱেই তেওঁলোকৰ কামৰ প্ৰতি আগ্ৰহহীন আৰু উৎসাহহীন হৈ পৰে।

নিৰ্দেশনা দানৰ মাধ্যম হিচাবে মাতৃভাষাৰ (ঘৰুৱা ভাষা) সীতিত ব্যৱহাৰ/ব্যৱহাৰহীনতা ঃ ভাষা শিক্ষাৰ ক্ষেত্ৰত সৃষ্টি হোৱা ব্যৱধান সমূহ দূৰ কৰাৰ ক্ষেত্ৰত মাতৃভাষাৰ মাধ্যমত শিক্ষাদানৰ ব্যৱস্থাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। মাতৃভাষাত বুৎপত্তি থকা শিশুসকলে অন্যান্য ভাষাসমূহৰ শিক্ষাৰ ক্ষেত্ৰটো অধিত শৈক্ষিক পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয়। তলৰ চিত্ৰ নং-১ ত এই কথা সুন্দৰ ভাবে প্ৰতিফলিত হৈছে। আপুনি যদি চিত্ৰত থকা দুয়োখন দলং তুলনা কৰে তেন্তে আপুনি দেখিবলৈ পাব যে দুয়োখন দলঙৰ এখন শক্তিশালী আৰু আনখন দুৰ্বল। এই পাৰ্থক্যৰ কাৰণ হৈছে শিক্ষন-শিকন প্ৰক্ৰিয়াত আৰু পাঠ্যপুথিত মাতৃভাষাৰ ব্যৱহাৰৰ অভাৱ। কিন্তু ন-শিকাৰু সকলৰ বাবে মাতৃভাষাৰ এক সবল ভেঁটি কিয় প্ৰয়োজন হয়?

আমি জানো যে শিশুসকলৰ প্ৰাৰম্ভিক শিক্ষাৰ মাতৃভাষাৰ মাধ্যমত প্ৰদান কৰিলে মাতৃভাষা আৰু তেওঁলোকৰ ধাৰণা শিকণৰ ভেটি দৃঢ় হয়। এইক্ষেত্ৰত এই কথা পৰ্যবেক্ষন কৰা হৈছে যে -

— শিশুৰ এক পৰিচিত বিষয়ৰ পৰা শিক্ষাদান আৰম্ভ কৰিলে শিশুৱে সহজে শিকিব পাৰে।

— শিশুৱে নিজে বুজা আৰু ক'ব পৰা ভাষাৰ মাধ্যমেৰে শিকিলে শিক্ষনীয় বিষয় সহজে শিকিব পাৰে।

টোকা

— পৰিচিত ভাষাত লিখা আৰু পঢ়া সহজ হয়।

— বিভিন্ন ধাৰণা সমূহ মাতৃভাষাৰ মাধ্যমত সহজে বুজিব পৰা যায়।

— মাতৃভাষাৰ ভেঁটি সুদৃঢ় হ'লে দ্বিতীয় ভাষাটো সহজে শিকিব পৰা যায়।

— স্থানীয় বা দেশীয় জ্ঞান দেশীয় বা স্থানীয় ভাষাৰ যোগেদি ভালদৰে আয়ত্ব কৰিব পৰা যায়।

— যি সকল শিশুৰ নিজৰ মাতৃভাষাৰ ভেটি সুদৃঢ় সেইসকল শিশুৰ অন্যান্য ভাষাৰ ক্ষেত্ৰটো ভাষিক ক্ষমতা সবল হয়।

— মাতৃভাষাৰ মাধ্যমেৰে আয়ত্ব কৰা জ্ঞান আৰু কৌশল সমূহ দ্বিতীয় ভাষালৈ সহজে স্থানান্তৰ হয়।

## চিত্ৰ - ১ ঃ ভাষা আৰু শিশু

গতিকে শিশুসকলক কেৱল দ্বিতীয় ভাষাৰ মাধ্যমেৰে শিকালে কি পৰিণতি হ'ব পাৰে?

আপুনি নিজৰ ক্ষেত্ৰতেই এটা পৰিস্থিতিৰ বিষয়ে অনুমান কৰক। ধৰক আপুনি এজন ছাত্ৰ হিচাবে বুৰঞ্জীৰ এটা শ্ৰেণীত উপস্থিত আছে আৰু আপোনাক আপোনাৰ বাবে সম্পূৰ্ণ অপৰিচিত চীনা ভাষাত পাঠদান কৰা হৈছে। এই ক্ষেত্ৰত আপোনাৰ অৱস্থা কি হ'ব? শিকোৱা কথাবোৰ আপুনি ভালদৰে আয়ত্ব কৰিব পাৰিবনে? যদি শিক্ষকে আপোনাৰ ভাষাটো বুজি নাপায় তেন্তে তেওঁৰ লগত আপোনাৰ আন্তঃক্ৰিয়া সম্ভৱ হ'বনে? এই একেই পৰিস্থিতি প্ৰাথমিক বিদ্যালয়ৰ জনজাতিয় শিশুৰ ক্ষেত্ৰতো উদ্ভৱ হয়, যেতিয়া তেওঁ বুজি নোপোৱা এটা ভাষাৰ যোগেদি শিক্ষকে তেওঁক পাঠদান কৰে। এই ক্ষেত্ৰত শিক্ষকে পঢ়োৱা বিষয়টোৰ প্ৰতি শিশুটো সম্পূৰ্ণ আগ্ৰহহীন হৈ পৰে। তেওঁলোকে একো নুবুজাকৈ শিক্ষকৰ মুখলৈ চাই থাকে আৰু ব্লেকবোৰ্ডৰ পৰা মাজে মাজে এটা দুটা আখৰ লিখে। তেওঁলোকে কোনো প্ৰশ্ন সুধিবৰ বাবেও শংকাবোধ কৰে। এটা সময়ত কব আৰু বুজিব নোৱাৰি তেওঁলোক সম্পূৰ্ণ হতাশ হৈ পৰে। এই ক্ষেত্ৰত যান্ত্ৰিক ভাৱে মুখস্থ কৰাৰ বাহিৰে এই শিশুসকলৰ বাবে আন কোনো বিকল্প নাথাকে। ফলত যান্ত্ৰিক ভাৱে মুখস্থ কৰিব নোৱাৰা শিশু সকলে বিদ্যালয় পৰিত্যাগ কৰিবলৈ বাধ্য হয়। সেইবাবে কোৱা হয় যে দ্বিতীয় ভাষা এটাৰ লগত উপযুক্ত ভাৱে পৰিচিত নোহোৱা পৰ্যন্ত ইয়াক শিক্ষাৰ মাধ্যম হিচাবে ব্যৱহাৰ কৰা উচিত নহয়।

- <u>শিক্ষন-শিখন প্ৰক্ৰিয়াত স্থানীয় জ্ঞান আৰু সামাজিক সাংস্কৃতিক পটভূমিৰ নুন্যতম ব্যৱহাৰ বা ব্যৱহাৰহীনতা</u> ঃ জনজাতিয় শিশুসকলে এক সক্ৰিয় পৰিৱেশত বাস কৰে আৰু তেওঁলোকে বাসস্থানৰ চাৰিওফালে এক সম্পদশালী প্ৰাকৃতিক আৰু সাংস্কৃতিক পৰিবেশৰ লগত ক্ৰিয়া প্ৰতিক্ৰিয়াকৰাৰ সুযোগ লাভ কৰে। তেওঁলোকে তেওঁলোকৰ প্ৰাকৃতিক আৰু সামাজিক পৰিবেশৰ লগত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ যোগেদি ভিন্নমূখী অভিজ্ঞতা আহৰণ কৰে। ইয়াৰ ভিত্তিত তেওঁলোকে পাঠ্যপুথিৰ সীমাবদ্ধ অভিজ্ঞতাৰ বাহিৰত অতিৰিক্ত ভাবে অনেক অভিজ্ঞতা লাভ কৰে। অভিজ্ঞতাৰ ভিত্তিত এইটো নিশ্চিত কৰা হৈছে যে, যেতিয়া এই শিশুসকলে তেওঁলোকৰ নিজৰ উৎসৱ, গীত-নৃত্য, ছবি, স্থানীয় মেলা ইত্যাদিৰ বিষয়ে পাঠ্যপুথিত আৰু বা শিক্ষন-শিকন প্ৰক্ৰিয়াক সন্নিবিষ্ট কৰা দেখিবলৈ পাই তেতিয়া এওঁলোকে আনন্দ লাভ কৰে। ইয়াৰ ফলত তেওঁলোকে তেওঁলোকৰ পৰিবেশৰ গুৰুত্ব অৰ্থপূৰ্ণভাৱে উপলব্ধি কৰিব পাৰে। কিন্তু দুৰ্ভাগ্য বশতঃ এই জনজাতিয় শিশুসকলে প্ৰচলিত বিদ্যালয় ব্যৱস্থাত ইয়াৰ সুযোগ পোৱা দেখা নাযায়। তেওঁলোকে এনেধৰণৰ পাঠ্যপুথি পঢ়িব লাগে যিবোৰত স্থানীয় পৰিবেশ আৰু সংস্কৃতিৰ লগত সম্পৰ্ক ৰাখি বিষয়বস্তু, ধাৰণা আৰু উদাহৰণ সমূহ উপস্থাপন কৰা নহয়।

**মূল্যায়ন 6 ঃ ন-শিকাৰু সকলৰ বাবে মাতৃবাষাৰ গুৰুত্ব সম্পৰ্কে চাৰিটা কাৰণ উল্লেখ কৰা।**

**10.4.2.** ঃ শিক্ষাদান সংক্ৰান্ত সমস্যাৰ সমাধানৰ ঃ

ওপৰত আলোচনা কৰা সমস্যাসমূহৰ সমাধান কৰিবৰ বাবে গ্ৰহণ কৰিবলগীয়া কেইটামান ব্যৱস্থা তলত উল্লেখ কৰা হ'ল ঃ-

- মাতৃভাষাক মাধ্যম হিচাবে ব্যৱহাৰ কৰা ঃ আগতে উল্লেখ কৰাৰ দৰেই কেৱল মাতৃভাষাৰ লগত পৰিচিত থকা ৫-৬ বছৰীয়া এটি শিশুক তেওঁৰ অপৰিচিত ভাষা এটাৰ মাধ্যমেৰে পাঠদান কৰিলে তেওঁ কোনো কথাই বুজিব নোৱাৰিব। উদাহৰণ স্বৰূপে প্ৰথম শ্ৰেণীত পঢ়া শান্তালিয়ে ঘৰ বুলিলে বুজিব পাৰে কিন্তু 'House' বুলিলে বুজি নাপায়, 'ছাগলী' বুলিলে বুজি পায় কিন্তু 'Goat' বুলিলে বুজি নাপায়। তেওঁক নিজৰ 'ঘৰৰ' বিষয়ে ৫-১০ টা বাক্য লিখিবলৈ দিলে মাতৃভাষাত অনায়াসে লিখিব পাৰিব কিন্তু আন ভাষাত এটা বাক্যও লিখা কঠিন হৈ পৰে।

টোকা

গতিকে মাতৃভাষাক (ঘৰুৱা ভাষা) মাধ্যম হিচাবে ব্যৱহাৰ কৰিলে এটা শিশুৰ বাবে কেৱল বিভিন্ন ধাৰণা সমূহ বুজি পোৱাটোৱেই সহজ নহয়, ই তেওঁৰ আত্মবিশ্বাস বৃদ্ধিটো সহায় কৰে।

- স্থানীয় জ্ঞানসমূহ শিক্ষন-শিকন প্ৰক্ৰিয়াৰ লগত সংযুক্ত কৰণ ঃ কোনো পাঠ্যপুথিতেই কোনো এখন ৰাজ্যৰ সকলো অঞ্চলৰ স্থানীয় জ্ঞান সম্পূৰ্ণ ৰূপত সন্নিবিষ্ট কৰা সম্ভৱ নহয়। এই ক্ষেত্ৰত পাঠদানৰ সময়ত শিক্ষকেহে এই স্থানীয় জ্ঞান সমূহ পাঠ্যপুথিৰ প্ৰদত্ত জ্ঞানৰ লগত সম্পৰ্কিত কৰিব পাৰে। উদাহৰণ স্বৰূপে ঃ এজন শিক্ষকে গণিতৰ শ্ৰেণীত ‘পৰিমাপ একক’ ৰ বিষয়ে পাঠদান কৰিবলৈ যাওঁতে শিক্ষাৰ্থীসকলে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা বিভিন্ন জোখ যেনে ঃ ‘পোৱা’, এবেগেট, ‘হাত’ ইত্যাদিৰ উল্লেখেৰে পাঠ আৰম্ভ কৰি ইয়াৰ পিছত মানবিশিষ্ট এককৰ যেনে ঃ কিলো (Kg), কিলোমিটাৰ (Km), লিটাৰ ইত্যাদিৰ বিষয়ে আলোচনা কৰিব লাগে।
- শিক্ষন-শিকন প্ৰক্ৰিয়াত সামাজিক-সাংস্কৃতিক উপাদানৰ ব্যৱহাৰ ঃ এখন সমাজ বা একোটা সম্প্ৰদায়ৰ নিজস্ব জীৱন ধাৰণ প্ৰণালী, নিৰ্ধাৰিত সামাজিক মূল্যবোধ, সামাজিক ৰাজনৈতিক সংগঠন আৰু ধৰ্মীয় বিশ্বাস থাকে। তেওঁলোকৰ প্ৰত্যেকৰে খাদ্যাভাস, সাজ-পোছাক, আ-অলংকাৰ, খেতি-শিল্প ইত্যাদি ভিন ভিন। তেওঁলোকৰ জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত সুকীয়া সুকীয়া জ্ঞান আছে আৰু শিক্ষকে শিক্ষাৰ্থীৰ শিকন কাৰ্যৰ সহায়কাৰী হিচাবে এই জ্ঞান সমূহক মূল ভিত্তি হিচাবে ব্যৱহাৰ কৰিব পাৰে। এই সাংস্কৃতিক উপাদান সমূহৰ ওপৰত ভিত্তি কৰিয়েই অনেক জ্ঞান প্ৰদান কৰিব পৰা যায়।
- লোক সংস্কৃতিৰ লগত জড়িত সামগ্ৰীৰ ব্যৱহাৰ ঃ প্ৰত্যেক সম্প্ৰদায়ৰ নিজৰ লোক কাহিনী, গীত, চিত্ৰ, চিত্ৰকলা, ইত্যাদি থাকে। এই সম্পদ সমূহৰ শিকন সহায়ক সামগ্ৰী হিচাবে যথেষ্ট সম্ভাৱনীয়তা আছে। ইয়াৰ ব্যৱহাৰে শিক্ষাৰ্থীক অৰ্থপূৰ্ণ শিকন ফলশ্ৰুতি লাভত সহায় কৰাৰ লগতে, শিকন প্ৰক্ৰিয়াক আনন্দ দায়ক কৰি তোলে।
- সামাজিক-সাংস্কৃতিক জ্ঞানৰ লগত পাঠ্যপুথি সমূহ সম্পৰ্কিত কৰা ঃ ইয়াৰ অৰ্থ হৈছে সামাজিক-সাংস্কৃতিক উপাদান সমূহ পাঠ্যপুথিৰ পাঠ্যবিষয়ৰ লগত জড়িত কৰা। এইক্ষেত্ৰত শিশুসকলৰ অভিজ্ঞতাভিত্তিক শিকনৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যপুথি প্ৰস্তুত কৰিব পৰা যায়।

- **শিক্ষকে শিশুসকলৰ মাতৃভাষা শিকা ঃ** যদিও শ্ৰেণীৰ প্ৰতিজন শিশুৰ মাতৃবাষা শিকাতো এজন শিক্ষকৰ বাবে সম্ভৱ নহয়, তথাপি শিক্ষকে সিশুসকলৰ মাতৃভাষাটো কিছু পৰিমানে শিকিব পাৰিলে তেওঁৰ শিক্ষাদান কাৰ্য সহজ হৈ উঠে। এই ক্ষেত্ৰত শিক্ষক জনৰ সদিচ্ছা আৰু আন্তৰিকতা থাকিলে শিশুসকলৰ লগত অথবা সমাজৰ আন ব্যক্তি সকলৰ সাধাৰণ কথা-বাৰ্তা পাতিবলৈ তেওঁলোকৰ ভাষাটো কিছু পৰিমানে অনায়াসে শিকি ল'ব পাৰে।
- <u>সমাজ/সম্প্ৰদায়ৰ লোকৰ পৰা সাংস্কৃতিক জ্ঞান আয়ত্বকৰণ ঃ</u> শিক্ষাদানৰ ক্ষেত্ৰত এজন শিক্ষকে প্ৰথমেই শিশুৰ সামাজিক বা সম্প্ৰদায়িক বৈশিষ্ট্যৰ লগত পৰিচয় হ'ব লাগে। শিশুৰ সম্প্ৰদায় সমূহৰ নিৰ্ধাৰিত বৈশিষ্টসমূহৰ বিষয়ে জানিবৰ বাবে শিক্ষকৰ মনত আগ্ৰহৰ সৃষ্টি হ'লে আৰু ইয়াৰ লগত একাত্মবোধ উপলব্ধি কৰিব পাৰিলে তেওঁৰ বাবে এই কাম সহজেই সম্ভৱ হৈ উঠিব পাৰে। এই সম্পৰ্কে তেওঁ সমাজৰ লোক সকলৰ লগত কথা-বাৰ্তা পাতিব লাগে, বিভিন্ন সামাজিক সংস্কৃতিক উপাদানৰ বিষয়ে আলোচনা কৰিব লাগে আৰু বিভিন্ন উৎসৱ আদিত উপস্থিত থাকিবলৈ যত্ন কৰিব লাগে।
- <u>বিদ্যালয়ৰ কাৰ্যাৱলীত সমাজ জড়িত কৰা ঃ</u> এজন ভাল শিক্ষকে সদায় সামাজিক সম্পদ সমূহৰ উপযুক্ত ব্যৱহাৰত গুৰুত্ব প্ৰদান কৰে। বিদ্যালয়ৰ পৰিচালনা আৰু শ্ৰেণীকাৰ্যসমূহৰ লগত সমাজক জড়িতকৰণে শিক্ষাৰ্থীৰ শৈক্ষিক পাৰদৰ্শিতা বা কাম-কাজত এক ধনাত্মক প্ৰভাৱ পেলায়। এই ক্ষেত্ৰত স্থানীয় হস্ত-কলা, চিত্ৰ, গীত-মাত, কাহিনী, সাধু আৰু আন গ্ৰহনীয় দিশ সমূহৰ বিষয়ে শিশুসকলক শিকাবৰ বাবে স্থানীয় লোক সকলৰ সাহাৰ্য গ্ৰহণ কৰিব পৰা যায়।

গতিকে দেখা যায় যে মাতৃভাষাক (ঘৰুৱা ভাষাক) শিক্ষন-শিকন প্ৰক্ৰিয়াত শিক্ষাদানৰ মাধ্যম হিচাবে ব্যৱহাৰে শিশুৰ বৰ্ত্তমান আৰু ভৱিষ্যৎ শিকন সহায়কাৰী হিচাবে এক নিৰ্ধাৰণকাৰী ভূমিকা গ্ৰহণ কৰে।

**মূল্যায়ন 7 ঃ** আপোনাৰ বিদ্যালয়ৰ জনজাতীয় শিশুসকলে বিদ্যালয়ত সন্মূখীন হোৱা সমস্যা সমূহৰ সমাধানৰ বাবে চাৰিটা পৰামৰ্শ লিখা।

**সংক্ষেপে জানি থওঁ আহক ঃ**

- কিছুমান শিশু তেওঁলোকৰ সামাজিক-সাংস্কৃতিক পটভূমিৰ পৰিপ্ৰেক্ষিতত

টোকা

কিছুমান সুবিধাৰ পৰা বঞ্চিত হ'ব লগা হয়। কিছুমান শিশুৰ তেওঁলোকৰ দৈহিক আৰু শিকন জনিত অক্ষমতাৰ পৰিপ্ৰেক্ষিতত কিছুমান বিশেষ চাহিদাযুক্ত সাধাৰণতে ছোৱালী, সংখ্যালঘু সম্প্ৰদায়ৰ শিশুসকল, বিশেষ চাহিদাযুক্ত শিশুসকল হৈছে শ্ৰেণীকক্ষত বঞ্চিত শ্ৰেণীভুক্ত শিশুৰ কিছুমান বিশেষ ভাগ।

- গৃহ পৰিৱেশৰ সামাজিক-সাংস্কৃতিক পটভূমি আৰু বিদ্যালয় পৰিৱেশৰ মাজৰ সামঞ্জস্যহীনতাই হৈছে এই শিশুসকলৰ বঞ্চিতকৰণৰ মুখ্য কাৰণ।
- এই বঞ্চিত তালিকাযুক্ত শিশুসকলক অৰ্থপূৰ্ণ শিকনত সহায় কৰিবৰ বাবে স্থানীয় সামাজিক সাংস্কৃতিক পটভূমি আৰু জ্ঞানক পাঠ্যপুথি প্ৰদত্ত জ্ঞানৰ লগত মুক্ত কৰিব লাগে।
- সামাজিক গতিশীলতা, উপযুক্ত বৈষয়িক সা-সুবিধাৰ ব্যৱস্থাপন, বিদ্যালয়ত আৰু শ্ৰেণীত লিংগ বৈষম্যমূলক উপাদানৰ আৰু ব্যৱহাৰৰ দূৰীকৰণ, উপযুক্ত অভিৰোচনৰ ব্যৱস্থা কৰি বিদ্যালয়ত ছোৱালীসকলে সন্মুখীন হোৱা সমস্যাসমূহ দূৰ কৰিব পৰা যায়।
- ঘৰুৱা ভাষাত পঠন সামগ্ৰীৰ ব্যৱস্থা কৰণ আৰু ভাষা শিক্ষকৰ নিযুক্তি ভাষীক সংখ্যালঘু শিশুসকলৰ শিকনত সহায় কৰাৰ ক্ষেত্ৰত দুটা উল্লেখনীয় উপায়।
- ধৰ্মীয় সংস্থাৰ দ্বাৰা পৰিচালিত বিদ্যালয়সমূহৰ আধুনিকীকৰণ, বিদ্যালয়ৰ আৰু শ্ৰেণীৰ সকলো কাৰ্যসূচীত সকলো শিশুক দলীয় অংশগ্ৰহণত উৎসাহ প্ৰকাশ, পৃথকীকৰণৰ সৃষ্টিকাৰী উপাদানসমূহৰ দূৰীকৰণ, সহায়কাৰী শিকন সামগ্ৰী আৰু অভিৰোচন প্ৰদান ইত্যাদি ব্যৱস্থা গ্ৰহণে শ্ৰেণীকক্ষত বা বিদ্যালয়ত ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ কিছুসকলৰ সমস্যা দূৰকৰণত যথেষ্ট পৰিমাণে সহায় কৰিব পাৰে।
- বিশেষ চাহিদাযুক্ত শিশুসকল যেনে ঃ সঞ্চালনমূলক অক্ষমতা, দৰ্শন সমস্যাজনিত, শ্ৰৱণ সমস্যাজনিত, বৌদ্ধিক ক্ষমতাৰ নিম্নমানযুক্ত আৰু সমাযোজন ক্ষমতাৰ সীমাবদ্ধতা যুক্ত শিশুসকলক সাধাৰণ শ্ৰেণীকক্ষত চিনাক্ত কৰণৰ ক্ষেত্ৰত বিশেষ পদ্ধতি আৰু তেওঁলোকৰ শিকন কাৰ্যত সহায় কৰিবৰ বাবে বিশেষ ব্যৱস্থাৰ প্ৰয়োজন হয়।
- বিভিন্ন সামাজিক-সাংস্কৃতিক বিশেষত্বতাৰ বাহিৰেও জনজাতীয় শিশুসকলৰ ক্ষেত্ৰত সকলোতকৈ গুৰুত্বপূৰ্ণ সমস্যা হৈছে তেওঁলোকৰ ঘৰুৱা ভাষা আৰু বিদ্যালয়ৰ ভাষাৰ মাজৰ পাৰ্থক্য।
- জনজাতীয় শিশুসকলক সকলো বিষয়ৰ অৰ্থপূৰ্ণ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত বহুভাষিক শিক্ষা আঁচনি এক বহুমুখী সম্ভাৱনীয়তাপূৰ্ণ ব্যৱস্থা। এই ক্ষেত্ৰত

প্ৰথমে মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা প্ৰকাশ কৰি ক্ৰমান্বয়ে সাংস্কৃতিক পটভূমিৰ ক্ষেত্ৰত প্ৰাসংগিক সামগ্ৰী আৰু অভিজ্ঞতাৰ ভিত্তিত আন ভাষা শিকাব লাগে।

## ১০.৫ একক অন্তৰ অনুশীলন ঃ

১। সফল শ্ৰেণী শিকনৰ ক্ষেত্ৰত স্থানীয় বিশেষ পটভূমিৰ গুৰুত্ব কি?

২। CWSN সকলে শ্ৰেণীকক্ষত সন্মুখীন হোৱা সমস্যাসমূহ কি কি? শ্ৰেণীকক্ষত তেওঁলোকৰ শিকনত সহায় কৰিবৰ বাবে আপুনি কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব।

৩। ধৰি লোৱা হ'ল আপুনি এখন জনজাতীয় প্ৰধান অঞ্চলত শিক্ষকতা কৰে। আপোনাৰ শিশুসকলৰ মাতৃভাষাৰ জ্ঞান নাই। এই ক্ষেত্ৰত শিশুসকলৰ শিকনত সহায় কৰিবৰ বাবে আপুনি কেনেধৰণৰ কাৰ্যসূচীৰ সংগঠিত কৰিব।

## ১০.৪.৩ ঃ সামাজিক-সাংস্কৃতিক উপাদানৰ উপলব্ধি ঃ

আপুনি জনজাতীয় শিশুসকলৰ লগত বিশেষভাৱে বিদ্যালয় শিক্ষাৰ প্ৰাৰম্ভিক পৰ্যায়ত তেওঁলোকৰ মাতৃভাষাৰ মাধ্যমত পাৰস্পৰিক যোগাযোগ স্থাপন কৰিবলৈ সক্ষম হ'লে আৰু তেওঁলোকৰ পৰিৱেশ সামাজিক-সাংস্কৃতিক উপাদানসমূহৰ লগত যথাযথভাৱে পৰিচিত হ'বলৈ সক্ষম হ'লে আপুনি এই শিশুসকলক তেওঁলোকৰ শিকন কাৰ্যত উপযুক্তভাৱে সহায় কৰিব পাৰিব। নিঃসন্দেহে, এজন স্থানীয় শিক্ষকে (মাতৃভাষাৰ শিক্ষক) স্থানীয় সমাজৰ সামাজিক-সাংস্কৃতিক উপাদানসমূহ অতি সহজেই শ্ৰেণীকাৰ্যৰ লগত সম্পৰ্কিত কৰিব পাৰে। কিন্তু যেতিয়া এজন শিক্ষকৰ শিশুসকলৰ মাতৃভাষাৰ জ্ঞানৰ অভাৱ হয় আৰু শিশুসকলৰ সামাজিক সাংস্কৃতিক উপাদানসমূহৰ লগত পৰিচিত নহয় তেতিয়া শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ আন্তঃযোগাযোগৰ ক্ষেত্ৰত এক ব্যৱধানৰ সৃষ্টি হয়। ইয়াৰ ফলত শিক্ষকে ছাত্ৰক বুজাত আৰু ছাত্ৰই শিক্ষকসকলক অনুসৰণ কৰাত অসুবিধা হয়।

চিত্ৰ ১০.২ : ৩ বিভিন্ন সামাজিক-সাংস্কৃতিক উপাদানসমূহ সংক্ষেপে উপস্থাপন কৰা হ'ল—

টোকা




প্ৰথমতে, শিক্ষকে জনজাতীয় অঞ্চলৰ সামাজিক-সাংস্কৃতিক উপাদানসমূহৰ বিষয়ে উপলব্ধি কৰি আৰু উপলব্ধ সাংস্কৃতিক সম্পদসমূহ চিনাক্ত কৰি অতি সহজে কোনো অসুবিধা নোহোৱাকৈ শিক্ষণ-শিকন প্ৰক্ৰিয়াক প্ৰাসংগিক কৰি তুলিব পাৰে। ইয়াৰ বাবে শিক্ষকে নিজকে সমাজ জীৱনৰ এক অংশ হিচাবে গণ্য কৰিব লাগে।

এই ক্ষেত্ৰত আমি এটা উদাহৰণ বিচাৰ কৰি চাওঁ আহক। ধৰা হ'ল এজন শিক্ষকে পাঠ্যপুথিৰ 'খাদ্যৰ প্ৰকাৰ' পাঠদান কৰিব খুজিবা। এই ক্ষেত্ৰত তেওঁ কিতাপত উল্লেখ কৰা বিভিন্ন খাদ্যৰ পৰিবৰ্তে জনজাতীয় লোকসকলৰ খাদ্য আৰু খাদ্যাভাসৰ প্ৰসংগৰ উল্লেখৰেহে পাঠদান কৰিব লাগে। কাৰণ কিতাপত উল্লেখ কৰা খাদ্যসমূহ শিশুসকলে দৈনন্দিন জীৱনত গ্ৰহণ কৰা খাদ্যসমূহতকৈ পৃথক। গতিকে শিক্ষকৰ শিপাদাল কেৱল পাঠ্যপুথিৰ ক্ষেত্ৰতেই সীমাবদ্ধ হৈ থাকিব নালাগে। আন কথাত শিক্ষকে শিশুসকলৰ খাদ্য প্ৰকাৰ, খাদ্য আৰু স্বাস্থ্য ইত্যাদিৰ নিজস্ব অভিজ্ঞতাৰ ভিত্তিত পাঠ্যপুথিৰ জ্ঞান প্ৰদান কৰিব লাগে।

**কাৰ্যাৱলী ঃ** জনজাতীয় লোকসকলৰ নিজস্ব উৎসৱ-পাৰ্বন, খাদ্যাভাস, সাজ-পোছাক, আ-আলংকাৰ, ধৰ্মীয় বিশ্বাস আৰু সংস্কাৰ, স্বাস্থ্য আৰু স্বাস্থ্য ৰক্ষাৰ ৰীতি ইত্যাদি আছে। ইয়াৰ যিকোনো চাৰিটা উপাদান নিৰ্বাচন কৰি লওক আৰু জনজাতীয় শিশুসকলৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত ইয়াক কেনেকৈ সংযুক্ত কৰিব পাৰি উদাহৰণসহ ব্যাখ্যা কৰক-



**শিকন সহায়কাৰী লোক সামগ্ৰীসমূহ ঃ**

লোক কাহিনী আৰু লোক গীত প্ৰভৃতিৰ লোকসামগ্ৰীসমূহ সকলো শিশুৰ শিকনত সম্ভাৱনীয়তাপূৰ্ণ সহায়কাৰী হিচাবে ব্যৱহাৰ কৰিব পাৰি। এই ক্ষেত্ৰত জনজাতীয় সমাজসমূহত এই উপাদানসমূহৰ প্ৰচলন অধিক আৰু শিশুসকলো এইবোৰৰ প্ৰতি বিশেষ আগ্ৰহী। গতিকে জনজাতীয় শিশুসকলৰ ক্ষেত্ৰত শিকন সামগ্ৰী হিচাবে এই উপাদানসমূহৰ কাৰ্যকাৰিতা অধিক। লোক সামগ্ৰীসমূহ ভিন্ন প্ৰকৃতিৰ আৰু শ্ৰেণী শিকনৰ সাহায্যকাৰী হিচাবে এই উপাদানসমূহ বিভিন্ন ক্ষেত্ৰত প্ৰয়োগ কৰিব পৰা যায়। তলৰ চিত্ৰ নং ১০.৩-৩ বিভিন্ন প্ৰকাৰৰ লোক সামগ্ৰীৰ প্ৰকাৰ সমূহ দেখুওৱা হৈছে—




চিত্ৰ নং ১০.৩ : লোক সামগ্ৰীৰ বিভিন্ন প্ৰকাৰ

১০.৪. ৪ : বহুভাষিক শ্ৰেণীকক্ষৰ পৰিকল্পনা আৰু পৰিচালনা ঃ জনজাতীয় অঞ্চলৰ প্ৰতিটো শ্ৰেণীকক্ষই হৈছে বহুভাষিক শ্ৰেণীকক্ষ। সাধাৰণতে এই শ্ৰেণীসমূহত বিভিন্ন বিভিন্ন জনজাতীয় সম্প্ৰদায়ৰ ভিন ভিন মাতৃভাষাৰ শিশুৱে ৰাজ্যৰ দ্বাৰা নিৰ্ধাৰিত ভাষাৰ দ্বাৰ (বহুভাষিক পৰিস্থিতি) শিক্ষা গ্ৰহণ কৰে অথবা এক বিশেষ জনজাতীয় সম্প্ৰদায়ৰ পৰা অহা একে মাতৃভাষাৰ শিশুৱে ৰাজ্যৰ নিৰ্ধাৰিত ভাষাৰ মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰে (দ্বিভাষিক পৰিস্থিতি)। গতিকে দেখা যায় যে এই উভয় ক্ষেত্ৰত অৰ্থাৎ দ্বিভাষিক বা বহুভাষিক পৰিস্থিতিত শিশুসকলৰ মাতৃভাষাক উপেক্ষা কৰি ৰাজ্যত নিৰ্ধাৰিত ভাষাৰ মাধ্যমেৰেহে শ্ৰেণী কাৰ্য সম্পাদন কৰা হয়। শিশুৰ বিদ্যালয় শিক্ষাৰ প্ৰাৰম্ভিক পৰ্যায়ত  অৰ্থপূৰ্ণ শিক্ষা প্ৰদানৰ বাবে শিশুক প্ৰথমে মাতৃভাষাৰ মাধ্যমেৰে আৰু ক্ৰমান্বয়ে আন ভাষা শিকোৱাৰ ব্যৱস্থা কৰি শিক্ষা প্ৰদানৰ বাবে উৰিষ্যা আৰু অন্ধ্ৰপ্ৰদেশত সৰ্বশিক্ষা আঁচনিৰ অধীনত 'বহুভাষিক শিক্ষা আঁচনি' নামেৰে এখন আঁচনি জনজাতি প্ৰধান অঞ্চলৰ কিছুমান নিৰ্বাচিত

টোকা


বিদ্যালয়ত প্ৰয়োগ কৰা হৈছে।

'বহুভাষিক শিক্ষা' (MLE) আঁচনি এক ভাষা শিক্ষা আৰু সংজ্ঞানাত্মক বিকাশৰ বাবে নিৰ্ধাৰিত আঁচনি। এই আঁচনিৰ মুখ্য উদ্দেশ্যসমূহ হৈছে —

- প্ৰথম ভাষাত এক সুদৃঢ় ভেটি প্ৰস্তুত কৰা।
- কৃতকাৰ্যতাৰে এটা বা একাধিক ভাষাৰ মাজৰ ব্যৱধানসমূহ দূৰ কৰা।
- দুয়োটা/সকলো ভাষাকেই বিভিন্ন বিষয়ৰ সফল শিকনৰ বাবে প্ৰয়োগ কৰাৰ সামৰ্থ প্ৰদান কৰা।

ভাষা হৈছে সংস্কৃতি আৰু ঐতিহ্যৰ বাহক। গতিকে কোনো সংবেদনশীল ভাষা পাঠ্যক্ৰমেই ভাষা শিক্ষাৰ ক্ষেত্ৰত বা মাতৃভাষাৰ মাধ্যমেৰে আন বিষয়বোৰ শিকাৰ ক্ষেত্ৰত সাংস্কৃতিক পটভূমিক উপেক্ষা কৰিব নোৱাৰে। এই MLE এ আঁচনিৰ যোগেদি স্থানীয় সাংস্কৃতিক পটভূমিৰ পৰিপ্ৰেক্ষিতত পাঠ্যক্ৰম ৰচনা কৰি, স্থানীয় জ্ঞান আৰু আচাৰ-ব্যৱহাৰৰ মাধ্যমেৰে শিশুসকলক শিকনৰ সামগ্ৰিক ক্ষেত্ৰৰ সাধাৰণ ধাৰণা গঠন সহায় কৰিব বিচৰা হয়। গতিকে 'বলুভাষিক শিক্ষা আঁচনি'ৰ মুখ্য উদ্দেশ্য হৈছে শিশুসকলৰ সংজ্ঞানাত্মক আৰু বিচাৰ ক্ষমতাৰ উপযুক্ত বিকাশ সাধন কৰি শিশুসকলৰ জাতীয়, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় ভাষাসমূহৰ সমানে প্ৰয়োগ কৰাৰ দক্ষতা বৃদ্ধি কৰা। এই ক্ষেত্ৰত প্ৰথমে মাতৃভাষা (ঘৰুৱা ভাষা)ৰ মাধ্যমেৰে শিক্ষা আৰম্ভ কৰি পৰ্যায়ক্ৰমে দ্বিতীয় ভাষা আৰু আন ভাষাসমূহ শিকোৱাৰ ব্যৱস্থা কৰিব লাগে।

এটা বহুভাষিক শ্ৰেণীকক্ষৰ পৰিস্থিতিত বিভিন্ন মাতৃভাষাৰ শিশুৱে একেলগে শিক্ষা লাভ কৰে। তেওঁলোকে একে ঠাইতে বসবাস কৰিলেও এওঁএলাকৰ জীৱন ধাৰণাৰ প্ৰণালী, খাদ্যাভাস, ধৰ্মীয় বিশ্বাস, সাজ-পোছাক আ-অলংকাৰ ইত্যাদি পৃথক পৃথক। আন কথাত তেওঁলোকৰ সামাজিক-সাংস্কৃতিক পটভূমি সম্পূৰ্ণ পৃথক। 'বহু ভাষিক শ্ৰেণীকক্ষ'ত বিশিষ্ট পৰিস্থিতিত এজন শিক্ষকে শ্ৰেণীৰ প্ৰতিজন শিশুৰ শিকনত সহায় কৰিবৰ বাবে উদ্ভাৱকৰ ভূমিকা গ্ৰহণ কৰিব লাগে। তলৰ চিত্ৰ পৰ্যবেক্ষণ কৰক।





এটা বহু ভাষিক কক্ষত শিক্ষকে সুধিছিল ‘তোমালোকে ছবিখনত কি দেখিছা?’ এই ক্ষেত্ৰত ছাত্ৰসকলৰ প্ৰতিক্ৰিয়া কি হ’ব পাৰে নিৰ্ধাৰণ কৰা। আপুনি এনে পৰিস্থিতিৰ কেতিয়াবা সন্মুখীন হৈছে নে?

এটা বহুভাষিক শ্ৰেণীকক্ষ পৰিচালনা কৰাটো এজন শিক্ষকৰ বাবে এক প্ৰত্যাহ্বান স্বৰূপ কাৰণ —

- শিক্ষক জন শিশুৰ ভাষাটো জনা ব্যক্তি আৰু সাম্ভাব্য ক্ষেত্ৰত কিছুসকলৰ একে সম্প্ৰদায়ৰ হ’লে ভাল।
- শিক্ষক আৰু ছাত্ৰৰ মাজত ঘনিষ্ঠ সম্পৰ্কত প্ৰাধান্য দিয়ে।
- শিশুৰ নিজস্ব সংস্কৃতিত গুৰুত্ব প্ৰদান কৰে।
- শিশুৱে সন্মুখীন হোৱা আন সংস্কৃতি আৰু আন ভাষাৰ পৰিপ্ৰেক্ষিতত এক নিৰাপদ আৰু বিকাশৰ প্ৰতি সংবেদনশীল সংযোগকাৰী ব্যৱস্থা প্ৰকাশ কৰিব লাগে।
- শিকন জনাৰ পৰা নজনাকৈ গতি কৰে।
- মূল শৈক্ষিক ধাৰণাসমূহ শিকোৱাৰ ক্ষেত্ৰত সাংস্কৃতিক ধাৰণাসমূহ প্ৰয়োগ কৰে।
- শিশুৰ নিজস্ব শব্দ ভাণ্ডাৰ গঠন কৰে আৰু ইয়াৰ লগত শিশুৱে শিকা দ্বিতীয় ভাষাৰ শব্দ ভাণ্ডাৰ সংযোগ কৰে।
- পাঠ্যক্ৰম আৰু শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰা আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়া নিৰ্ধাৰণত স্থানীয় সমাজক জড়িত কৰাৰ প্ৰয়োজন হয়।
- শিশুৰ সাংস্কৃতিক জ্ঞান আৰু শৈক্ষিক বিদ্যায়তনিক দিশৰ মাজত সংহতি স্থাপনৰ বাবে ব্যৱস্থা প্ৰয়োগ কৰা।

**E 8** ঃ এটা আদৰ্শ বহুভাষিক শ্ৰেণী কোঠাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

**E 9** ঃ এটা MLE শ্ৰেণী সফলতাৰে পৰিচালনা কৰাৰ ক্ষেত্ৰত এজন শিক্ষকৰ বাবে প্ৰয়োজনীয় গুৰুত্ব বৈশিষ্ট্য দুটা কি?

৯নং এককত আপুনি বিষয়সমূহ কেনেদৰে সংহত কৰিব পাৰি সেই সম্পৰ্কে জানিব পাৰিছে। এটা বহু ভাষিক বহু ভাষিক শ্ৰেণীকক্ষতো শিশুসকলৰ নিজৰ সমাজ বা সম্প্ৰদায়/স্থানীয় জ্ঞানক কেৱল এটা মূল বিষয়ৰ লগত সংহত কৰি বিভিন্ন বিষয়ৰ অনেক ধাৰণা প্ৰদান কৰিব পৰা যায়। এনে ধৰণৰে বিভিন্ন বিষয়ৰ ধাৰণাসমূহ আৰু সামাজিক -সংস্কৃতিক জ্ঞানৰ সংহতকৰণৰ যোগেদি প্ৰস্তুত কৰা

টোকা

মানচিত্ৰক ‘মূল বিষয় ভিত্তিক জাল’ বুলি কোৱা হয়।

‘পানী’ক মূল বিষয় হিচাবে লৈ ইয়াৰ এটা উদাহৰণ তলত দাঙি ধৰা হ’ল—

| | | |
|---|---|---|
| বিষয় | ধাৰণা | সমাজ/সাম্প্ৰদায়ৰ সামাজিক সাংস্কৃতিক জ্ঞান (ঘৰুৱা ভাষাৰ) |
| ভূগোল | পানীৰ প্ৰাকৃতিক উৎস | যেনে- জুৰি, নদী, বৰষুণ |
| বিজ্ঞান | পানীৰ বিশুদ্ধ কৰণ | পাত্ৰৰ তলত গেদ পৰা, পৰিষ্কাৰ কাপোৰেৰে পানী চেকা, চাজনাৰ গুটিৰ গুৰিৰ ব্যৱহাৰ |
| ইত্যাদি | গণিত | পানীৰ আয়তন পৰিমাপ অ মা ন দ গু |


যুক্তি পৰিমাপ, গণনা

| | | |
|---|---|---|
| ভাষা | আবৃত্তি,...... | স্থানীয়/লোকগীত |

এনেদৰে ‘মূল বিষয় কেন্দ্ৰিক’ সংহত কৰণক চিত্ৰৰ দ্বাৰা উপস্থাপন কৰিলে ই দেখিবলৈ এখন জালৰ দৰে হয়। সেয়েহে ইয়াক ‘মূল বিষয়ভিত্তিক’ জাল বুলি কোৱা হয়।

**বহু ভাষিক শ্ৰেণীকক্ষ পৰিচালনাৰ সামগ্ৰীসমূহ ঃ**

এটা বহুভাষিক শ্ৰেণী কক্ষ পৰিচালনাৰ বাবে এজন শিক্ষকে ‘মূল বিষয় ভিত্তিক জাল’ আৰু আন কিছুমান প্ৰাসংগিক শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰিব লাগে। যেনে - মাতৃভাষাত ছবিভিত্তিক কাহিনী পুথি মাতৃভাষাৰ আখৰ সমূলৰ তালিকা, শব্দৰ জাল, বহুভাষিক অভিধান, দ্বিতীয় ভাষাত সম্পূৰ্ণ দৈহিক প্ৰতিক্ৰিয়া (TPR) ইত্যাদি।




**ছবি ভিত্তিক কাহিনী পুথি ঃ** ছবি ভিত্তিক কাহিনী পুথি হৈছে এনে এক পঠন সামগ্ৰী য’ত পাঠপুথিৰ পৃষ্ঠাৰসমূহৰ বাঁওহাতে একোখন ছবি থাকে আৰু সোঁহাতে পাঠসমূহ থাকে। পাঠ অংশত ছবিটোৰ বিষয়ে মাতৃভাষাত ব্যাখ্যা কৰা হয়। ইয়াৰ বাক্যবোৰ চুটি আৰু সহজ। ইয়াক এক প্ৰকাৰৰ ছবিভিত্তিক পঠন বুলি ক’ব পৰা যায় আৰু ইয়াৰ দ্বাৰা অনুমান মূলক পঠনৰ ব্যৱস্থা কৰিব পৰা যায়। ভাষাৰ ছবিযুক্ত কাহিনী পুথিৰ এটি উদাহৰণ তলত ডাঙি ধৰা হ’ল।



কোনো সমাজত প্ৰচলিত লোক কাহিনীক ভিত্তি কৰি এই ছবিযুক্ত কাহিনী পুথিসমূহ শিশুসকলৰ মাতৃ-ভাষাত প্ৰস্তুত কৰিব পৰা যায়। ইয়াৰ দ্বাৰা শিশুসকলৰ পঠন কৌশলৰ দক্ষতাৰ লগতে বোধগম্যতাৰ শক্তিৰো বিকাশ সাধন কৰিব পৰা যায়। এজন শিক্ষকে একোটা শ্ৰেণীৰ বাবে যদি এনেধৰণৰ ২০/৩০টা ছবিযুক্ত কাহিনী তৈয়াৰ কৰি শিশুসকলৰ ভাষাগত দক্ষতা, বিশেষভাৱে পঠন দক্ষতা বৃদ্ধিত বিশেষভাৱে সহায় কৰিব পাৰে।

- শব্দজাল ঃ শব্দ জাল হৈছে মাতৃভাষাৰ পৰা দ্বিতীয় ভাষালৈ গতি কৰাৰ এক কৌশল। শিশুসকলে যিহেতু মাতৃভাষাটো ভালদৰে জানে, গতিকে 'শব্দ জানে' শিশুক মাতৃভাষাৰ পৰা দ্বিতীয় ভাষালৈ গতি কৰাত বিশেষ সহায় কৰে। তলৰ ১০.৪নং চিত্ৰলৈ মন কৰক। চিত্ৰৰ মাজৰ বৃত্তটোৱে বিষয়টোক সূচিত কৰে। প্ৰথম বাকচটোত ছবি আৰু দ্বিতীয় ছবিৰ লগত থকা বাকচত দ্বিতীয় ভাষাত ইয়াৰ অৰ্থ দিয়া থাকে। যদি শিক্ষকে পাঠ্যপুথিৰ প্ৰতিটো বিষয়ৰ বাবে (প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ) এনেদৰে 'শব্দ জাল' তৈয়াৰ কৰিলে এটা ভাষা শিকাৰ পিছত আন এটা ভাষালৈ গতি কৰা সহজ হয়।



**বহুভাষিক অভিধান ঃ**

এজন শিক্ষকে শ্ৰেণীৰ শিশুসকলৰ মাতৃভাষাৰ পৰা বিভিন্ন শব্দ তৈয়াৰ কৰি বহুভাষিক অভিধান তৈয়াৰ কৰিব পাৰে। এই ক্ষেত্ৰত তেওঁ স্থানীয় মাতৃভাষাৰ শিক্ষকৰ আৰু শিশুসকলৰ সহায় ল'ব পাৰে। তলৰ ১০.৫ চিত্ৰ ইয়াৰ এটি উদাহৰণ ডাঙি ধৰা হৈছে। বহু ভাষিক অভিধান এটা ভাষাৰ ভিত্তিত আন এটা ভাষা শিকাৰ এক উৎকৃষ্ট মাধ্যম। ই শিশুসকলৰ শব্দ ভাণ্ডাৰ বৃদ্ধি কৰাৰ লগতে বোধগম্যতাৰ শক্তিৰো উৎকৰ্ষতা সাধন কৰে।

আখৰ চিনাক্তকৰণ কাৰ্ড ঃ ১০.৬নং চিত্ৰত দেখুওৱা চাৰ্চ দুখন তুলনা কৰা। ইয়াৰ কোনখন 'চাওতালী' শিক্ষাৰ্থীৰ বাবে উপযুক্ত হ'ব। নিশ্চয় দ্বিতীয়খন হ'ব।

টোকা

কাৰণ এইখন 'চাওঁতালী' শিশুসকলৰ পটভূমিত পৰিপ্ৰেক্ষিতত অধিক প্ৰাসংগিক।






ছবি (পেজ-৫৭)

চিত্ৰ ১০. ৪ ঃ আখৰ চিনাক্তকৰণ চাৰ্টৰ ব্যাখ্যাকৰণ

- সম্পূৰ্ণ দৈহিক প্ৰতিক্ৰিয়া (TPR) ঃ

সাধাৰণতে দেখা যায় কোনো শিশুৱে কোনো এটা বিশেষ ভাষা নাজানিলেও তেওঁলোকক কিছুমান দৈহিক প্ৰতিক্ৰিয়া কোনোৰ বাবে দিয়া নিৰ্দেশসমূহ বুজিব পাৰে সেইবিলাক যেনে - 'stand up', sit down', Touch your head, Turn overend, Hold your pen, Touch your shoe' ইত্যাদি হৈছে সম্পূৰ্ণ দৈহিক




প্ৰতিক্ৰিয়া (TPR) এইবিলাকক 'শুনা আৰু কৰা' প্ৰকৃতিৰ কাৰ্যাৱলী বুলি ক'ব পৰা যায়। বিদ্যালয়ৰ প্ৰাৰম্ভিক শ্ৰেণীসমূহত (বিশেষভাৱে প্ৰথম শ্ৰেণীত) শিক্ষকে এই TPRৰ মাজেদি দ্বিতীয় ভাষাটো শিকাব পাৰে। এই ক্ষেত্ৰত শিক্ষকে প্ৰদান কৰা ভাষিক নিৰ্দেশ আৰু তেওঁৰ কাৰ্যৰ পৰ্যবেক্ষণ কৰি শিশুসকলে এই কাৰ্যসমূহ সম্পাদন কৰে। এই কাৰ্যসমূহ সম্পাদন কৰোতে কৰোতে শিশুসকলে দ্বিতীয় ভাষাত ইয়াৰ অৰ্থসমূহ বুজি পাবলৈ ধৰে। অভিজ্ঞতাৰ পৰা এইটো প্ৰমাণিত হৈছে যে যদি এজন মাতৃভাষা নজনা শিক্ষকে প্ৰথম শ্ৰেণীত এনেধৰণৰ প্ৰায় ২০০ TPR ব্যৱহাৰ কৰে, তেন্তে অতি দক্ষতাৰে এটা বহু ভাষিক শ্ৰেণী পৰিচালনা কৰিব পাৰিব।

**E 10** ঃ আপোনাৰ বিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰা শিক্ষাৰ্থীসকলৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা ১০টা TPR লিখা।

বহু ভাষিক শিক্ষা আঁচনিয়ে সমাজ বা সাম্প্ৰদায়ৰ ভাষা আৰু সাংস্কৃতিক পটভূমিক শিক্ষন-শিকনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ, বহনক্ষম, কাৰ্যকৰী আৰু উচ্চ মানদণ্ডযুক্ত শিকনৰ ক্ষেত্ৰত আনক উদ্ভাৱনীমূলক সম্ভাৱনীয়তা বহন কৰে। জনজাতীয় অঞ্চলত বিদ্যালয়সমূহত ই বিশেষভাৱে কাৰ্যকৰী। সেয়ে হ'লেও অন্যান্য যিবিলাক বিদ্যালয়ত একাধিক ভাষা শিকোৱা হয় সেই বিদ্যালয়সমূহতো এই ব্যৱস্থা কাৰ্যকৰী।

৪। আপুনি তৃতীয় শ্ৰেণীৰ 'স্বাস্থ্য' পাঠটো পঢ়াব লাগে শিশুসকলৰ স্থানীয় ভাষাৰ ওপৰত ভিত্তি কৰি শ্ৰেণী কাৰ্যৰ এটি নক্সা প্ৰস্তুত কৰক?

**অগ্ৰগতিৰ মূল্যায়নৰ মডেল উত্তৰসমূহ ঃ**

**E.1** ঃ শিশুৰ অভিজ্ঞতাৰ ব্যৱহাৰ, স্থানীয়ভাৱে প্ৰাসংগিক উদাহৰণ, শিকনক এক প্ৰক্ৰিয়া হিচাবে গুৰুত্ব প্ৰদান, শিশুক প্ৰশ্ন সোধাৰ স্বতন্ত্ৰতা প্ৰদান শিশুৰ চিন্তাত গুৰুত্ব প্ৰদান।

**E.2** ঃ বিদ্যালয়ৰ দূৰত্ব, অনুপযুক্ত বিদ্যালয় পৰিৱেশ বিদ্যালয়/শ্ৰেণীকক্ষত বৈষম্যমূলক ব্যৱহাৰ লিংগ পক্ষপাতমূলক সামগ্ৰী ইত্যাদি (যি কোনো দুটা।)

**E.3** ঃ দলীয় কামত অংশগ্ৰহণৰ নিশ্চিতকৰণ।

**E.4** ঃ সমনীয়াৰ সহায় ভিত্তি শিকনৰ সুযোগ প্ৰদান, আত্ম-বিশ্বাস বৃদ্ধি কৰা।

**E.5** ঃ সন্মুখৰ শাৰীত বহুৱা (ব্লেক বোৰ্ডত লিখা স্পষ্টভাৱে দেখিবলৈ শিক্ষকৰ কথা স্পষ্টভাৱে শুনিবৰ বাবে) আৰু দলীয় কামত অংশগ্ৰহণ।

**E.6** ঃ তলৰ যিকোনো চাৰিটা।

— শিশুৱে ক'ব পৰা আৰু বুজা ভাষাত ভালদৰে শিকিব পাৰে।

— পৰিচিত ভাষাত লিখা আৰু পঢ়া সহজ হয়।

— মাতৃভাষাৰ যোগেদি ধাৰণা শিক্ষা সহজ হয়।

— মাতৃভাষাৰ ভেটি সুদৃঢ় হ'লে দ্বিতীয় ভাষাটো শিকা সহজ হয়।

— স্থানীয় জ্ঞান স্থানীয় ভাষাৰ যোগেদিহে আয়ত্ব কৰিব পৰা যায়।

— যিবিলাক শিশুৰ মাতৃভাষাৰ ভেটি সুদৃঢ় তেওঁলোকে আন ভাষাটো পাৰদৰ্শিতা দেখুৱাব পাৰে।

টোকা

**E.7** ঃ তলত দিয়া কেইটাৰ যিকোনো চাৰিটা —

- শিক্ষাদানৰ মাধ্যম হিচাবে মাতৃভাষাৰ ব্যৱহাৰ
- সামাজিক সাংস্কৃতিক পটভূমি আৰু লোক সামগ্ৰীৰ ব্যৱহাৰ।
- পাঠ্যপুথিসমূহ স্থানীয় জ্ঞানৰ লগত সংযুক্ত কৰা।
- স্থানীয়ভাৱে প্ৰাসংগিক TLM ব্যৱহাৰ কৰি শিক্ষাদান।

**E.8** ঃ ছাত্ৰৰ ঘৰুৱা ভাষাকে ধৰি একাধিক ভাষাৰ ব্যৱহাৰ, স্থানীয়ভাৱে উপলব্ধ লোক-সামগ্ৰীৰ ব্যৱহাৰ, অধিক দলীয় শিকনৰ সুযোগ শিক্ষক আৰু ছাত্ৰৰ মাজত মুক্ত আন্তঃক্ৰিয়া, স্থানীয় সম্প্ৰদায়ৰ সাহায্য গ্ৰহণ।

**E.9** ঃ ছাত্ৰৰ ঘৰুৱা ভাষা আৰু অন্য ভাষাত শিক্ষকৰ বাকপটুতা ছাত্ৰৰ লগত উপযুক্ত সংযোগ স্থাপন।

**E.10 : '**Stand up', sit down, come here cleep your hands, Mod you head, Raise your head, touch your nose show your teeth.ইত্যাদি।

## ১০.৭ ঃ প্ৰসংগ পুথি হিচাবে পঢ়িব লগা গ্ৰন্থ ঃ


1. Department of School Education and Literacy (2011). *Sarva Shiksha Abhiyan: Framework for implementation based on the Right of Children to Free and Compulsory Education Act, 2009.* New Delhi: Ministry of Human Resource Development, Government of India.
2. Garcia, Ofelia, Skutnabb-Kangas, Tove, and Torres-Guzman, Maria E.(Eds.) (2006). Imagining multilingual schools: Languages in education and glocalization. Hyderabad: Orient Black Swan.
3. Mohanty, A.K., Panda, M., Phillipson,R., and Skutnabb-Kangas, T. (Eds.) (2009). *Multilingual education for social justice: Globalising the local.* Hyderabad: Orient Black Swan.
4. National Council of Educational Research and Training (1988). *In-service Teacher Education Package – For Upper Primary and Secondary School Teachers.* Sri Aurobindo Marg. New Delhi: NCERT.